● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

**দিগ্‌দৰ্শন**

সমালোচক হয় সেইজনেই, যিজনে গাড়ী যোৱা ৰাস্তাটো চিনি পায়; কিন্তু গাড়ীখন চলাব নোৱাৰে।

কেনেথ টাইনান
*নাট্য সমালোচক*



৭ ৫০ হেজাৰ ট্ৰাক চালকৰ ঘৰ ঘেৰাও, পলাল ট্ৰুডু
১৫ ইতিহাস গঢ়ি ২১ সংখ্যক গ্ৰেণ্ডশ্লাম জয় নাডালৰ
৪ বাজেটে জনসাধাৰণৰ জীৱন-জীৱিকাৰ পথ সৃষ্টি কৰিবনে?

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১১৩তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ১৭ মাঘ ১৪২৮ ভাস্কৰাব্দ ৩১ জানুৱাৰী ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 31 January 2022 মূল্য ঃ ৯.০০ টকা

## দৰিদ্ৰলৈ সকাহ নে নেতালৈ সুযোগ?

■ প্ৰাঞ্জলসেন ডেকা

**যোৱা** সপ্তাহৰ দুটা ঘটনাই আমি বহুতে ভাবি থকা কথা কিছুমানকে যেন খুচৰি দিলে। প্ৰথমতে, বিভিন্ন ৰাজনৈতিক দলে বিশেষকৈ নিৰ্বাচনৰ সময়ত অবাস্তৱ প্ৰতিশ্ৰুতি প্ৰদান কৰা অথবা ৰাজহুৱা ধনেৰে ৰূপায়ণ কৰা অযুক্তিকৰ বিনামূলীয়া আঁচনিৰ নামত চলি অহা তামাচাক লৈ যোৱা মঙলবাৰে দেশৰ সৰ্বোচ্চ ন্যায়ালয়ৰ উদ্বেগ প্ৰকাশ। দ্বিতীয়তে, বাজেটত ধাৰ্য নোহোৱা আৰু কেবিনেটে অনুমোদন ১০ পৃষ্ঠাত চাওক

## ■ দশকজোৰা চৰকাৰী বঞ্চনা আৰু বৃহত্তৰ অসমীয়া জাতিয়ে নিলগাই ৰখাৰ ক্ষোভ ■ মেঘালয়ত অন্তৰ্ভুক্ত হ'বলৈ সাজু হাহিমৰ ১০ অসমীয়া গাঁও ■ সীমান্তৰ খাচি-গাৰো-ৰাভা জনজাতিৰ আক্ষেপ

# অসম-মেঘালয় সীমান্তত বিদায় বিননি



■ দেবানন্দ মেদক

গীজাং (হাহিম), ৩০ জানুৱাৰী ঃ ৰাজধানী মহানগৰীৰ চুবুৰীয়া কামৰূপ জিলাৰ বকো ৰাজহ চক্ৰৰ অন্তৰ্গত অসম-মেঘালয় সীমান্তৰ এখন গাঁও গীজাং। আচলতে অসম-মেঘালয় দুয়োখন ৰাজ্যক প্ৰাকৃতিক আৰু ঐতিহাসিকভাৱে বিভক্ত কৰা গীজাং নদীখনক লৈয়েই গাঁওখনৰো নাম গীজাং। প্ৰাকৃতিক সৌন্দৰ্যৰ সকলো সমাহাৰেৰে ভৰপূৰ এখন গাঁও। চুবুৰীয়া মেঘালয়ৰ পশ্চিম খাচি পাহাৰ জিলাৰ পৰা কুলু কুলু কৰি বৈ নামি অহা নদী গীজাং। চিৰপ্ৰৱাহমান নদীখনৰ পাৰে পাৰে সৰু সৰু পাহাৰৰ টিলা। বিস্তীৰ্ণ অঞ্চলজুৰি তামোল, কল, আম, লেটেকু, জামু, আঠ পৃষ্ঠাত চাওক

■ অসমৰ শিক্ষকে কোনোদিন আমাৰ ল'ৰা-ছোৱালীক অসমীয়া কৰিব নোৱাৰিলে!






*দিছপুৰৰ দ্বাৰা অৱহেলাৰ বলি অসমৰ ভূমিত বাট-পথসহ আন্তঃগাঁথনি নিৰ্মাণ মেঘালয় চৰকাৰৰ, কামৰূপ জিলাৰ গীজাং অঞ্চলত।*

## ■ বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীক ধৰি ৰখাত ব্যৰ্থ ৰাজ্যৰ শিক্ষা বিভাগ

■ অসমত নিম্ন প্ৰাথমিক শ্ৰেণীৰ পৰাই বিদ্যালয় এৰে ছাত্ৰ-ছাত্ৰীয়ে

# ৰাজ্যত নিম্ন প্ৰাথমিকত নামভৰ্তি কৰা ১৭ শতাংশ ৰয় উচ্চ মাধ্যমিক স্তৰত

স্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ৩০ জানুৱাৰী ঃ** আগন্তুক শিক্ষাবৰ্ষৰ পৰা অসমত নতুন শিক্ষানীতি কাৰ্যকৰী কৰাৰ প্ৰক্ৰিয়া সূচনা কৰিবলৈ ৰাজ্য চৰকাৰে তৎপৰতা অব্যাহত ৰাখিছে। এনে সময়তে ৰাজ্যৰ চৰকাৰী শিক্ষাখণ্ডৰ প্ৰতিটো স্তৰত শিক্ষানুষ্ঠান ত্যাগ কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা উদ্বেগজনকভাৱে বৃদ্ধি হৈছে। চৰকাৰে শিক্ষানুষ্ঠানত ধৰি ৰাখিবলৈ সক্ষম হোৱা অসমৰ ছাত্ৰ-ছাত্ৰীৰ হাৰ ৰাষ্ট্ৰীয় হাৰতকৈ যথেষ্ট কম। গুণোৎসৱৰ দৰে পদক্ষেপেৰে চৰকাৰে চমকহে দিলে; কিন্তু তাৰ ফলাফল আজিলৈকে নোলাল। গুণোৎসৱৰ জৰিয়তে শিক্ষানুষ্ঠানবোৰৰ দুৰ্বলতা জলজল-পটপট হৈ ওলাই পৰিছিল; অথচ সেইবোৰ আঁতৰ কৰাৰহে কাৰ্যকৰী ব্যৱস্থা বিগত পাঁচ বছৰত গ্ৰহণ কৰা নহ'ল।

বিদ্যালয় শিক্ষাৰ অন্যতম বৃহৎ তথ্য পদ্ধতি ইউনাইটেড ডিষ্ট্ৰিক্ট ইনফৰমেচন ছিষ্টেম ফৰ এডুকেছন প্লাছ (ইউডিআইএছই)ৰ তথ্য মতে নিম্ন প্ৰাথমিক স্তৰত অসমত চৰকাৰে বিদ্যালয়ত ১০ পৃষ্ঠাত চাওক

## ■ অসম-নগালেণ্ড সীমান্তৰ বালিজানত উচ্ছেদ অভিযানত উত্তপ্ত পৰিস্থিতি ■ আৰক্ষীলৈ শিলবৰ্ষণ উচ্ছেদিতৰ ■ আৰক্ষীৰ লাঠি-কন্দুৰা গেছ-শূন্যলৈ গুলিবৰ্ষণ ■ এশটা গৃহ উচ্ছেদ

# বেদখল উচ্ছেদ অভিযানত ৰক্তাক্ত সংঘৰ্ষ



**উচ্চ ন্যায়ালয়ৰ নিৰ্দেশনাক লৈ কাৰ্বি আংলং স্বায়ত্ত পৰিষদ-উচ্ছেদিত লোকৰ অভিযোগ-প্ৰতি অভিযোগ**

■ ৰণজিৎ বৰা

**বোকাজান, ৩০ জানুৱাৰী ঃ** উত্তপ্ত পৰিস্থিতিৰ মাজেৰে আজি কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদে অসম-নগালেণ্ড সীমান্তৰ বালিজান খান বস্তিত ভূমি বেদখল উচ্ছেদৰ তৃতীয় পৰ্যায়ৰ অভিযান চলায়। যোৱা ২০ আৰু ২৪ ডিচেম্বৰত সীমান্তৰ লাহৰীজানৰ দুদু কলনিত পাঁচ শতাধিক গৃহ দখলীকৃত ভূমিৰ পৰা উচ্ছেদ কৰাৰ পাছত আজি বালিজান খান বস্তিৰ তিনি নম্বৰ ব্লকৰ ছটা দাগত পুৱাৰ পৰাই ১০ পৃষ্ঠাত চাওক

## ক'ভিডৰ তৃতীয় ঢৌৰ মাজতে আজিৰে পৰা সংসদৰ বাজেট অধিৱেশন



■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ৩০ জানুৱাৰী ঃ** ক'ভিডৰ তৃতীয় ঢৌৰ তাণ্ডৱৰ মাজতে কাইলৈৰ পৰা আৰম্ভ হ'ব সংসদৰ বাজেট অধিৱেশন। এই অধিৱেশন ক'ভিড বিধিৰ মাজেৰে অনুষ্ঠিত কৰা ১০ পৃষ্ঠাত চাওক

## ■ ৰাজ্যৰ সাংস্কৃতিক মহলত শোকৰ ছাঁ ■ ক'ভিডত জিএমচিএইছত শেষ নিশ্বাস ত্যাগ ■ মুখ্যমন্ত্ৰীকে ধৰি বিভিন্নজনৰ শোক প্ৰকাশ

# মঞ্চ-চলচ্চিত্ৰ জগতৰ কিংবদন্তি অভিনেত্ৰী অনুপমা ভট্টাচাৰ্যৰ বিয়োগ

**ৰাজ্যৰ প্ৰথমগৰাকী মহিলা গ্লেমাৰ শিল্পী আছিল**



স্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ৩০ জানুৱাৰী ঃ** অসমৰ মঞ্চ আৰু চলচ্চিত্ৰৰ কিংবদন্তি অভিনেত্ৰী অনুপমা ভট্টাচাৰ্য আৰু নাই। দুৰ্দান্ত অভিনয় প্ৰতিভা আৰু অসমীয়া নাৰীৰ অমলিন সৌন্দৰ্যৰ যুগলবন্দী ভট্টাচাৰ্য বিগত কে'বামাহ বাৰ্ধক্যজনিত ৰোগত ভুগি আছিল। শেহতীয়াকৈ তেওঁৰ দেহত ক'ভিডৰ সংক্ৰমণো ধৰা পৰে। ফলত কালি জৰুৰীভাৱে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰা হয়। চিকিৎসকৰ পৰামৰ্শ অনুসৰি আই চি ইউত ভৰ্তি কৰা ভট্টাচাৰ্যৰ স্বাস্থ্যৰ ক্ৰমে অৱনতি ঘটে আৰু আজি সন্ধিয়া ৫-৫০ বজাত ৯৩ বছৰ বয়সত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। আঠ পৃষ্ঠাত চাওক

ড° প্ৰফুল্ল মহন্ত-ড° শিৱনাথ বৰ্মন-ড° অখিল চক্ৰৱৰ্তীলৈ বঁটা

## সাহিত্য সভাৰ চাৰিটা বঁটা প্ৰাপকৰ নাম ঘোষণা

স্টাফ ৰিপ'ৰ্টাৰ


**গুৱাহাটী, ৩০ জানুৱাৰী ঃ** পাঁচ বছৰ আৰু দুবছৰৰ মূৰে মূৰে অসম সাহিত্য সভাই প্ৰদান কৰি অহা চাৰিটাকৈ বঁটাৰ নিৰ্বাচিত প্ৰাপকসকলৰ নাম আজি ঘোষণা কৰিছে। যোৱা ১০ পৃষ্ঠাত চাওক

**মোৰ দেউতাৰ ইয়াতে সমাধি আছে, কিদৰে মই মৃতদেহ লৈ যাম!**

## আমি ভাৰতীয়, কিয় আমাক উচ্ছেদ কৰা হৈছে? ক্ষোভ উচ্ছেদিতৰ

অগ্ৰদূত বাৰ্তা

**বোকাজান, ৩০ জানুৱাৰী ঃ** অসম-নগালেণ্ড সীমান্তৰ বালিজানত উত্তপ্ত পৰিস্থিতিৰ মাজত সম্পন্ন হোৱা উচ্ছেদ অভিযানত একাংশ উচ্ছেদিত আৱেগিক হৈ পৰে। ক্ষোভ আৰু আৱেগ মিহলি সুৰত নাগামিজ ভাষাতে তেওঁলোকে কয় যে মাটিৰ পট্টা থকাই নহয়, তেওঁলোকৰ পূৰ্বপুৰুষৰ সমাধিও আছে এই ভূমিতে। এই উচ্ছেদ অন্যায় বুলি অভিহিত কৰি এগৰাকী নগা মহিলাই কান্দোনত ভাঙি পৰি কয়, 'মোৰ ১০ পৃষ্ঠাত চাওক



## ৰাজ্যত এদিনত ২০ ক'ভিড ৰোগীৰ মৃত্যু, আক্ৰান্ত ৯১০

স্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ৩০ জানুৱাৰী ঃ** অসমত আজি ক'ভিডৰ তৃতীয় ঢৌত ৯১০ জন লোক আক্ৰান্ত হয়। মুঠ ১৩,১০০ টা নমুনা পৰীক্ষাৰ জৰিয়তে এই তথ্য পোহৰলৈ আহে। ইয়াৰ ১০ পৃষ্ঠাত চাওক

## শ্বিলঙৰ সদাব্যস্ত পুলিচ বাজাৰত বোমা বিস্ফোৰণ

■ নিউজ ব্যুৰ'

**শ্বিলং, ৩০ জানুৱাৰী ঃ** আজি সন্ধিয়া এক বোমা বিস্ফোৰণ সংঘটিত হ'ল শ্বিলঙত। কম প্ৰাবল্যৰ এই বিস্ফোৰণত কোনো লোক হতাহত ১০ পৃষ্ঠাত চাওক

■ অপৰাধী বিচাৰি নহয়, এইবাৰ গভীৰ হাবিৰ মাজত গৰুৰ সন্ধানত পহৰা অসম আৰক্ষীৰ

## পৰ্বতঝোৰাত 'এম্বুছ' ঃ চোৰাং গৰু-ম'হ জব্দ, পলাল বেপাৰী



**তামাৰহাট, ৩০ জানুৱাৰী ঃ** এইবাৰ অপৰাধী বিচাৰি নহয়, চোৰাং গৰু বিচাৰি হাবিৰ মাজত অসম আৰক্ষীৰ 'এম্বুছ' চলিল। সমগ্ৰ শৰীৰ কম্বলেৰে ঢাকি হাবিৰ মাজত নিশাজুৰি চোৰাং গৰুৰ বিৰুদ্ধে অভিযান চলাই আৰক্ষীয়ে জব্দ কৰে গৰু-ম'হ। কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ হাতীখেল গাঁৱত আজি পুৱতি নিশা অভিযান চলাই টিপকাই আৰক্ষী চকীৰ আৰক্ষী বিষয়া অংগৰাজ ১০ পৃষ্ঠাত চাওক

## মহানগৰীৰ হোটেলৰ কোঠাত পৰিচালকৰ আত্মহত্যা

আৰ্থিকভাৱে দিশহাৰা হৈয়ে চৰম পদক্ষেপ

স্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ৩০ জানুৱাৰী ঃ** ক'ভিডসৃষ্ট পৰিৱেশৰ প্ৰভাৱত আৰ্থিকভাৱে দিশহাৰা হৈ মহানগৰীত পুনৰ এজন লোকে আত্মহত্যাৰ পথ বাছি ল'লে। পল্টনবজাৰস্থিত কে কে হোটেলত যোৱা প্ৰায় ১৭ বছৰ ধৰি নিয়োজিত হৈ থকা তথা যোৱা কে'বাদিন ধৰি নিজৰ উপাৰ্জনৰ পথক লৈ চিন্তিত হৈ থকা লতিফুৰ ৰহমান (৫০)ৰ মৃতদেহ হোটেলখনৰ দ্বিতীয় মহলাৰ এটা বন্ধ কোঠাত যোৱা নিশা চিপ লৈ থকা অৱস্থাত উদ্ধাৰ হোৱা ১০ পৃষ্ঠাত চাওক

## বন্যহস্তীৰ আক্ৰমণত পুনৰ দুজনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৩০ জানুৱাৰী ঃ** গোৱালপাৰা জিলাৰ মাটিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত গোপালপুৰ আৰু লালাবড়ীত আজি দুজন লোকে বন্যহস্তীৰ পৃথক আক্ৰমণত প্ৰাণ দিবলগীয়া হয়। ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৩° | ১১° |
| ডিব্ৰুগড় | ২২° | ০৮° |
| দিল্লী | ২১° | ০৯° |
| কলকাতা | ২৩° | ১৩° |
| মুম্বাই | ৩০° | ১৯° |
| চেন্নাই | ২৯° | ২৪° |
| বাংগালুৰু | ৩০° | ১৮° |
| শ্বিলং | ১২° | ০৫° |

*৩০ জানুৱাৰী, ২০২২*

■ ৰাজ্যসভাৰ নিৰ্বাচনৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীৰে আলোচনা কৰা হ'ব

## বিটিচিত পুনৰ বড়ো-অবড়োৰ সংঘাত বিচাৰিছে প্ৰমোদ বড়োৱে ঃ হাগ্ৰামা

অগ্ৰদূত বাৰ্তা

**ফকিৰাগ্ৰাম, ৩০ জানুৱাৰী ঃ** 'প্ৰমোদ বড়ো, ইউ জি ব্ৰহ্মৰ কাম নাই, দাম নাই। যদিহে বড়ো মানুহ ৰাজ্যসভালৈ পঠিয়াব লাগে, তেনেহ'লে আমি আলোচনা কৰিম। সিহঁতৰ কাম নাই। ৰাজ্যসভাৰ নিৰ্বাচন দেৰি আছে, এপ্ৰিলত হ'ব। সময় আহিলে ৰাজনৈতিকভাৱে নহ'লেও ব্যক্তিগতভাৱে মুখ্যমন্ত্ৰীৰ স'তে আলোচনা কৰিম। মুখ্যমন্ত্ৰীৰ পৰামৰ্শ মতে আমি কাম কৰি আছো।' এই মন্তব্য বিপিএফৰ সভাপতি হাগ্ৰামা মহিলাৰীৰ। আজি কোকৰাঝাৰৰ দোতমাত বিপিএফৰ ব্লক অধিৱেশনত উপস্থিত থাকি মহিলাৰীয়ে সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ স'তে তেওঁৰ ব্যক্তিগতভাৱে ভাল সম্পৰ্ক বুলি দোহাৰে। তেওঁ লগতে চৰকাৰত ১০ পৃষ্ঠাত চাওক

## ঋণ জালিয়াতি-প্ৰৱঞ্চনাত অভিযুক্ত হ'ল অধিবক্তা

স্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ৩০ জানুৱাৰী ঃ** আই ডি বি আই বেংকৰ ৮.৬২ কোটি টকাৰ ঋণ জালিয়াতি তথা প্ৰৱঞ্চনাত সহযোগ কৰাৰ অভিযোগত কেন্দ্ৰীয় তদন্তকাৰী সংস্থা (চিবিআই)ৰ ১০ পৃষ্ঠাত চাওক

**কৰ্মচাৰীক নীতি শিক্ষা দিয়া মুখ্যমন্ত্ৰীক প্ৰত্যাহ্বান কংগ্ৰেছ সভাপতিৰ**

## ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ ফাইলৰ কাম সম্পন্ন কৰি দেখুৱাওক

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ৩০ জানুৱাৰী ঃ** 'ফাইল ৰখাই নথ'বলৈ সচিবালয়ৰ কৰ্মচাৰীক দিয়া প্ৰশিক্ষণ আৰু নীতিশিক্ষাৰ সমান্তৰালকৈ মুখ্যমন্ত্ৰীয়ে নিজেও ফাইল পেলাই নথৈ প্ৰতিশ্ৰুতি মতে কাম কৰি দেখুৱাওক। ছয় জনগোষ্ঠীক জনজাতিকৰণৰ ফাইলৰ কাম নকৰা মুখ্যমন্ত্ৰীক নীতিশিক্ষা কোনে দিব? অসম চুক্তিৰ পাঁচ আৰু ছয় নম্বৰ দফা কাৰ্যকৰীকৰণৰ ফাইল, সুভাষ দাসৰ প্ৰতিবেদনৰ ফাইল কাৰ্যকৰী নকৰা মুখ্যমন্ত্ৰীয়ে সচিবালয়ৰ কৰ্মচাৰীক ফাইল পেলাই ১০ পৃষ্ঠাত চাওক

**চেঙা তেল**



*আমাৰ শাসনকালৰ চিন স্বৰূপে এইবোৰ বনাই থৈছো, আন নাথাকিলেও এইকেইটা ৰৈ যাব!*

■ বড়মপুৰত আক্ৰমণত এজনৰ মৃত্যু ■ আঁৰিমৰা চাপৰিৰ খুঁটিত সাতটা ঘৰচীয়া ম'হ নিধন

## নগাঁও-তেজপুৰত বনৰীয়া ম'হৰ সন্ত্ৰাস অব্যাহত

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা

**নগাঁও/যমুনামুখ/তেজপুৰ, ৩০ জানুৱাৰী ঃ** নগাঁও আৰু তেজপুৰত দীৰ্ঘদিন ধৰি বনৰীয়া ম'হৰ সন্ত্ৰাস অব্যাহত আছে। এই বনৰীয়া ম'হৰ সন্ত্ৰাসত স্থানীয় লোক আতংকত থাকিবলগীয়া হৈছে। তেজপুৰত একাধিক ঘৰচীয়া ম'হ বনৰীয়া ম'হৰ আক্ৰমণত মৃত্যুমুখত পৰিছে। ইয়াৰ সমান্তৰালকৈ নগাঁৱত আজি এজন লোকে ম'হৰ



আক্ৰমণত প্ৰাণ হেৰুৱাবলগীয়া হ'ল।

উল্লেখ্য যে নগাঁও জিলাৰ বঢ়মপুৰ বিধানসভা সমষ্টিৰ তথা কঠিয়াতলি আঞ্চলিক বন কাৰ্যালয়ৰ অন্তৰ্গত বামুনীৰ সমীপৰ মূৰ্গীলৰাইত বিগত এটা পষেক ধৰি এটা বনৰীয়া ম'হে সন্ত্ৰাস চলাই আহিছে। স্থানীয় লোকে বনৰীয়া ম'হটো আঁতৰাই নিবৰ বাবে বন বিভাগক আহ্বান জনাইছিল যদিও বন বিভাগে কোনো ১০ পৃষ্ঠাত চাওক



# বনকৰ্মীৰ পৰা দুষ্কৃতিকাৰীয়ে কাঢ়ি নিয়া বন্দুক উদ্ধাৰ

**অসম-মেঘালয় সীমান্তত খাছী লোকৰ গুণ্ডাগিৰি অব্যাহত**

অগ্ৰদূত বাৰ্তা
**ডংকামোকাম, ৩০ জানুৱাৰী ঃ** কাৰ্বি আংলঙৰ অসম-মেঘালয় সীমান্তত খাছী লোকৰ গুণ্ডাগিৰি অব্যাহত আছে।জিলাখনৰ জিৰিকিন্দেং আৰক্ষী থানাৰ অন্তৰ্গত মুজেমত একাংশ খাছী দুষ্কৃতিকাৰীৰ ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী, ৩১ জানুৱাৰী, ২০২২ সোমবাৰ পৃষ্ঠা তিনি

# মিছামাৰীত বিলাতী সুৰাৰ বিপণী স্থাপনৰ বিৰুদ্ধে ক্ষোভ স্থানীয় ৰাইজৰ

অগ্ৰদূত বাৰ্তা
**তেজপুৰ, ৩০ জানুৱাৰী ঃ** নতুনকৈ এখন দেশীয় সুৰা বিপণীৰ অনুজ্ঞাপত্ৰ প্ৰদানক লৈ শোণিতপুৰৰ ঢেকিয়াজুলি বিধানসভা সমষ্টিৰ অন্তৰ্গত মিছামাৰীৰ গৰুবন্ধাত স্থানীয় ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ৰাজ্য চৰকাৰৰ আবকাৰী বিভাগে দেশীয় সুৰাৰ বিপণীৰ বাবে অনুজ্ঞাপত্ৰ প্ৰদান কৰিবলৈ এই অনুজ্ঞাপত্ৰ লাভৰ বাবে তৎপৰ হৈ উঠাৰ বিপৰীতে স্থানীয় ৰাইজে সুৰা বিৰোধী অভিযানত নামি পৰিছে। তথ্য অনুসৰি বিজয় কুমাৰ ৰায় আৰু তেজপুৰ চহৰৰ সমীপৱৰ্তী ডেকাৰ গাঁৱৰ ডেকা বৰুৱা চুবুৰিৰ বাসিন্দা অনুজ বৰুৱাৰ উপৰি আন কে'বাজনো ব্যক্তিয়ে এই অনুজ্ঞাপত্ৰ লাভৰ বাবে তৎপৰ হৈ উঠিছে। আবকাৰী বিভাগে গৰুবন্ধাত হ'বলগীয়া দেশীয় সুৰা বিপণীৰ অনুজ্ঞাপত্ৰৰ বাবে যোৱা ২০২১ৰ আঠ নৱেম্বৰত জাননী প্ৰকাশ কৰি ২২ নৱেম্বৰত আবেদন জমা কৰাৰ অন্তিম দিনৰ নিৰ্দেশনা জাৰি কৰিছিল। ইয়াৰ পাছতে উল্লেখিত ৰায় আৰু বৰুৱাৰ উপৰি আন কে'বাজনো লোকে দেশীয় সুৰাৰ বিপণীৰ অনুজ্ঞাপত্ৰ লাভৰ কাৰণে জিলা ছয় পৃষ্ঠাত চাওক

# বাইহাটা চাৰিআলিত শোকাৱহ দুৰ্ঘটনাত দুই যুৱক নিহত

অগ্ৰদূত বাৰ্তা
**দুমুনিচকী/বাইহাটাচাৰিআলি, ৩০ জানুৱাৰী ঃ** কামৰূপ জিলাৰ বাইহাটা চাৰিআলি আৰক্ষী থানাৰ অন্তৰ্গত ক্ষুদ্ৰ পলহাৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় পথত আজি পুৱাই সংঘটিত এক শোকাৱহ দুৰ্ঘটনাত দুজনকৈ যুৱকৰ মৃত্যু হয়। ঘটনাৰ বিৱৰণি মতে, পুৱা প্ৰায় ৬-৪৫ বজাত ৰাষ্ট্ৰীয় পথটোত এ এছ-২৫ ডি-২৩৩৫ নম্বৰৰ ছুপাৰ স্প্লেণ্ডাৰ মটৰ চাইকেলখনে এখন টেইলক অতিক্ৰম কৰিবলৈ যোৱাৰ সময়তে বিপৰীতমুখী ইউ পি-৬১ এ টি-৩১৮৩ নম্বৰৰ আলু পৰিবাহী ট্ৰাকখনৰে মুখামুখি সংঘৰ্ষ হয়। ঘটনাটোত মটৰ চাইকেলখনত থকা এজন যুৱকৰ থিতাতে মৃত্যু হয় আৰু গুৰুতৰভাৱে আহত আনজনক স্থানীয় আৰক্ষীয়ে ততাতৈয়াকৈ ৰাইজৰ সহযোগত হাস্পতাললৈ প্ৰেৰণ কৰে যদিও তেওঁৰো আদবাটত মৃত্যু ঘটে। নিহত যুৱকদ্বয়ৰ এজনক দৰং জিলাৰ ছিপাঝাৰ থানাৰ অন্তৰ্গত বুঢ়াৰ নাতিদূৰৈৰ বুঢ়াদৈৰ ৰহমান আলীৰ পুত্ৰ আনোৱাৰ হুছেইন (২২) ছয় পৃষ্ঠাত চাওক

# দেৰগাঁৱত বৈদ্যুতিক খুঁটাত খুন্দা মাৰি প্ৰাণ গ'ল আৰক্ষী জোৱানৰ



**দেৰগাঁও, ৩০ জানুৱাৰী ঃ** দেৰগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত বগৰীয়নী গাঁৱত আজি পুৱা দুচকীয়া বাহনেৰে বৈদ্যুতিক খুঁটাত খুন্দা মাৰি মৃত্যুমুখত পৰে যোৰহাট সদৰ থানাত কৰ্তব্যৰত আৰক্ষী কনিষ্টবল মৃগেন বৰা। প্ৰাপ্ত তথ্য মতে, যোৰহাট সদৰ থানাত নিশা কৰ্তব্য পালন কৰি পুৱা খুমটাই খকগুগুৰিৰ বাসগৃহলৈ এএছ-০৩ এএফ-৭০৪২ নম্বৰৰ দুচকীয়া বাহনেৰে আহি আছিল আৰক্ষী কনিষ্টবল বৰা। যোৰহাটত দীৰ্ঘদিনৰে পৰা কৰ্মৰত হৈ থকাৰ পাছতো বৰাই আপোন গাঁওখনৰ প্ৰতি থকা মৰমক নেওচিব নোৱাৰি গাঁৱতে দুমাহ আগতে নিৰ্মাণ কৰিছিল সপোনৰ ঘৰখন। তেওঁৰ আকস্মিক মৃত্যুৰ পাছত এতিয়া অন্ধকাৰময় ভৱিষ্যৎ নামি আহিছে পত্নীসহ দুই পুত্ৰৰ জীৱনলৈ। ইফালে, পৰিয়ালৰ লগতে স্থানীয় ৰাইজে অসম আৰক্ষী তথা চৰকাৰক ছয় পৃষ্ঠাত চাওক

■ নগাঁও জিলাৰ পৌৰ নিৰ্বাচনৰ বাবে বিজেপি সাজু ঃ ভবেশ কলিতা ■

# কংগ্ৰেছক অসমৰ ৰাইজে বাই বাই দিলে




বিশেষ সংবাদদাতা
**নগাঁও, ৩০ জানুৱাৰী ঃ** 'অসমৰ ৰাইজে কংগ্ৰেছ দলক ইতিমধ্যে বাই বাই দিছে। কংগ্ৰেছ দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই যি কবিতা লিখিবলৈ আৰম্ভ কৰিছে, এতিয়া তেওঁৰ বহু সময় হাতত আছে। মই অসম সাহিত্য সভাৰ কাণ্ডাৰীসকলক অনুৰোধ জনাম যাতে ভূপেন বৰাক অসম সাহিত্য সভাই সদস্য পদ দি সাহিত্য সৃষ্টিৰ সুবিধা দিয়ে।' এই মন্তব্য বিজেপিৰ সভাপতি ভৱেশ কলিতাৰ। আজি নগাঁও চহৰস্থিত নগাঁও প্ৰেক্ষাগৃহত অনুষ্ঠিত বিজেপি দলৰ নগাঁও আৰু মৰিগাঁও জিলাৰ বিশেষ সাংগঠনিক সভাত অংশগ্ৰহণ কৰিবলৈ আহি তেওঁ কয়, 'আগন্তুক পৌৰসভা নিৰ্বাচনৰ বাবে বিজেপি দল সম্পূৰ্ণৰূপে সাজু। আজি নগাঁও জিলাৰ নগাঁও পৌৰসভা, কামপুৰ, ধিং আৰু ৰহা ছয় পৃষ্ঠাত চাওক

# বৰপেটাত চুলাই জব্দ, ধৃত পাঁচ

বিশেষ সংবাদদাতা
**বৰপেটা, ৩০ জানুৱাৰী ঃ** আবকাৰী বিভাগৰ বৰপেটা আৰু পাঠশালাৰ বিষয়া-কৰ্মচাৰীয়ে চলোৱা সুকীয়া সুকীয়া অভিযানত কালি এশ লিটাৰ চুলাই জব্দ কৰে। তদুপৰি অভিযানকাৰী দলটোৱে ১০৫ কেজি সুৰা উৎপাদনত ব্যৱহৃত কেঁচা সামগ্ৰী জব্দ কৰে। বৰপেটা আবকাৰী চক্ৰৰ তৰফৰ পৰা তাৰাবাৰী থানাৰ অন্তৰ্গত বাটগাঁও আৰু সৰ্থেবাৰী থানাৰ অন্তৰ্গত মাজদিয়া আৰু বৰপেটা ৰোড আবকাৰী চক্ৰৰ অন্তৰ্গত বৰপেটা ৰোডৰ ৰেলৱে লাইন আৰু শংকৰদেৱ পথত তালাচী অভিযান চলাই পাঁচজন লোকক গ্ৰেপ্তাৰ কৰাৰ লগতে ৬০ লিটাৰ চুলাই নষ্ট কৰে। ইফালে, পাটাছাৰকুছি আবকাৰী চক্ৰৰ তৰফৰ পৰা অকয়া, নিত্যানন্দ আৰু বিলপাৰত চলোৱা অভিযানত ৪০ লিটাৰ চুলাই জব্দ কৰাৰ লগতে ৮০ কেজি ফাৰমেণ্টেদ ৱাছ জব্দ কৰি নষ্ট কৰে।

**কাজিৰঙাত গঁড় হত্যাত জড়িত থকাৰ অভিযোগ**

# বিশ্বনাথত গুলিবিদ্ধ চোৰাং চিকাৰী দিলোৱাৰ হুছেইন




অগ্ৰদূত বাৰ্তা
**বিশ্বনাথ চাৰিআলি, ৩০ জানুৱাৰী ঃ** বিশ্বনাথত যোৱা নিশা কুখ্যাত চোৰাং চিকাৰী আৰক্ষীৰ গুলিত গুলিবিদ্ধ হয়। বিশ্বনাথ আৰক্ষীৰ গুলিত গুলিবিদ্ধ চোৰাং চিকাৰীজন দিলোৱাৰ হুছেইন। প্ৰাপ্ত তথ্য মতে, কিছুদিন পূৰ্বে বিশ্বনাথঘাটত উদ্ধাৰ হৈছিল এটা মৃতদেহ। মৃতদেহটোৰ লগতে উদ্ধাৰ হৈছিল কে'বাজাই সজীৱ গুলি। সন্দেহ কৰা মতে কে'বাজনো সন্দেহজনক চোৰাং চিকাৰী ব্ৰহ্মপুত্ৰ নদী পাৰ হৈ গঁড় চিকাৰৰ উদ্দেশ্যে কাজিৰঙাত প্ৰৱেশ কৰিবলৈ লোৱাৰ সময়তে নদীত পৰি মৃত্যু হৈছিল উক্ত লোকজনৰ। সেই ঘটনাৰ পাছতে বাকীসকল সদস্যক বিশ্বনাথৰ বলোডোঙাৰ দিলোৱাৰ হুছেইনে নিজৰ গাড়ীত উঠাই নিৰাপদ স্থানলৈ লৈ যোৱাত সহায় কৰিছিল বুলি এক বিশ্বস্ত সূত্ৰই সদৰী কৰে আৰক্ষীক। ইয়াৰ পাছতে বিশ্বনাথ আৰক্ষীয়ে দিলোৱাৰৰ সন্ধানত আৰম্ভ কৰিছিল অভিযান। আৰক্ষীৰ অভিযানৰ ভয়ত দিলোৱাৰে অৰুণাচল প্ৰদেশলৈ পলাই যোৱা বুলি সূত্ৰটোৱে প্ৰকাশ কৰাৰ লগতে যোৱা ২৮ জানুৱাৰীত দিলোৱাৰক জোনাইত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল। ইয়াৰ পাছতে কালি বিশ্বনাথ আৰক্ষীয়ে দিলোৱাৰক বিশ্বনাথলৈ আনে আৰু নিশাৰ ভাগত চোৰাং চিকাৰীৰ সন্দেহজনক ঘাটিসমূহ দেখুৱাবলৈ দিলোৱাৰক গাড়ীত উঠাই লৈ যায়। কিন্তু চোৰাং চিকাৰত জড়িত লোকজনসহ বিশ্বনাথ সদৰ আৰক্ষীৰ অভিযানকাৰী দলটোৱে বিশ্বনাথঘাটত উপস্থিত হোৱাৰ সময়তে আৰক্ষীৰ গাড়ীৰ পৰা পলাবলৈ চেষ্টা কৰে। প্ৰথম অৱস্থাত বিশ্বনাথ আৰক্ষীয়ে দিলোৱাৰক নপলাবলৈ সাৱধানবাণী দিয়ে যদিও আন্ধাৰৰ সুযোগ লৈ পলাবলৈ চেষ্টা কৰাত নিৰুপায় হৈ আৰক্ষীয়ে দিলোৱাৰলৈ লক্ষ্য কৰি গুলিচালনা কৰে বুলি আৰক্ষীয়ে সদৰী কৰিছে। আৰক্ষীৰ গুলিত ভৰিত গুলি লগা দিলোৱাৰক ছয় পৃষ্ঠাত চাওক

# আজাৰাত ডাম্পাৰ-ট্ৰাকৰ মুখামুখি সংঘৰ্ষত নিহত এক

অগ্ৰদূত বাৰ্তা
**আজাৰা, ৩০ জানুৱাৰী ঃ** আজাৰা আৰক্ষী থানাৰ অন্তৰ্গত এয়াৰ ফোৰ্চ গেটত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথত আজি নিচেই পুৱাতে সংঘটিত এক পথ দুৰ্ঘটনাত এজন থিতাতে নিহত হোৱাৰ উপৰি আন দুজন আহত হয়। নিহত লোকজন ছয়গাঁও অঞ্চলৰ ধনঞ্জয় ৰাভা (৪৫) আৰু আহত দুজন ক্ৰমে ছয়গাঁৱৰে ফুলেশ্বৰ দাস (৪৩) আৰু ৰমানন্দ দাস (৪০)। আৰক্ষী সূত্ৰই সদৰী কৰা মতে, পুৱা ৬-১৫ বজাত মিৰ্জাৰ পৰা তীব্ৰ বেগে আহি থকা বালি ভৰ্তি এএছ-২৫ইচি-৯৩৪৯ নম্বৰ ডাম্পাৰখনে গুৱাহাটীৰ পৰা গৈ থকা এএছ-ইচি-৪১৬২ নম্বৰৰ ৯০৯ ট্ৰাকখনৰ মুখামুখী সংঘৰ্ষ হয়। এক বিকট শব্দত সমগ্ৰ অঞ্চলটো কঁপি উঠে। নিচেই পুৱাই এনে এক ছয় পৃষ্ঠাত চাওক

# ডিগবৈ শোধনাগাৰৰ বাৰেপাচি ভুলেৰে বিজ্ঞাপন

**ডিগবৈ, ৩০ জানুৱাৰী ঃ** শতবৰ্ষ গৰকা ডিগবৈ শোধনাগাৰ কৰ্তৃপক্ষৰ চৰম অকৰ্মণ্যতাৰ পৰিচয় দাঙি ধৰিলে অসমীয়া ভাষাত প্ৰকাশ পোৱা এখন বিজ্ঞাপনে। ৰাজ্যৰ ভিন্ন প্ৰান্তত এচাম অসমীয়া বিৰোধী লোকে অসমীয়া ভাষাক হেয় প্ৰতিপন্ন কৰিবলৈ অহৰহ চেষ্টা অব্যাহত ৰখাৰ সময়তে ডিগবৈ তৈল শোধনাগাৰে অসমীয়া ভাষাৰ শ্ৰাদ্ধ পতাক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উল্লেখ্য যে ডিগবৈ তৈল শোধনাগাৰে ছয় পৃষ্ঠাত চাওক



# জুৰীয়া আৰক্ষীয়ে উদ্ধাৰ কৰিলে অপহৃতা কিশোৰীক ঃ গ্ৰেপ্তাৰ তিনি অভিযুক্ত



অগ্ৰদূত বাৰ্তা
**জুৰীয়া, ৩০ জানুৱাৰী ঃ** নগাঁও জিলাৰ জুৰীয়া আৰক্ষী থানাৰ অন্তৰ্গত ক'লনি জলাহ গাঁৱৰ পৰা কিছুদিন পূৰ্বে অপহৃত এগৰাকী কিশোৰীক আজি জুৰীয়া আৰক্ষীয়ে উদ্ধাৰৰ লগতে অপহৰণত জড়িত তিনিজন লোকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ হোৱা লোককেইজন ক্ৰমে দিলোৱাৰ হুছেইন, হুছেইন আলী আৰু দুলাল মিঞা। উল্লেখ্য যে জুৰীয়াৰ ক'লনি জলাহৰ পৰা কিছুদিন পূৰ্বে এগৰাকী ১৩ বছৰীয়া স্কুলীয়া ছাত্ৰীক অপহৰণ কৰি প্ৰথমে হোজাইলৈ লৈ যায় অপহৰণকাৰীৰ দলটোৱে। অপহৰণকাৰীৰ দলটোৱে কিশোৰীগৰাকীক দলবদ্ধভাৱে ধৰ্ষণ কৰা বুলি অভিযোগ উত্থাপিত হৈছে। আৰক্ষীৰ জালত পৰাৰ ভয়ত অপহৰণকাৰী দলটোৱে সঘনাই ঠাই সলনি কৰি আহিছিল। ছয় পৃষ্ঠাত চাওক

■ বহিঃৰাজ্যত ৰহস্যজনক মৃত্যু

বাগ্‌সাৰ বায়ু সেনা বাহিনীৰ জোৱানৰ

# উত্তৰ প্ৰদেশত কৰ্মৰত শালবাৰীৰ জোৱানৰ চিপ লোৱা মৃতদেহ উদ্ধাৰ



অগ্ৰদূত বাৰ্তা
**শালবাৰী, ৩০ জানুৱাৰী ঃ** বহিঃৰাজ্যত অসমৰ জোৱানৰ ৰহস্যজনক মৃত্যুক লৈ বাগ্‌সা জিলাৰ শালবাৰীত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। উত্তৰ প্ৰদেশত ৰহস্যজনক অৱস্থাত মৃত্যু হোৱা বায়ু সেনাবাহিনীৰ জোৱানজন বাগ্‌সাৰ শালবাৰীৰ শিমলা আৰক্ষী থানাৰ অন্তৰ্গত ভুলকামুৰীৰ পংকজ দাস (৩২)। পৰিয়ালৰ লোকে সদৰী কৰা মতে, ২০১০ৰ নৱেম্বৰত বায়ু সেনাবাহিনীৰ চাকৰিত ছয় পৃষ্ঠাত চাওক

# গো-সুৰক্ষা বাহিনীৰ কেন্দ্ৰীয় সম্পাদকক ন্যায়িক জিম্মালৈ

**কয়লাৰ গাড়ীৰ পৰা ধন দাবীৰ অভিযোগ**

অগ্ৰদূত বাৰ্তা,
**হোজাই/যমুনামুখ, ৩০ জানুৱাৰী ঃ** হোজাইৰ নীলবাগানত কয়লাৰ ট্ৰাকৰ পৰা ধন দাবী কৰি গ্ৰেপ্তাৰ হোৱা এজন বিজেপি কৰ্মীক আজি ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হয়। হোজাইৰ মোৱাঝাৰ আৰক্ষীয়ে ধৃত বিজেপি কৰ্মীজনক আজি জিলা সদৰ শংকৰদেৱনগৰ ন্যায়িক আদালতত হাজিৰ কৰাৰ পাছত আদালতে অসম গো-সুৰক্ষা বাহিনীৰ কেন্দ্ৰীয় সম্পাদক ইক্ৰামুল হুছেইন পাটোৱাৰীক জেললৈ প্ৰেৰণ কৰে। উল্লেখ্য যে কালি হোজাইৰ নীলবাগানৰ এটা পেট্ৰ'ল ডিপ'ত ৰখাই থোৱা অৱস্থাত থকা এনএল-০১ এবি-১৫০৩ নম্বৰৰ ট্ৰাকখনত তালাচী চলাইছিল ডবকা নিবাসী ইক্ৰামুলে। অভিযোগ অনুসৰি, ট্ৰাকখনৰ স্বত্বাধিকাৰীৰ পৰা ডেৰ লাখ টকা দাবী কৰিছিল অভিযুক্ত ইক্ৰামুল আৰু তেওঁৰ লগত অহা ১০জনীয়া এটা দলে। সেই ধন নিদিয়াত ৰখাই ছয় পৃষ্ঠাত চাওক

**আৰক্ষী-বন বিভাগৰ যুটীয়া অভিযানত অবৈধ কাঠফলা কল উৎখাত**

# বেলশিৰিত চোৰাং কাঠ জব্দ



অগ্ৰদূত বাৰ্তা
**তেজপুৰ, ৩০ জানুৱাৰী ঃ** শোণিতপুৰৰ ঢেকিয়াজুলিৰ অসম-অৰুণাচল সীমান্তৱৰ্তী বেলশিৰি নৈৰ পাৰত কালি বিয়লি আৰক্ষী আৰু বন বিভাগে অভিযান চলাই বৃহৎ পৰিমাণৰ চোৰাং কাঠসহ কাঠফলা মিল আদি জব্দ কৰে। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি, ঢেকিয়াজুলি আৰু ঠেলামাৰা থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াই ঢেকিয়াজুলিৰ বন কৰ্মচাৰীৰ সহযোগত বেলশিৰি নৈৰ সমীপৰ বেষ্টিমাৰিত যুটীয়াভাৱে অভিযান চলায়। এই অভিযানত অঞ্চলটোত থকা পাম্পছেটযুক্ত এটা অবৈধ কাঠফলা কলসহ বৃহৎ পৰিমাণৰ চোৰাং কাঠ জব্দ কৰিবলৈ সক্ষম হয়। ইয়াৰ উপৰি অভিযানকাৰী দলটোৱে এএছ-১৩বিচি-৪২১২ নম্বৰৰ চোৰাং কাঠভৰ্তি এখন মেজিকো জব্দ কৰে। পাছত জব্দকৃত চোৰাং কাঠ আৰু মেজিকখনৰ লগতে ছয় পৃষ্ঠাত চাওক

# ৰঙিয়াত দুৰ্বৃত্তৰ কবলত পৰি সৰ্বস্বান্ত তিনি ব্যৱসায়ী


**নিশা ব্যৱসায় সামৰি অহাৰ পথত দুৰ্বৃত্তই লুটিলে ধন**

অগ্ৰদূত বাৰ্তা
**ৰঙিয়া, ৩০ জানুৱাৰী ঃ** অপৰাধীৰ ৰম্যভূমিত পৰিণত হৈছে ৰঙিয়া চহৰ। ধন লুট, সোণৰ চেইন কাঢ়ি নিয়া আদি যেন এক নিত্য-নৈমিত্তিক ঘটনাত পৰিণত হৈছে। ৰঙিয়া ষ্টেট বেংকসহ বিভিন্ন বেংকৰ সন্মুখ দুষ্কৃতিকাৰীসকলৰ আড্ডাস্থলীত পৰিণত হৈছে। ফলত বেংকৰ পৰা কোনোবা গ্ৰাহকে টকা উলিওৱাৰ সম্ভেদ পালেই আধা বাটৰ পৰা ধন লুট কৰাৰ কে'বাটাও ঘটনা সংঘটিত হোৱা সত্বেও আৰক্ষীয়ে দুষ্কৃতিকাৰীৰ দলটোক আটক কৰা দূৰৰে কথা শুংসূত্ৰই উদ্ধাৰ কৰিব পৰা নাই। যোৱা নিশাও দুৰ্বৃত্তৰ কবলত পৰি ৰঙিয়া তিনিআলিৰ তিনিজন ব্যৱসায়ী সৰ্বস্বান্ত হোৱাৰ তথ্য পোহৰলৈ আহিছে। ব্যৱসায়ী তিনিজনৰ ছয় পৃষ্ঠাত চাওক

**এনআৰএলৰ প্ৰস্তাৱিত মাৰ্কেটিং টাৰ্মিনেলৰ বিৰুদ্ধে কৃষকৰ গৰ্জন**

# পছৰীয়াত কৃষকৰ আত্মজাহৰ হুংকাৰ

অগ্ৰদূত বাৰ্তা
**শুৱালকুছি, ৩০ জানুৱাৰী ঃ** কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ ৰাজহুৱা খণ্ডৰ বৃহৎ কোম্পানী নুমলীগড় শোধনাগাৰে অসম চৰকাৰৰ প্ৰত্যক্ষ সহযোগত কামৰূপ জিলাৰ শিঙিমাৰী, পছৰীয়া, আলিকাষ, বামুণবড়ী, ন-পাৰাৰ কৃষি পথাৰত প্ৰস্তাৱিত মাৰ্কেটিং টাৰ্মিনেলৰ বিৰুদ্ধে গৰজি উঠিল কৃষক ৰাইজ। যি কোনো কাৰণতে মাটি এৰি নিদিয়ে কৃষক ৰাইজে। প্ৰয়োজনত মুখ্যমন্ত্ৰীৰ বাসগৃহৰ সন্মুখত একেলগে আত্মজাহ দিব ক্ষতিগ্ৰস্ত কৃষকে তথাপি এচিকুট মাটি এৰি নিদিয়ে। আজি শিঙিমাৰী গৰীয়াপাৰা, ন-পাৰা, পছৰীয়া ৰাজহ গাঁৱৰ ১১৬৩ জন পট্টাদাৰে ৪৫০বিঘা কৃষিভূমি এনআৰএলক হস্তান্তৰ কৰাৰ প্ৰতিবাদত ৰাইজমেল অনুষ্ঠিত কৰি 'বজ্ৰ নিদান' হুংকাৰ দিয়ে। আলিকাষ অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী তথা কটন বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক দিলমহম্মদ চৌধুৰীৰ পৌৰোহিত্যত অনুষ্ঠিত ৰাইজমেলত পূৰ্বপুৰুষৰ পৰা পোৱা খেতি মাটি কোনো কাৰণতে এৰি দিয়া নহ'ব বুলি হুংকাৰ দিয়ে ৰাইজে। দৰকাৰ হ'লে বুকুত গুলি পাতি ল'ম। তথাপিও মাটি নিদিওঁ বুলি সকীয়াই দিয়ে। আনহাতে, ২০ বছৰে সমষ্টিটোক প্ৰতিনিধিত্ব কৰা স্থানীয় বিধায়ক তথা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সমষ্টিৰ কৃষকসকলক সুৰক্ষা দিয়াৰ বিপৰীতে এনআৰএলৰ পক্ষত থিয় দি কৃষকসকলৰ দুৰৱস্থাৰ কাৰক হোৱাটো লজ্জাজনক বুলি মন্তব্য কৰে বৰ্ষীয়ান কৃষক অমৃত কলিতাই। তেওঁ কয়, 'আমাৰ বিধায়কে আমাৰ দুৰ্দশাৰ কথা শুনিবই লাগিব অন্যথা তেওঁৰ দিশপুৰৰ বাসগৃহৰ সন্মুখত চাৰিগাঁৱৰ কৃষকে আত্মজাহ দিব।' শিঙিমাৰীৰ এজন কৃষক দিলীপ বৰ্মনে উক্ত পথাৰত তেওঁৰ তিনি ভায়েকৰ মাজত আঢ়ৈ কঠা মাটি আছে। এইখিনি মাটি কাঢ়ি নিলে তেওঁলোকৰ একোৱেই সম্বল নাথাকিব বুলি সভাত হুকহুকাই কান্দি উঠে। ইয়াৰ পূৰ্বেও মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰলোভনৰে শিঙিমাৰী শীতল ভৰনত তিনি বিঘা আঢ়ৈ কঠা মাটি কাঢ়ি নি আজিলৈকে ক্ষতিগ্ৰস্ত কৃষকসকলক এটি ফুটা কড়িও নিদিয়া বুলি মুখ্যমন্ত্ৰীৰ ৰাজহুৱাকৈ স্বৰূপ উদঙাই দিয়ে। সভাত ছাত্ৰ ছয় পৃষ্ঠাত চাওক



দৈনিক অগ্ৰদূত

গুৱাহাটী, সোমবাৰ ১৭ মাঘ ১৪২৮ ভাস্কৰাব্দ ৩১ জানুৱাৰী ২০২২



## নিৰ্বাচনী সমীক্ষা

**নিৰ্বাচন** আয়োগে পাঁচখন ৰাজ্যত অহা মাহত অনুষ্ঠিত হ'বলগীয়া বিধানসভাৰ নিৰ্বাচন পৰিপ্ৰেক্ষিতত অহা ১০ ফেব্ৰুৱাৰীৰ সাত বজাৰ পৰা সাত মাৰ্চৰ সন্ধিয়া ৬-৩০ বজালৈ সকলো ধৰণৰ নিৰ্বাচনোত্তৰ সমীক্ষা চলোৱা আৰু তাক প্ৰকাশ কৰা নিষিদ্ধ ঘোষণা কৰিছে। যোৱা ২৮ জানুৱাৰীত নিৰ্বাচন আয়োগ এই কথা ঘোষণা কৰি কৈছে যে নিৰ্বাচন আয়োগৰ এই নিৰ্দেশ ভংগ কৰাসকল দুবছৰৰ বাবে কাৰাবাস দণ্ড ভুগিবলগীয়া হ'ব পাৰে।

জনপ্ৰতিনিধিত্ব আইনৰ ১২৬ (ক) অনুচ্ছেদৰ অধীনত নিৰ্বাচন আয়োগে ঘোষণা কৰা নিৰ্বাচনী সমীক্ষা নিষিদ্ধকৰণে এনে ধৰণৰ সমীক্ষাই ভোটদাতাসকলক প্ৰভাৱান্বিত কৰা কাৰ্য প্ৰতিৰোধ কৰিব বুলি আশা কৰা হৈছে। উল্লেখ্য যে নিৰ্বাচন আয়োগে এনে ব্যৱস্থা কৰাৰ আগেয়ে বিভিন্ন প্ৰাৰ্থী তথা ৰাজনৈতিক দলসমূহে বিশেষ কোনো প্ৰাৰ্থী অথবা দলৰ জয় বা পৰাজয় অৱশ্যম্ভাৱী বুলি সমীক্ষা প্ৰকাশ কৰি ভোটদাতাসকলক প্ৰভাৱান্বিত কৰিছিল। এই দেশত যি প্ৰাৰ্থীৰ জয়ৰ সম্ভাৱনা অধিক তেনে প্ৰাৰ্থীক ভোট দিবলৈ সাধাৰণতে ভোটদাতাসকল অনুপ্ৰাণিত হয়।


উত্তৰ প্ৰদেশ, পঞ্জাৱ, উত্তৰাখণ্ড, গোৱা আৰু মণিপুৰ ৰাজ্যসমূহৰ বিধানসভাৰ নিৰ্বাচন অহা সাত ফেব্ৰুৱাৰীৰ পৰা ১০ মাৰ্চৰ ভিতৰত সাতোটা পৰ্যায়ত অনুষ্ঠিত হ'ব। বিগত উত্তৰ প্ৰদেশ বিধানসভা নিৰ্বাচন চলি থকা সময়ত আৰক্ষীয়ে হিন্দী সংবাদপত্ৰ জাগৰণৰ এটি ৱেবচাইট জাগৰণ ডট কমৰ সম্পাদকক প্ৰথম পৰ্যায়ৰ ভোট সম্পন্ন হোৱাৰ পাছত নিৰ্বাচনোত্তৰ সমীক্ষা প্ৰকাশ কৰাৰ বাবে গ্ৰেপ্তাৰ কৰিছিল। প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ হোৱাৰ পাছত এই ৱেবচাইটটোৱে ভোটগ্ৰহণ হোৱা আটাইকেইটা সমষ্টিতে বিজেপিয়ে জয়লাভ কৰিব বুলি সমীক্ষা প্ৰকাশ কৰিছিল। উল্লেখ কৰিব পাৰি যে যোৱা ২৩ জানুৱাৰীত সমাজবাদী পাৰ্টিয়ে নিৰ্বাচন আয়োগলৈ এক পত্ৰযোগে মতামতৰ ভোটৰ ফলাফলৰ সম্প্ৰচাৰ বন্ধ কৰাৰ বাবে নিৰ্দেশ জাৰি কৰিবলৈ আবেদন জনাইছিল। জনমত সমীক্ষাক সমাজবাদী পাৰ্টিৰ নেতা তথা উত্তৰ প্ৰদেশৰ ভূতপূৰ্ব মুখ্যমন্ত্ৰী অখিলেশ যাদৱে 'অ'পিয়াম পোল' অৰ্থাৎ ভাং খুৱাই গ্ৰহণ কৰা সমীক্ষা আখ্যা দিছিল।

আজি-কালি সংবাদ মাধ্যমৰ পৰিসৰ ডিজিটেল প্ৰযুক্তিৰ সম্প্ৰসাৰণৰ লগতে যথেষ্ট পৰিমাণে বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত এনে মাধ্যমৰ জৰিয়তে ভোটদাতাসকলক প্ৰভাৱান্বিত কৰাৰ বাবে বিভিন্ন প্ৰাৰ্থী আৰু ৰাজনৈতিক দলসমূহে প্ৰচেষ্টা চলায়। প্ৰেছ কাউন্সিল অৱ ইণ্ডিয়াই নিৰ্বাচনৰ সময়ত সংবাদ মাধ্যমে যাতে কোনো ৰাজনৈতিক দল বা প্ৰাৰ্থীৰ সপক্ষে বাতৰি প্ৰকাশ কৰা কাৰ্য নিৰীক্ষণ কৰি আহিছিল। এই নিৰীক্ষণৰ পাছত প্ৰেছ কাউন্সিল অৱ ইণ্ডিয়াই এই ধনৰ বিনিময়ত প্ৰকাশ কৰা বাতৰিক 'পেইড নিউজ' আখ্যা দিছিল আৰু নিৰ্বাচনৰ সময়ত কোনো প্ৰাৰ্থী বা ৰাজনৈতিক দলৰ সপক্ষে এনে 'পেইড নিউজ'ৰ প্ৰকাশ নিষিদ্ধ কৰিছিল। প্ৰেছ কাউন্সিল অৱ ইণ্ডিয়াই এই মৰ্মে নিৰ্বাচন আয়োগক ব্যৱস্থা ল'বলৈ অনুৰোধ কৰাৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচন আয়োগে নিৰ্বাচনৰ সময়ত সংবাদ মাধ্যমসমূহ নিৰীক্ষণৰ বাবে কমিটী গঠন কৰি দিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিছিল।

নিৰ্বাচন আয়োগ আৰু প্ৰেছ কাউন্সিল অৱ ইণ্ডিয়াৰ নিৰ্বাচন স্বচ্ছ আৰু নিকা কৰাৰ প্ৰচেষ্টাৰ পাছতো ভোটদাতাসকলক বিভ্ৰান্ত কৰাৰ প্ৰচেষ্টা চলি আহিছে। সেয়েহে এই ক্ষেত্ৰত জনসাধাৰণ সচেতন হোৱা উচিত আৰু এনেধৰণৰ প্ৰচাৰ চকুত পৰিলে নিৰ্বাচন আয়োগ তথা কৰ্তৃপক্ষক জনোৱা উচিত।

### খো লা ম ঞ্চ

## অসমীয়া ভাষাৰ অস্তিত্বৰ সংকট এতিয়াও আছেনে?



**ভাষা** মানুহৰ জন্মগত অধিকাৰ। প্ৰতিজন শিশুৱে এই অধিকাৰ মাতৃৰ পৰাই লাভ কৰে। শিশুৰ পৰা বৃদ্ধলৈকে নিজৰ ভাষাটো সলসলীয়াকৈ ক'বলৈ শিকে। নিজৰ ভাষাটোক লৈ সকলোৱে গৌৰৱ অনুভৱ কৰে। তথাপি প্ৰতিখন ৰাজ্যৰ জনসাধাৰণৰ বাবে একোটা চৰকাৰী ভাষা আছে। ভাৰতবৰ্ষৰ জনগাঁথনিৰ ওপৰত নিৰ্ভৰ কৰি প্ৰতিখন ৰাজ্যতে নিজ নিজ ভাষা প্ৰচলিত হৈ আহিছে। এই ভিন ভিন ভাষাৰ মাজৰ পৰা এটা নিৰ্দিষ্ট ভাষাকহে ৰাজ্য এখনত চৰকাৰী ভাষা হিচাপে স্বীকৃতি দিয়া হৈছে। এই ক্ষেত্ৰত অসম কিন্তু ব্যতিক্ৰম। অসমৰ জনগাঁথনিৰ ওপৰত নিৰ্ভৰ কৰি অসমীয়া ভাষাটো প্ৰচলন হৈ আহিছে যদিও অতীতৰ পৰা এই ভাষাটোৱে বিভিন্ন সংকটৰ মাজেৰে বৰ্তমানৰ অৱস্থা পাইছে। আনকি অসমীয়া ভাষাটোক এটা চৰকাৰী ভাষাৰ মৰ্যাদা দিবলৈ অসমবাসীয়ে আন্দোলন কৰিবলগীয়া হৈছে। আন্দোলনত বহুত অসমীয়া ডেকা ল'ৰাই পুলিচৰ অত্যাচাৰত আহত হ'বলগীয়া হৈছে। ভাষা আন্দোলনত বহুতো ডেকা ল'ৰাই প্ৰশাসন যন্ত্ৰৰ অত্যাচাৰত পংগুত্ব জীৱন অতিবাহিত কৰিব লগা হৈছে। বহু দুখ, কষ্ট, সংকটৰ মাজেৰে হ'লেও এটা সময়ত অসমীয়া ভাষাই চৰকাৰী ভাষা হিচাপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। এতিয়াও অসমীয়া ভাষা সংকট মুক্ত বুলি ক'ব নোৱাৰি। চাওঁতে চাওঁতে অসমীয়া ভাষা সংকটৰ গৰাহলৈ সোমায় যোৱাটোৱে পৰিলক্ষিত হৈছে। বহিৰাগতৰ আগ্ৰাসনে এক ভাবুকিৰ সৃষ্টি কৰি আহিছে। পাকিস্তান বাংলাদেশৰ পৰা লাখে লাখে বিদেশী আহি ভূমি অধিকাৰ কৰাৰ উপৰি বনাঞ্চল, পাহাৰাঞ্চল, সত্ৰ নামঘৰ আদিৰ ভূমিও অবৈধ দখল কৰি অসমীয়া ভাষাৰ প্ৰতি এক ভাবুকিৰ সৃষ্টি কৰি আহিছে। বঙালী, হিন্দী ভাষীৰ আগ্ৰাসনে ভাষাটোৰ বাবে এক সংকট নমাই আনিছে। আনহাতে, অসমীয়া ভাষী লোকৰ মাজতে ভিন্ন জাতি উপজাতিক লৈ দল-সংগঠন সৃষ্টি হোৱা বাবে অসমীয়া ভাষাৰ ওপৰত গুৰুত্ব দিয়া লোকৰ সংখ্যা কমি আহিছে। অসমীয়াৰ আদৰৰ বিহু উৎসৱৰ উদ্যোক্তাসকলৰ মাজতো জাতি প্ৰেমৰ অভাৱ পৰিলক্ষিত হৈছে। চেনেহৰ বিহু উৎসৱ অনুষ্ঠানবোৰত শিল্পীসকলৰ মাজত অসমীয়া গীতৰ পৰিৱৰ্তে হিন্দী গীতৰ ওপৰত গুৰুত্ব দিয়া দেখা যায়। এনেদৰে চলি থাকিলে অসমীয়া ভাষাৰ অস্তিত্বৰ সংকট আহি পৰাটো স্বাভাৱিক কথা। বৰ্তমান অসমীয়া সমাজ, নৱ-প্ৰজন্ম সজাগ হ'বৰ হ'ল। সাহিত্য সভাই জাতিৰ অস্তিত্ব, ভাষাৰ অস্তিত্ব ৰক্ষাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা ল'ব লাগিব। দল-সংগঠনসমূহে ক্ষুদ্ৰ ক্ষুদ্ৰ স্বাৰ্থ ত্যাগ কৰি আগবাঢ়ি আহিব লাগিব, কৰ্মমুখী হ'ব লাগিব। তেতিয়াহে অসমীয়া ভাষাৰ অস্তিত্বৰ সংকট সঁচাকৈয়ে নাথাকিব।

**মনমোহন চৌধুৰী, লেখক**

ফোন: ৭০০২১৩১৫৪৩

**অৰ্থনীতিত পুনৰুজ্জীৱিত কৰিবলৈ আমেৰিকাৰ দৰে কিন্সীয় বহুগুণিক তত্ত্ব গ্ৰহণ কৰিব লাগিব**

# বাজেটে জনসাধাৰণৰ জীৱন-জীৱিকাৰ পথ সৃষ্টি কৰিবনে?

**দৃষ্টিপাত**



**অনন্ত কলিতা**

**যোৱা** দুবছৰ ধৰি ভাৰতৰ অৰ্থনীতি গভীৰ সংকটত নিমজ্জিত হৈ আছে। ভাৰতৰ তুলনাত বিশ্বৰ বহু দেশেই কৰ'নাত অধিকভাৱেই আক্ৰান্ত হ'লেও ভাৰত অৰ্থনৈতিক ক্ষেত্ৰত অধিক সংকটাপন্ন হৈছে। নতুন কৰ্মসংস্থান সৃষ্টি দূৰৰ কথা ১৫ কোটি ক'ভিডত কাম হেৰুওৱা শ্ৰমিক-কৰ্মচাৰীক পুনৰাই কামত ঘূৰায়ে আনিব পৰা নাই। অৰ্থনীতিৰ এই পটভূমিত অহা এক ফেব্ৰুৱাৰীত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে কেন্দ্ৰীয় চৰকাৰৰ ২০২২-২৩ বিত্তীয় বৰ্ষৰ বাজেটখন সংসদত দাখিল কৰিব। বিভিন্ন অৰ্থনীতিবিদ আৰু বিভিন্ন মহলে বাজেটৰ ক্ষেত্ৰত বহু পৰামৰ্শ আগবঢ়াইছে আৰু আশংকা প্ৰকাশ কৰিছে যে আগন্তুক বাজেটে দেশৰ অৰ্থনীতি সংকট তথা জনসাধাৰণ দুখ-দুৰ্দশাৰ ক্ষেত্ৰত ৰেহাই দিব পাৰিবনে? ২০২১-২২ বিত্তীয় বৰ্ষৰ বাজেটত ঘোষণা কৰিছিল ভাৰতৰ অৰ্থনীতিৰ মৌলিক ভেঁটি শক্তিশালী আৰু মহামাৰীয়ে সৃষ্টি কৰা সংকটক পৰাভূত কৰিব পাৰিছে। বাজেটখনত অনেক অতিৰঞ্জিত তথ্যৰে সমৃদ্ধ কৰিছিল আৰু জনসাধাৰণৰ জীৱন-জীৱিকাৰ পথ সৃষ্টিৰ বিপৰীতে বৃহৎ পুঁজিপতিসকলক বিভিন্ন উপায়ে তথা কাৰ্যসূচীৰে উপকৃত কৰাৰহে লক্ষ্য লৈছিল। কেন্দ্ৰীয় চৰকাৰে গৌৰৱ কৰিছে যে দেশৰ অৰ্থনীতি বিকাশ অৰ্থাৎ জি-ডি-পি ২০২১-২২ বিত্তীয় বৰ্ষত ৯.২ শতাংশ হাৰত হ'ব। পৰিসংখ্যা বিভাগেও ঘোষণা কৰিছে যে ৯.২ শতাংশ হাৰত হোৱাৰ সম্ভাৱনাই প্ৰতিফলিত হৈছে। দেশৰ উক্ত বিকশিত অৰ্থনীতিয়ে কিন্তু জনসাধাৰণক স্পৰ্শই কৰিব পৰা নাই। দেশৰ বিকশিত অৰ্থনীতিয়ে যিখিনি সম্পদ সৃষ্টি কৰিছে সকলোখিনিয়ে বৃহৎ পুঁজিপতিসকলে হস্তগত কৰিছে। অতি সম্প্ৰতি প্ৰকাশিত অক্সফামৰ প্ৰতিবেদনে এই সত্যটো উদঙাই দিছে যে দেশৰ ৮৪ শতাংশ পৰিয়ালৰ আয় হ্ৰাস হৈছে, বিপৰীতে দেশৰ বিলিয়নাৰৰ সংখ্যা (এশ কোটি ডলাৰৰ সম্পত্তিৰ ওপৰত) ১০২ জনৰ পৰা ১৪২ লৈ বৃদ্ধি হৈছে। বিশ্ব অৰ্থনৈতিক ফ'ৰামৰ বৈঠকৰ পটভূমিত অক্সফামে দাখিল কৰা 'Inequality kills' শিৰোনামৰ প্ৰতিবেদনখনত উদ্বেগজনকভাৱে প্ৰকাশ কৰিছে যে ভাৰতৰ ১০০ জন ধনী লোকৰ সম্পদ ৫৭.৩ লাখ কোটিলৈ বৃদ্ধি হৈছে, বিপৰীতে তলৰ পৰ্যায়ৰ ৫০ শতাংশ লোকৰ ভাগত গৈছে দেশৰ মুঠ সম্পদৰ ছয় শতাংশহে মাত্ৰ। ক'ভিড মহামাৰীক মোকাবিলা কৰাৰ বাবে স্বাস্থ্যখণ্ডৰ উন্নতি ঘটাবলৈ অধিক ধনৰ প্ৰয়োজন, কিন্তু ২০২১-২২ বৰ্ষৰ বাজেটত ১০ শতাংশ আবণ্টন হ্ৰাস কৰিছিল। তদুপৰি শিক্ষাৰ বাজেটতো ছয় শতাংশ আবণ্টন হ্ৰাস কৰিছিল। ঠিক সেইদৰে হ্ৰাস কৰিছিল সামাজিক নিৰাপত্তাৰ ১.৫ শতাংশ। প্ৰতিবেদনখনত আৰু কৈছে যে মহামাৰীৰ সময়ছোৱাত অৰ্থাৎ ২০২০ৰ মাৰ্চৰ পৰা ২০২১ৰ নৱেম্বৰলৈ ভাৰতীয় বিলিয়নাৰসকলৰ সম্পদ ২৩.১৪ লাখ কোটি টকাৰ পৰা বৃদ্ধি হৈছে ৫৩.১৬ লাখ কোটি টকালৈ। আনফালে ৪.৬ কোটি ভাৰতীয় লোক চূড়ান্ত দাৰিদ্ৰতাৰ গ্ৰাসত সোমাই পৰিছে। ৰাষ্ট্ৰসংঘৰ মতে বিশ্বৰ মুঠ নতুন দৰিদ্ৰ লোকৰ আধা ভাৰতৰ অৰ্থনীতিয়ে সৃষ্টি কৰিছে। দেশৰ অৰ্থনীতিৰ বিকাশৰ উক্ত প্ৰতিচ্ছবিয়ে প্ৰতিফলিত কৰে যে দেশৰ অৰ্থনীতিৰ যিখিনি বিকাশ হৈছে ইয়াৰ সমস্তখিনিয়ে বৃহৎ পুঁজিপতিৰ ঘৰলৈ গৈছে আৰু দেশৰ অৰ্থনীতিৰ বিকাশৰ হাৰ বৃদ্ধিৰ কাৰণো বৃহৎ পুঁজিপতিসকলৰ সম্পদ বৃদ্ধি। দেশৰ জনসাধাৰণৰ আয় বা সম্পত্তি বৃদ্ধি হোৱা বাবে জি-ডি-পিৰ বিকাশ হোৱা নাই। জি-ডি-পিৰ বিকাশে দেশৰ জনসাধাৰণক স্পৰ্শই কৰা নাই, ৮৪ শতাংশ পৰিয়ালৰ আয় কমিছেহে আৰু তেওঁলোকৰ সম্পদো হ্ৰাস হৈছে।



দেশৰ অৰ্থনীতিৰ উক্ত পটভূমিত ২০২২-২৩ বিত্তীয় বৰ্ষৰ বাজেট দাখিল কৰিব বিত্তমন্ত্ৰী সীতাৰমণে অহা এক ফেব্ৰুৱাৰীত সংসদৰ অধিৱেশনত। অক্সফামৰ প্ৰতিবেদনখনত প্ৰকাশ পোৱা দেশৰ অৰ্থনৈতিকভাৱে সৰ্বস্বান্ত ৮৪ শতাংশ পৰিয়ালক সীতাৰমণৰ বাজেটে দৰিদ্ৰতাৰ গ্ৰাসৰ পৰা উদ্ধাৰ কৰিব পাৰিবনে? বৰ্তমান ভাৰতৰ অৰ্থনীতিৰ ডাঙৰ সমস্যা হ'ল বজাৰত উৎপাদিত সামগ্ৰীৰ চাহিদা মাৰাত্মকভাৱে নিম্নগামী হৈছে। দেশৰ জনসাধাৰণৰ ব্যক্তিগত ভোজন (Private Consumption)ৰ পৰিমাণ বৃদ্ধি হোৱাটো দূৰৰ কথা, মহামাৰীৰ আগৰ বছৰৰ অৰ্থাৎ ২০১৯ৰ পৰ্যায়লৈকেই অহা নাই। ইয়াৰ মুখ্য কাৰণ হ'ল অক্সফামৰ প্ৰতিবেদনত প্ৰতিফলিত হোৱা অনুযায়ী দেশৰ ৮৪ শতাংশ পৰিয়ালৰ আয় হ্ৰাস হৈছে, অৰ্থাৎ তেওঁলোকৰ ক্ৰয়ক্ষমতা নাই, এই পৰিয়ালৰ লোকসকলে খোৱা খাদ্যকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰীবোৰো ক্ৰয় কৰাৰ ক্ষমতা নাই। এই ৮৪ শতাংশ পৰিয়াল মুখ্যতঃ নিৰ্ভৰশীল দেশৰ অসংগঠিত অৰ্থনীতিৰ ওপৰত। বৃহৎ উদ্যোগবোৰে ক'ভিডৰ সংকটৰ পৰা উদ্ধাৰ হৈছে, কিন্তু দেশৰ অসংগঠিত খণ্ডৰ কোটি কোটি ক্ষুদ্ৰ-মজলীয়া উদ্যোগ, কুটিৰ উদ্যোগ, হস্তশিল্প, নিৰ্মাণ খণ্ড, পৰ্যটন, ভ্ৰমণ, অতিথি খণ্ডক (Hospitality) যোৱা দুয়োটা বিত্তীয় বৰ্ষৰ বাজেটে পুনৰুজ্জীৱিত কৰি তুলিব পৰা নাই। দেশৰ মুঠ কৰ্মশক্তিৰ ৯৪ শতাংশ অসংগঠিত খণ্ডৰ কৰ্মচাৰী। শ্ৰম মন্ত্ৰণালয়ৰ হিচাপ অনুযায়ী ৩৮৪ নিযুত শ্ৰমিক-কৰ্মচাৰী অসংগঠিত খণ্ডৰ কৰ্মৰ দ্বাৰা জীৱন-নিৰ্বাহ কৰে। মোদী চৰকাৰে যোৱা দুবছৰে প্ৰায় মুঠ ২৫ লাখ কোটি টকাৰ উদ্দীপক পেকেজ প্ৰৱৰ্তন কৰিলেও সেইবোৰ ঋণৰ পেকেজহে আছিল, ঋণ কেতিয়াও অনুদান হ'ব নোৱাৰে। ফলস্বৰূপে ক্ষুদ্ৰ ক্ষুদ্ৰ উদ্যোগ ব্যৱসায়বোৰ সংকটত নিমজ্জিত হৈয়ে আছে। আনকি হোটেল, বিমান কোম্পানীবোৰ, নিৰ্মাণ কোম্পানীবোৰ, যাত্ৰী পৰিবহণ কোম্পানীবোৰো গভীৰ সংকটত নিমজ্জিত হৈ আছে। মহামাৰীৰ বাবে খুচুৰা ব্যৱসায়বোৰ মাৰাত্মকভাৱে ক্ষতিগ্ৰস্ত হৈছে, বিপৰীতে অনলাইন বৃহৎ খুচুৰা ব্যৱসায়ীবোৰৰ হেজাৰগুণ ব্যৱসায় বৃদ্ধি হৈছে।

দেশৰ অৰ্থনীতিৰ উক্ত পটভূমিতে দেশৰ গৰিষ্ঠসংখ্যক মানুহৰ আয় কৰাৰ সুযোগ নোহোৱা হৈছে। লোকসকল কৰ্মহীন হৈ লঘোনে থকা অৱস্থা হোৱা বাবে পেটৰ দায়ত বহু লোক এম-জি-এন-আৰ-ই-জিএ আঁচনিৰ কাম কৰিবলৈ ওলাই আহিছে। খবৰমতে অভাৱগ্ৰস্ত হৈ বহু মধ্যবিত্ত পৰিয়ালৰ শিক্ষিত লোকেও কৰ্মসংস্থান নিশ্চয়তা আঁচনিৰ কাম কৰিবলৈ ওলাই আহিছে। তথ্য অনুযায়ী যোৱা বছৰ মে'-জুনত প্ৰতি মাহত ৬৪ কোটি কৰ্মদিনৰ বাবে শ্ৰমিকে ৰেগাত কাম কৰিছে, কিন্তু ক'ভিডৰ আগত অতিবেছি ৩২ কোটি কৰ্মদিন আছিল মাহে। ২০২১-২২ বিত্তীয় বছৰত এই গাঁৱলীয়া কৰ্মসংস্থান আঁচনিত আবণ্টন কৰিছিল মাত্ৰ ৭৩,০০০ কোটি টকা, কিন্তু ২০২০-২১ বিত্তীয় বৰ্ষত আবণ্টন কৰা ১,১১,৫০০ কোটি টকাতকৈ কম। যি কাৰণে কাম বিচৰা অনেক মানুহক কাম দিব পৰা নাই আৰু বহু ৰাজ্যতে ১০০ দিনৰ সলনি ৩০ বা ৪০ দিনৰ বাবেহে কাম দিছে। এই মহামাৰীৰ সময়ত আমেৰিকাৰ নিচিনা ধনী দেশৰ ৰাষ্ট্ৰপতি জ'বাইডেনে জনমূৰি ১,৪০০ ডলাৰ নগদ সাহায্য দিছিল। যোৱা ছেপ্টেম্বৰত সিদ্ধান্ত লৈছে তিনি লাখ কোটি ডলাৰ চৰকাৰী টকা খৰচ কৰিব বিভিন্ন কাৰ্যসূচীত। ফলস্বৰূপে আমেৰিকাত কৰ্মসংস্থান বৃদ্ধি হ'ব, নাগৰিকৰ ক্ৰয়ক্ষমতা বাঢ়িব, বজাৰ চাহিদা বৃদ্ধি হ'ব, তেতিয়া বজাৰ চাহিদা পূৰণ কৰিবলৈ বিভিন্ন উদ্যোগে উৎপাদন কৰিব। যিটো প্ৰক্ৰিয়াক অৰ্থনীতিত কিন্সীয় বহুগুণিতক তত্ত্ব বুলি কয়।

ভাৰতৰ অৰ্থনীতিত পুনৰুজ্জীৱিত কৰিবলৈ আমেৰিকাৰ দৰে কিন্সীয় বহুগুণিক তত্ত্ব অনুযায়ী কাৰ্যসূচী গ্ৰহণ কৰিব লাগিব। যোৱা ১৬ জানুৱাৰীত বিত্তমন্ত্ৰী সীতাৰমণে ২৫খন ৰাজ্যৰ দলীয় নেতা, বিজেপিৰ কেন্দ্ৰীয় অৰ্থনৈতিক গ্ৰুপৰ চাৰিজন নেতা আৰু বিজেপিৰ যুৱ মঞ্চৰ নেতাসকলৰ লগত প্ৰাক্ বাজেটৰ আলোচনা অনুষ্ঠিত কৰিছিল। এই বৈঠকখনত সঠিকভাৱেই দেশৰ অৰ্থনীতিৰ দুৰ্বলতাখিনি চিহ্নিত কৰিছে। ইয়াতে সৰ্বসন্মতিক্ৰমে অৰ্থনীতিৰ সাতটা দিশত গুৰুত্ব আৰোপ কৰিছে। অসংগঠিত খণ্ডৰ সংকট, অসংগঠিত খণ্ডত ঋণ, চাহিদা তথা ব্যক্তিগত ভোজন (Private Consumption) হ্ৰাসৰ সংকটক মোকাবিলা, মৌলিক ধাতুকে ধৰি কেঁচামালৰ মূল্য হ্ৰাসকৰণ, কৰসমূহ যুক্তিযুক্তকৰণ, পৰ্যটন, ভ্ৰমণ, অতিথিসেৱা (Tourism/Travel/Hospitality)কে ধৰি ক্ষতিগ্ৰস্ত হোৱা খণ্ডবোৰক সাহায্য দিয়া ইত্যাদি। বিত্তমন্ত্ৰী সীতাৰমণৰ বৈঠকখনত বাজেট সম্বন্ধে অভিমতত এইদৰে উল্লেখ কৰিছে, "The consensus was that the informal sector is in desperate need of support. India's economy is recovering from the pandemic but we still have challanges. The steep fall in credit growth for the informal sector has to be addressed. We need to also focus on revising consumption and demand. These are the party's internal mechanism to keep our policies continuously focussed on what people need the most." বিজেপিৰ অৰ্থনৈতিক বিষয়ৰ মুখপাত্ৰ গোপালকৃষ্ণ আগৰৱালাই আৰু কৈছে যে সকলো কেন্দ্ৰীয় কল্যাণমূলক আঁচনি অব্যাহত ৰাখিব আৰু এইবোৰ আঁচনিৰ দ্বাৰা নগদ টকাহে প্ৰদান কৰিব হিতাধিকাৰীক।

বিত্তমন্ত্ৰীৰ দলীয় বৈঠকত সঠিকভাৱেই অৰ্থনীতিৰ সংকটটো চিহ্নিত কৰিছে। আৰু কৈছে যে দেশৰ অৰ্থনীতি মহামাৰীৰ পৰা উদ্ধাৰ পাইছে, কিন্তু দেশৰ অৰ্থনীতি পুনৰুজ্জীৱিত হৈছে পুঁজিপতিসকলৰ বাবে দেশৰ জনসাধাৰণৰ কাৰণে নহয়, যিটো সত্য অক্সফামৰ প্ৰতিবেদনে উদঙাই দিছে। অসংগঠিত খণ্ডৰ সংকট আৰু চাহিদাৰ সংকটে আজি দেশৰ অৰ্থনীতিৰ সৰ্বনাশ মাতি আনিছে। এই কথাটো সীতাৰমণৰ দলীয় বৈঠকত সঠিকভাৱেই উল্লেখ কৰিছে; কিন্তু প্ৰশ্ন হ'ল চাহিদাৰ সংকট বা ভোগৰ সংকট, অসংগঠিত খণ্ডৰ সংকটক মোকাবিলা কৰিবলৈ বাজেটত কি কাৰ্যসূচী গ্ৰহণ কৰে সেইটোৰ ওপৰত নিৰ্ভৰ কৰিব জনসাধাৰণৰ স্বাৰ্থৰ হকে অৰ্থনৈতিক সংকটক আঁতৰ কৰাৰ। পেণ্ডেমিকৰ সময়তো প্ৰায় ২৫ লাখ কোটি টকাৰ পেকেজ ঘোষণা কৰিছিল। কিন্তু সেই টকা চৰকাৰী খৰচ নাছিল, বেংকৰ পৰা ঋণ লোৱা আঁচনিৰ টকাহে আছিল, মাত্ৰ দুই লাখ কোটিমান টকা ৰাজভঁৰালৰ পৰা খৰচ কৰিছিল, যি কাৰণে জনসাধাৰণ দুখ-দুৰ্দশা মোচন কৰাৰ বাবে অৰ্থনীতিৰ বিকাশ নহ'ল। পেকেজ ৰূপায়ণৰ পাছতো দেশৰ ৮৪ শতাংশ পৰিয়াল দৰিদ্ৰ অৱস্থালৈ গতি কৰিব লগা হ'ল। সেই ২৫ লাখ কোটিটকীয়া পেকেজে আম্বানী-আদানিৰ নিচিনা পুঁজিপতিকহে সহায় কৰিলে। গতিকে জনসাধাৰণক দৰিদ্ৰতাৰ পৰা মুক্ত কৰিবলৈ চৰকাৰী খৰচেৰে জনসাধাৰণে আয় কৰিব পৰা, জনসাধাৰণৰ হাতত পইচা যোৱা আঁচনি প্ৰৱৰ্তন কৰিব লাগিব। আমেৰিকাৰ নিচিনা দেশে জনসাধাৰণক ক্ৰয়ক্ষমতা বৃদ্ধি কৰিবলৈ তথা বজাৰ চাহিদা বৃদ্ধি কৰিবলৈ নব্যউদাৰ তত্ত্বৰ অৰ্থনীতিৰ বিপৰীতে কিন্সীয় তত্ত্বৰ অৰ্থনৈতিক কাৰ্য্যসূচীৰে তিনি লাখ কোটি ডলাৰ খৰচ কৰিব। ইউ এছ কংগ্ৰেছত ঘোষণা কৰিছে ধনীসকলৰ কৰ বৃদ্ধি কৰি উক্ত ধন সংগ্ৰহ কৰিব।

নিৰ্মলা সীতাৰমণৰ বাজেটতো আমেৰিকাৰ নিচিনা চৰকাৰী ধন খৰচ কৰি মূলধনী খণ্ডত অধিক ধন আবণ্টন কৰি খৰচ কৰিব লাগিব। বৰ্তমান ভাৰতত পুঁজিপতিৰ ওপৰত অধিক হাৰত কৰ বহুৱাই ৰাজহ আদায় নকৰে। যোৱা বিত্তীয় বছৰত অনেক ৰাজহ ৰেহাই দিয়া হৈছিল বৃহৎ পুঁজিপতিসকলক। অক্সফামৰ প্ৰতিবেদনখনতে কৈছে যে যোৱা চাৰি বছৰে মোদী চৰকাৰে পুঁজিপতিসকলক কৰ ৰেহাই দি অধিক হাৰত কৰ সংগ্ৰহ কৰিছে জনসাধাৰণৰ পৰা। পেট্ৰ'লিয়াম জাতীয় ইন্ধনত যোৱা বছৰতে অতিৰিক্ত কৰ আৰোপ কৰা বাবে ৩৩ শতাংশ ৰাজহ সংগ্ৰহ বৃদ্ধি হৈছে ২০২১-২২ বিত্তীয় বৰ্ষৰ প্ৰথম ছয় মাহত। প্ৰাক্ ক'ভিড পৰ্য্যায়তকৈ ৭৯ শতাংশ কৰ বৃদ্ধি হৈছে। জি-এছ-টিৰ পৰাও মাহে গড়ে ১.২০ লাখ কোটি সংগ্ৰহ হৈ আছে। জি-এছ-টি হ'ল পৰোক্ষ কৰ আৰু এই কৰ জনসাধাৰণৰ পৰা আদায় কৰে। এইবোৰৰ পৰা প্ৰতিফলিত হয় যে মোদী চৰকাৰে পুঁজিপতিসকলক কৰ ৰেহাই দি জনসাধাৰণৰ পৰাহে ৰাজহ সংগ্ৰহ কৰি আছে। বিপৰীতে আমেৰিকাৰ ৰাষ্ট্ৰপতি জ'বাইডেনে সিদ্ধান্ত লৈছে যে তিনি লাখ কোটি ডলাৰ উদ্দীপক পেকেজৰ ধন পুঁজিপতিৰ ওপৰত কৰ আৰোপ কৰি সংগ্ৰহ কৰিব। বিভিন্ন অৰ্থনীতিবিদে কৈছে যে ২০২২-২৩ বিত্তীয় বৰ্ষৰ বাজেটত ঘাটি বৃদ্ধি কৰি হ'লেও চৰকাৰী খৰচ বঢ়াওক, বিশেষকৈ মূলধনী খৰচ বঢ়াওক। আন্তঃগাঁথনি খণ্ডত খৰচ বঢ়াওক, যাতে তীখা, চিমেণ্ট আদি সামগ্ৰীৰ চাহিদা বৃদ্ধি হয়, যাতে এই উদ্যোগবোৰে বিনিয়োগ কৰি উৎপাদন আৰম্ভ কৰে, ফলস্বৰূপে বহুকোটি কৰ্মসংস্থান সৃষ্টি হয়। অৰ্থনীতিবিদসকলে আৰু কৈছে, ৰাষ্ট্ৰীয় পথ নিৰ্মাণত অধিক টকা খৰচ কৰক। তদুপৰি ক্ষুদ্ৰ-মজলীয়া কুটিৰ উদ্যোগত সাহায্য দিয়ক, এইবোৰৰ সামগ্ৰীৰ বজাৰৰ ব্যৱস্থা কৰক। গাঁৱলীয়া কৰ্মসংস্থান নিশ্চয়তা আঁচনিত অধিক ধন আবণ্টন দিয়ক আৰু চহৰতো এই আঁচনিৰ প্ৰৱৰ্তন কৰক। স্বাস্থ্য আৰু শিক্ষা খণ্ডত যোৱা বাজেটত আবণ্টন কৰ্তন কৰিছিল এই বছৰৰ বাজেটত অধিক ধন আবণ্টন কৰক। পুঁজিপতি, কৰ্প'ৰেট হাউছৰ ওপৰত অধিক হাৰত কৰ বহুৱাই অধিক ৰাজহ সংগ্ৰহ কৰক খৰচ বৃদ্ধি কৰাৰ বাবে। খৰচ বৃদ্ধি কৰিলে কৰ্মসংস্থান সৃষ্টি হ'ব দেশৰ জনসাধাৰণৰ হাতত পইচা যাব বজাৰ চাহিদা বৃদ্ধি পাব আৰু জনসাধাৰণৰ দুখ-দুৰ্দশা হ্ৰাস পাব। নিৰ্মলা সীতাৰমণৰ ২০২২-২৩ বিত্তীয় বৰ্ষৰ বাজেটত এই দিশত ধন আবণ্টন কৰি জনসাধাৰণৰ দুখ-দুৰ্দশাৰ ৰেহাইৰ লক্ষ্য ল'ব নে আগৰবোৰ বাজেটৰ নিচিনা পুঁজিপতিৰ স্বাৰ্থতে বাজেট ৰচনা কৰিব সেইটো এক ডাঙৰ প্ৰশ্ন। বাজেটখনে আয় হ্ৰাস হোৱা ৮৪ শতাংশ পৰিয়ালবোৰৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখিহে পুঁজি আবণ্টন কৰক আৰু এই পৰিয়ালবোৰে আয় কৰিব পৰা সুযোগ সৃষ্টি কৰক।

ফোন: ৯৪৩৫০৪১২০৩

# পূৰ্বপুৰুষক সোঁৱৰণৰ এক মহান পৰম্পৰা

## মে-ডাম-মেফি

**হেমচন্দ্ৰ পাঠক**

**অসমৰ** জাতীয় জীৱনৰ এক চহকী পৰম্পৰা হৈছে মে-ডাম-মে-ফি। আমাৰ বৰ্তমানৰ ভেঁটি গঢ়ি ভৱিষ্যতৰ পথ চিকুণাই যোৱা পূৰ্বপুৰুষসকলক কৃতজ্ঞতাৰে স্মৰণ কৰাই হৈছে যে মে-ডাম-মে-ফি পালনৰ মূল উদ্দেশ্য। আহোমসকলৰ পৰম্পৰা অনুসৰি প্ৰতিবছৰে ৩১ জানুৱাৰীত এই উৎসৱ পালন কৰা হয়। টাই আহোমসকলে এই পৰম্পৰাগত উৎসৱত পূৰ্বপুৰুষসকলক স্মৰণ কৰি সকলোৱে মংগল কামনা কৰে। ইয়াৰ জৰিয়তে পূৰ্বপুৰুষৰ স'তে অশাৰীৰিক যোগসূত্ৰ স্থাপন কৰি নিজৰ লগতে সমাজৰ মংগলৰ বাবে আশীৰ্বাদ (জন মিং)বিচৰা হয়। মে-ডাম-মে-ফিৰ অৰ্থ হৈছে মে-তৰ্পণ, ডাম-মৃতক আৰু ফি মানে হৈছে মৃতকৰ দেৱতা বা দেওঁ।

টাই আহোম ভাষাত 'খ্যেক লাই' ৰীতি অনুসৰি মে-ডাম-মে-ফি উদ্‌যাপন কৰা হয়। জনবিশ্বাস মতে স্বৰ্গদেউ চাওলুং ছ্যুকাফাই লগত লৈ অহা ম'-মুন-ম'-মাই দেওধাই নামৰ বুৰঞ্জী লেখকগৰাকীয়ে এই ৰীতি-নীতিসমূহ অসমত প্ৰচলন কৰিছিল।

পৰম্পৰা অনুসৰি সমূহে এঠাইত গোট খাই এখন আঠচুকীয়া অস্থায়ী দেওশাল (হ'-ফি) সাজে আৰু ইয়াতে আঠখন শৰাই (মেহেঙা) পাতি আহোমসকলৰ আদি পুৰুষ লেংডন দেৱতাকে মুখ্য কৰি আঠগৰাকী 'ফি'ক উপাসনা কৰে। এই পূজাত নিৰাকাৰ ঈশ্বৰ অথবা ফুৰা-তা-ৰা আলঙক প্ৰাৰ্থনা জনোৱাৰ লগতে সোণালী ড্ৰেগন বা ঙি ডাম খামৰ ছবি আঁকা পতাকা উৰুৱাই সমূহীয়া ভোজ দিয়া হয়। তিপামৰ বুঢ়া ডাঙৰীয়াৰ থানত এই পৰম্পৰা পোন প্ৰথমে আৰম্ভ হৈছিল বুলি কোৱা হয়। পণ্ডিতসকলে মে-ডাম-মে-ফিক প্ৰকৃততে খাওখাম (জলাধিপতি),আই লেং ডিন (পৃথিৱীৰ অধিপতি), লেংডন (স্বৰ্গাধিপতি), জনচাই হুং (সৰ্বাধিকৰ্তা), চিতচাম নাম (সপ্ত স্বৰ্গাধিপতি), মুট-কুম টাই-কুম (সূৰ্য-চন্দ্ৰৰ অধিপতি)আৰু জাছিংফা (সৰ্বজ্ঞান অধিকাৰী) দেৱতাৰ উপাসনা কৰা সামাজিক অনুষ্ঠান বুলিও মত প্ৰকাশ কৰিছে।



মে-ডাম-মে-ফিৰ ৰাজহুৱা আয়োজনৰ লগতে ঘৰুৱাভাৱেও অনুষ্ঠিত হয়। ঘৰুৱাভাৱে আয়োজিত এই উৎসৱত পাকঘৰৰ দক্ষিণ দিশৰ খুঁটা (ফ'কাম)ৰ দাঁতিক বাছনি কৰা হয়; য'ত পাঁচখন মাইহাং আগবঢ়াই উপৰি পুৰুষক উপাসনা কৰা হয়। টাই আহোমসকলৰ জনবিশ্বাসমতে মৃত্যুৰ পাছত পূৰ্ব পুৰুষসকলে 'ডাম ফি' অৰ্থাৎ দেৱতাৰ ৰূপত সপ্তম স্বৰ্গৰ কোনোবা এখনত বসবাস কৰে আৰু মৰ্ত্যত থকা নাতি-পুতি, জীয়ৰী-বোৱাৰীসকলৰ অভিভাৱকত্ব গ্ৰহণ কৰে। তেওঁলোকৰ আত্মাই গৃহদেৱতাৰ ৰূপত জীৱিতসকলক সুৰক্ষিত কৰি ৰাখে। মৃত্যুৰ পাছত পুনৰ জন্মৰ কথা টাই আহোমৰ লোক বিশ্বাসত নাই। মৃতকৰ আত্মাই কেইদিনমানহে ভ্ৰমি ফুৰে আৰু উত্তৰ পুৰুষৰ পূজা-উপাসনা লাভৰ পাছতেই সেই আত্মাৰ 'ফি' বা দেৱতাৰ শাৰীলৈ উন্নীত হয়। সেয়ে আহোমসকলে পূৰ্বে মৃতদেহ দাহ কৰাৰ পৰিৱৰ্তে মৈদাম দিছিল।

বিয়া-সবাহ, বিহু, খেতি চপাই ন-খাওঁতে উপৰি পুৰুষক শ্ৰদ্ধাৰে স্মৰণ কৰি উপাসনা কৰাটো এই জনগোষ্ঠীয় লোকসকলৰ এক পৰম্পৰা। মৃতকৰ জৰিয়তে দেৱ-দেৱতা আৰু ঈশ্বৰক প্ৰাৰ্থনা কৰা হয়। দেৱ-দেৱতাসকলক উপৰি পুৰুষৰ যোগেদিহে পাব পাৰি বুলি বিশ্বাস। মৃতকৰ পূজা দিয়াৰ উদ্দেশ্য সন্দৰ্ভত প্ৰচলিত এক লোক কথা এনেধৰণৰ— 'গৃহ-দেৱতাই ৰক্ষা নকৰিলে, ঘৰৰ বেৰ বা ছালখনে জীৱিতসকলক ৰক্ষা কৰিব নোৱাৰে।মৃতকে সুৰক্ষা দিলে সাপেও নোখোঁটে, বাঘেও নাখায় আনকি যমেও নিবলৈ ভয় কৰে। ঘৰুৱাভাৱে পতা এনে পূজাক মৃতকক দিয়া পূজা বুলি কোৱা হয়। এনে পূজাত মৃতকলৈ মাছ-মঙহেৰে ৰন্ধা ভাত, পায়স, মিঠাই আৰু সাজ আগবঢ়োৱা হয়। সাত ৰাজ মাৰি এক ৰাজ কৰা স্বৰ্গদেউ ছ্যুকাফাই অসমলৈ কৰা যাত্ৰা পথত ঈৰাৱতী নৈ পাৰ হৈয়েই মে-ডাম-মে-ফিৰ আয়োজন কৰিছিল বুলি জনা যায়।

এখন নতুন ৰাজ্য নিজৰ অধীনলৈ আনি সেই ৰাজ্যত সুশাসন প্ৰৱৰ্তনৰ নিমিত্তে পূৰ্বপুৰুষ লেংদনৰ লগতে অন্যান্য দেৱতাসকলৰ আশীৰ্বাদ পাবলৈ দৈ-ৰাও-ৰং পাৰ হৈ নামৰূপত বুঢ়ী দিহিঙৰ পাৰত পুনৰ মে-ডাম-মে-ফি পাতিছিল। ইয়াৰ পাছত চৰাইদেউৰ নামনিত লাং টেও কাটত আৰু চৰাইদেউত ৰাজধানী পতাৰ সময়তো উপৰি পুৰুষৰ আশীৰ্বাদ পাবলৈ মে-ডাম-মে-ফিৰ আয়োজন কৰিছিল। পৰৱৰ্তী কালত দিহিঙীয়া ৰজা (ছ্যু হুং মুং ১৪৯৭-১৫৩৯), খোৰাৰজা (চুখামফা), গড় গঞা ৰজা (চ্যু-ক্লে-মুং ১৫৩৯-১৫৫২), প্ৰতাপ সিংহ (চ্যু-চেংফা ১৬০৩-১৬৪১) ই বিভিন্ন সময়ত ক্ৰমে চুতীয়া কছাৰীসকলক পৰাজিত কৰি, কোচসকলৰ স'তে সন্ধি কৰি, কছাৰী আৰু মোগলক পৰাজিত কৰি এই উৎসৱৰ আয়োজন কৰাৰ কথা বুৰঞ্জীত পোৱা যায়। ইয়াৰ বিপৰীতে জয়ধ্বজ সিংহই হিন্দু ধৰ্মৰ প্ৰভাৱত এই উৎসৱ পতা নাছিল। যাৰ বাবে তেওঁ মিৰজুমলাৰ হাতত পৰাজিত হোৱা বুলি বিশ্বাস কৰিছিল। তেওঁৰ মৃত্যুৰ পাছত ভ্ৰাতৃ চক্ৰধ্বজ সিংহই সিংহাসনত আৰোহণ কৰিয়েই মন্ত্ৰী-পৰিষদৰ পৰামৰ্শ ক্ৰমে চৰাইদেউত মে-ডাম-মে-ফিৰ আয়োজন কৰি পূৰ্বপুৰুষৰ পূজা-অৰ্চনা কৰিছিল। ফলত শৰাইঘাটৰ যুদ্ধত মোগলক পৰাভূত কৰিবলৈ সক্ষম হয় বুলি বিশ্বাস কৰে। এইদৰেই ৰাজ পৃষ্ঠপোষকতাত মে-ডাম-মে-ফি আয়োজনৰ পৰম্পৰা প্ৰচলিত হয়।

এইবাৰ অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত ধেমাজি জিলা প্ৰশাসন আৰু হাবুং সংৰক্ষণ সমিতিৰ সহযোগত ঐতিহাসিক হাবুঙত কেন্দ্ৰীয়ভাৱে মে-ডাম-মে-ফিৰ আয়োজন কৰা হৈছে।

স্বৰ্গদেউ ছ্যুকাফাই পাটকাই পাৰ হৈ নানা ঘাত-প্ৰতিঘাত প্ৰতিহত কৰি, প্ৰতিৰোধ নেওচি সৌমাৰ পীঠত উপস্থিত হৈ সমন্বয়ৰ এখন সপোনৰ দেশ ৰচনাৰ পণ লৈছিল। এই উদ্দেশ্যেৰে মটকসকলৰ মুৰব্বী বৰৌছা আৰু বৰাহী ৰজা ঠাকুমথাৰ জীয়াৰীক বিয়া কৰাই প্ৰথমটো খোজ দিছিল। ৰাজধানী পতাৰ বাবে সুচল ঠাই বিচাৰি ১২৪০ খ্ৰীষ্টাব্দত হাবুং (বৰ্তমান ঢকুৱাখনা)ত খোপনি পুতিছিল।

অৱশ্যে খ্ৰীষ্টীয় দশম শতিকাত কামৰূপৰ অধীনত থকা এই অঞ্চলত ব্ৰাহ্মণসকলৰ বসতিৰ কথা পাল বংশৰ ৰজা ৰত্নপালে প্ৰদান কৰা তামৰ ফলিৰ পৰা জনা যায়। বাৰম্বাৰ হৈ থকা বান আদি প্ৰাকৃতিক দুৰ্যোগৰ প্ৰকোপত ছ্যুকাফাই কে'বাবছৰো হাবুঙত বসতি কৰাৰ পাছত ১২৫৩ ত চৰাইদেউলৈ গৈ তাতে আহোম সাম্ৰাজ্যৰ স্থায়ী ৰাজধানী পাতে।

আহোমসকলৰ পূৰ্বপুৰুষসকলক স্মৰণ কৰাৰ এই মহান পৰম্পৰাৰ জৰিয়তে আমি যুগে যুগে আমাৰ পূৰ্বজসকলৰ নিদান কাৰ্যসমূহ ভাবীকালৰ প্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ এক আদৰ্শ স্থাপন কৰিবলৈ সক্ষম হৈছো।

ফোন: ৭০৮৬৮৬৯০০৯



## পুনৰ হ্ৰাস দেশৰ দৈনিক ক'ভিড সংক্ৰমণ, মৃত্যু ৮৯৩ জনৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ৩০ জানুৱাৰী ঃ** দেশৰ ক'ভিড সংক্ৰমণৰ ৰেখাচিত্ৰ ক্ৰমে নিম্নমুখী হ'বলৈ ধৰিছে। বিগত তিনি দিনৰ দৰে দেওবাৰেও দেশত নতুনকৈ ক'ভিডত আক্ৰান্ত ৰোগীৰ সংখ্যা হ্ৰাস পালে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশত নতুনকৈ দুই লাখ ৩৪ হেজাৰ লোক ক'ভিডত সংক্ৰমিত হ'ল। যোৱা ২৪ ঘণ্টাত এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণে পুনৰ প্ৰাণ কাঢ়িলে দেশৰ ৮৯৩ জন লোকৰ। দৈনিক সংক্ৰমণ হ্ৰাস পালেও দেওবাৰে সংক্ৰমণৰ হাৰ ১৪.৫০ শতাংশলৈ বৃদ্ধি পায়।

## এইবাৰ হোৱাইট হাউছত স্থান লাভ বাইডেনৰ 'উইলো'ৰ




**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৩০ জানুৱাৰী ঃ** আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেন আৰু মাৰ্কিন ফাৰ্ষ্ট লেডী জিল বাইডেনে হোৱাইট হাউছলৈ এটি নতুন পোষ্য আনিলে। এই পোষ্যৰ নাম হৈছে 'উইলো'। পেঞ্চিলভেনিয়াৰ পৰা বাইডেন পৰিয়ালে তেওঁলোকৰ এই নতুন পৰিয়ালৰ সদস্যক হোৱাইট হাউছলৈ আনিলে। উইলো হৈছে এটা দুবছৰ বয়সীয়া মেকুৰী। উল্লেখ্য যে ২০২০ৰ নৱেম্বৰত বাইডেনৰ জয়লাভৰ পাছতে পত্নী জিলে সংবাদ মাধ্যমৰ আগত কৈছিল যে তেওঁলোকে হোৱাইট হাউছলৈ এটা মেকুৰী আনিব। অৱশ্যে বিশেষ কাৰণত এই পৰিকল্পনা জিলে পিছুৱাব লগা হৈছিল। অৱশেষত জানুৱাৰীতে হোৱাইট হাউছত প্ৰৱেশ কৰিলে উইলোৱে। স্মৰ্তব্য যে ২০০৯ বৰ্ষৰ পাছত এয়ে প্ৰথমবাৰ হোৱাইট হাউছত প্ৰৱেশ কৰিলে মেকুৰীয়ে। বাইডেনৰ পূৰ্বে জৰ্জ ডব্লিউ বুশ্বৰ আমোলত হোৱাইট হাউছত 'ইণ্ডিয়া' নামৰ এটা ক'লা ৰঙৰ মেকুৰী আছিল।

## জাপানৰ উদ্বেগ বৃদ্ধিৰে পুনৰ বেলিষ্টিক ক্ষেপণাস্ত্ৰ উৎক্ষেপণ উত্তৰ কোৰিয়াৰ



**নিউজ ব্যুৰ', ছিউল, ৩০ জানুৱাৰী ঃ** ৰাষ্ট্ৰসংঘ আৰু আমেৰিকাক কাৰ্যত প্ৰত্যাহ্বান জনাই পুনৰ বেলিষ্টিক ক্ষেপণাস্ত্ৰ উৎক্ষেপণ কৰিলে উত্তৰ কোৰিয়াই। কীম জং উনৰ সেনাই নিক্ষেপ কৰা এই ক্ষেপণাস্ত্ৰ জাপানৰ সমুদ্ৰত পৰে। উত্তৰ কোৰিয়াই পুনৰ বেলিষ্টিক ক্ষেপণাস্ত্ৰ পৰীক্ষণ কৰাত স্বাভাৱিকতে উদ্বেগ বৃদ্ধি পালে জাপানত। আজি দক্ষিণ কোৰিয়াৰ সেনা বাহিনীয়ে দেশৰ সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি দেওবাৰে জাপান সাগৰলৈ এটা বেলিষ্টিক ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰিছিল কীমৰ দেশখনে। দক্ষিণ কোৰিয়াৰ সেনা বাহিনীৰ দাবী অনুসৰি উত্তৰ কোৰিয়াৰ জাগাং প্ৰদেশৰ পৰা উক্ত ক্ষেপণাস্ত্ৰটো উৎক্ষেপণ কৰা হৈছিল।

## ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত পুনৰ প্ৰতিদ্বন্দ্বিতা কৰিব ট্ৰাম্পে



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৩০ জানুৱাৰী ঃ** আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ঘোষণা কৰি কয় যে যদি তেওঁ ২০২৪ৰ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰে আৰু জয়ী হয় তেন্তে তেওঁ কেপিটল হিলত সংঘটিত হোৱা হিংসাত্মক ঘটনাত জড়িত অভিযুক্তক ক্ষমা কৰি দিব। টেক্সাছত এক ৰেলীত অংশ লোৱাৰ সময়ত প্ৰাক্তন ৰাষ্ট্ৰপতিজনে স্পষ্টভাৱে কয় যে যদিহে তেওঁ ৰাষ্ট্ৰপতিৰ পৰৱৰ্তী নিৰ্বাচনত প্ৰাৰ্থী হিচাপে থিয় দিয়ে আৰু তেওঁ জয়লাভ কৰে তেন্তে কেপিটল হিলত হিংসাত্মক ঘটনা সংঘটিত কৰা সকলোকে প্ৰয়োজন হ'লে ক্ষমা কৰি দিব। এই মন্তব্যৰে ট্ৰাম্পে ২০২৪ৰ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত পুনৰ প্ৰতিদ্বন্দ্বিতাৰ ইংগিত দিলে। উল্লেখ্য যে ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত জ' বাইডেনৰ জয়ৰ পাছত ২০২১ৰ ছয় জানুৱাৰীত ট্ৰাম্পৰ সমৰ্থকে কেপিটল হিলত হিংসাত্মক ঘটনা সংঘটিত কৰিছিল। এই ঘটনাৰ পাছত সংঘৰ্ষৰ সৃষ্টিৰ অভিযোগত আমেৰিকাৰ ৫০ খন ৰাজ্যৰ পৰা কমেও ৭২৫ জন ব্যক্তিক গ্ৰেপ্তাৰ কৰা হৈছিল।



## ইটালীত অনুপ্ৰৱেশৰ অপচেষ্টা চলাই মাজ সমুদ্ৰত প্ৰাণ হেৰুৱালে সাত বাংলাদেশীয়ে

**নিউজ ব্যুৰ', ঢাকা, ৩০ জানুৱাৰী ঃ** পুনৰ অবৈধভাৱে ইটালীত প্ৰৱেশ কৰিবলৈ গৈ মাজ সমুদ্ৰত প্ৰবল শীতত প্ৰাণ হেৰুৱালে বাংলাদেশী নাগৰিকে। ইটালীলৈ অবৈধভাৱে মানৱ সৰবৰাহ কৰা উক্ত নৌকাত ২৮৭ জন যাত্ৰী আছিল। এইসকলৰ মাজত ২৭৪ জন বাংলাদেশী আৰু ১৪ জন ইজিপ্তৰ নাগৰিক আছিল। সমুদ্ৰৰে যাত্ৰা কৰাৰ সময়ত দীৰ্ঘ সময় ধৰি প্ৰচণ্ড শীতত থকাৰ ফলত হাইপ'থাৰ্মিয়াত সাতজন বাংলাদেশী নাগৰিকৰ মৃত্যু হয়।

### ক'ভিড প্ৰতিষেধক বাধ্যতামূলক আৰু তলাবন্ধ ঘোষণা কৰাৰ বিৰোধিতাৰে আন্দোলনত হেজাৰ হেজাৰ লোকৰ অংশ

# ৫০ হেজাৰ ট্ৰাক চালকে কৰিলে ঘৰ ঘেৰাও, পৰিয়ালসহ পলাল ট্ৰুডু

**নিউজ ব্যুৰ' অট'ৱা, ৩০ জানুৱাৰী ঃ** কানাডাত কৰ'নাৰ প্ৰতিষেধক বাধ্যতামূলক কৰাৰ বিৰুদ্ধে ব্যাপক প্ৰতিবাদ অব্যাহত আছে। প্ৰতিবাদকাৰীসকলে ৰাজধানী অট'ৱাত বিক্ষোভ প্ৰদৰ্শন কৰাৰ লগতে প্ৰায় ৫০ হেজাৰ ট্ৰাক চালকে কানাডাৰ প্ৰধানমন্ত্ৰী জাষ্টিন ট্ৰুডুৰ বাসগৃহ ঘেৰাও কৰে। অৱশ্যে ইয়াৰ পূৰ্বে পৰিয়ালসহ গোপন পথৰে বাসগৃহ ত্যাগ কৰি নিৰাপদ স্থানত আশ্ৰয় গ্ৰহণ কৰিলে প্ৰধানমন্ত্ৰী ট্ৰুডুৱে। 'ফ্ৰিডম কনভয়' নামৰে অব্যাহত থকা আন্দোলনত কানাডাত ক'ভিড প্ৰতিষেধক বাধ্যতামূলক আৰু তলাবন্ধ ঘোষণা কৰাৰ বিৰোধিতাৰে হেজাৰ হেজাৰ লোকে অংশ লৈছে। শনিবাৰে অট'ৱাত ৫০ হেজাৰ প্ৰতিবাদকাৰীয়ে প্ৰথমতে ৰাজপথত সমবেত হৈ পাছত প্ৰধানমন্ত্ৰীৰ বাসগৃহ ঘেৰাও কৰি প্ৰতিষেধক বাধ্যতামূলক আৰু তলাবন্ধৰ বিৰোধিতা কৰে।



একাংশ লোকে প্ৰধানমন্ত্ৰীক লৈ অশ্লীল শ্ল'গানো দিয়ে। অৱশ্যে প্ৰতিবাদকাৰীৰ আগমনৰ পূৰ্বে চোৰাংচোৰাৰ খবৰৰ আধাৰত ট্ৰুডুৱে পৰিয়ালসহ বাসগৃহ ত্যাগ কৰি নিৰাপদ স্থানত আশ্ৰয় গ্ৰহণ কৰিছিল। সম্প্ৰতি অট'ৱাত প্ৰশাসনে হাই-এলাৰ্ট জাৰি কৰিছে। কানাডাত ক'ভিড প্ৰতিষেধক বাধ্যতামূলক কৰাৰ পূৰ্বে প্ৰধানমন্ত্ৰী ট্ৰুডুৱে মন্তব্য কৰি কৈছিল যে দেশখনৰ ট্ৰাক চালকসকল কেৱল নিজৰ বাবেই নহয়, প্ৰতিষেধক গ্ৰহণ কৰি সমগ্ৰ দেশবাসীৰ বাবে বিপদৰ কাৰকত পৰিণত হৈছে। প্ৰধানমন্ত্ৰীৰ এই মন্তব্যই ক্ষুব্ধ কৰি তোলা ট্ৰাক চালকসকলে ৰাজপথত সমবেত হৈ ব্যাপক প্ৰতিবাদ সাব্যস্ত কৰে।



## আৰক্ষীৰে সংঘৰ্ষত কাশ্মীৰত নিহত পাঁচ সন্ত্ৰাসবাদী

**নিউজ ব্যুৰ' শ্ৰীনগৰ, ৩০ জানুৱাৰী ঃ** জম্মু-কাশ্মীৰত আৰক্ষীৰ স'তে হোৱা দুটা পৃথক সংঘৰ্ষত জইচ ই মহম্মদৰ কমাণ্ডাৰসহ পাঁচজন সন্ত্ৰাসবাদী ধৰাশায়ী হ'ল। আৰক্ষীৰ সূত্ৰই আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি সন্ত্ৰাস বিৰোধী অভিযান চলোৱাৰ সময়ত পুলৱামা আৰু বুডগামত দুটাকৈ সংঘৰ্ষৰ সূত্ৰপাত ঘটিছিল। ১২ ঘণ্টা ধৰি অব্যাহত থকা সংঘৰ্ষত পাকিস্তান সমৰ্থিত পাঁচজন সন্ত্ৰাসবাদী নিহত হ'ল। নিহতৰ মাজত জইচ ই মহম্মদৰ কমাণ্ডাৰ জাহিদ ৱানিও আছে। উল্লেখ্য যে জাহিদ লেটপুৰা বিস্ফোৰণৰ ঘটনাত অন্যতম অভিযুক্ত। এই বিস্ফোৰণত ৪০ জন চি আৰ পি এফৰ জোৱানৰ মৃত্যু হৈছিল। যোৱা মাহত কাশ্মীৰত এক ডজন সংঘৰ্ষত ২২ জন সন্ত্ৰাসবাদী নিহত হৈছিল।

## অমৰিন্দৰৰ দলৰ ছয় প্ৰাৰ্থীৰ পি এল চিৰ প্ৰতীকত প্ৰতিদ্বন্দ্বিতাত আপত্তি



**নিউজ ব্যুৰ', চণ্ডীগড়, ৩০ জানুৱাৰী ঃ** পঞ্জাৱৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা পঞ্জাৱ লোক কংগ্ৰেছ (পি এল চি)ৰ মুৰব্বী কেপ্টেইন অমৰিন্দৰ সিঙৰ দলৰ ছয়জন প্ৰাৰ্থীয়ে বিধানসভাৰ নিৰ্বাচনত পি এল চিৰ প্ৰতীকত প্ৰতিদ্বন্দ্বিতাৰ বাবে আপত্তি প্ৰদান কৰিলে। এই ছয় প্ৰাৰ্থীয়ে পি এল চিয়ে লাভ কৰা হকী ষ্টিক-বলৰ প্ৰতীকৰ পৰিৱৰ্তে পদুমৰ ছবিৰে নিৰ্বাচনৰ প্ৰচাৰ চলাবলৈ ইচ্ছা প্ৰকাশ কৰিছে। এই আপত্তি প্ৰদৰ্শনৰ পাছত পি এল চিয়ে চাৰিজন প্ৰাৰ্থীক পদুম ফুলৰ প্ৰতীকত প্ৰতিদ্বন্দ্বিতাৰ অনুমতি দিয়ে যদিও আন এজন প্ৰাৰ্থীৰ প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিলে। পঞ্জাৱ বিধানসভাৰ নিৰ্বাচনত অমৰিন্দৰৰ দলটোৱে ৩৭ সমষ্টিত প্ৰাৰ্থী প্ৰক্ষেপ কৰিছে। ইতিমধ্যে দলে ২২ সমষ্টিত প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰিছে।


## আমেৰিকাত ডেল্টাতকৈ অধিক লোকৰ মৃত্যু হ'ল অ'মিক্ৰনত



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৩০ জানুৱাৰী ঃ বিশ্বৰ বহু দেশত কৰ'নাৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ ব্যাপক সংক্ৰমণ অব্যাহত আছে। আমেৰিকাত ক'ভিডৰ এই নতুন প্ৰজাতি যথেষ্ট ঘাতক প্ৰমাণিত হৈছে। বিশেষজ্ঞসকলে ডেল্টাৰ তুলনাত অ'মিক্ৰন কম মাৰাত্মক বুলি দাবী কৰি আহিছে যদিও আমেৰিকাত ইয়াৰ সম্পূৰ্ণ বিপৰীত ছবি প্ৰত্যক্ষ হৈছে। আমেৰিকাত ডেল্টাৰ তুলনাত অ'মিক্ৰনত আক্ৰান্ত ক'ভিড ৰোগীৰ অধিক মৃত্যু প্ৰতিদিনে অব্যাহত আছে। বিগত এদিনত আমেৰিকাত কৰ'নাত ২,২৬৭ জন লোকৰ মৃত্যু হৈছিল। যোৱা নৱেম্বৰৰ মাজভাগৰ পৰা আমেৰিকাত ক'ভিড ৰোগীৰ মৃত্যুৰ সংখ্যা বৃদ্ধি অব্যাহত আছে। কেলিফৰ্ণিয়া বিশ্ববিদ্যালয়ৰ গৱেষকৰ তথ্য অনুসৰি ডেল্টা প্ৰজাতিত আমেৰিকাত যিমান ক'ভিড ৰোগীৰ মৃত্যু হৈছিল, তাৰ তুলনাত অ'মিক্ৰনত আক্ৰান্ত ৰোগীৰ মৃত্যুৰ সংখ্যা দেশখনত অধিক হৈছে।**

# বিশ্বত এদিনত ৩৪.৫৮ লাখ লোক হ'ল ক'ভিড আক্ৰান্ত, ১০,৫১৬ জনৰ মৃত্যু

## সংক্ৰমণ বৃদ্ধি ঃ কেৰালাত আংশিক তলাবন্ধ ঘোষণা



**নিউজ ব্যুৰ', তিৰুঅনন্তপুৰম, ৩০ জানুৱাৰী ঃ** কেৰালাত এদিনতে ৫০ হেজাৰৰো অধিক লোক ক'ভিডত সংক্ৰমিত আৰু আঠজন ৰোগীৰ মৃত্যু হ'ল। ক'ভিডৰ সংক্ৰমণ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি কেৰালা চৰকাৰে পুনৰ তলাবন্ধৰ পথ গ্ৰহণ কৰিবলৈ বাধ্য হ'ল। অৱশ্যে এইবাৰ ৰাজ্যখনত আংশিক তলাবন্ধ বাহাল থাকিব। কেৰালা চৰকাৰে ঘোষণা কৰা অনুসৰি সকলো অত্যাৱশ্যকীয় সেৱা পুৱা আঠ বজাৰ পৰা নিশা ন বজালৈকে মুকলি থাকিব। নিশা ন বজাৰ পৰা পুৱা সাত বজালৈকে ৰাজ্যখনত বাহাল থাকিব নৈশ সান্ধ্য আইন। উল্লেখ্য যে কেৰালাত দেওবাৰলৈকে ৫৯,৩১,৯৪৫ জন লোক কৰ'নাত আক্ৰান্ত আৰু ৫৩,১৯১ জন লোকৰ কৰ'নাত মৃত্যু হ'ল। ক'ভিড প্ৰতিৰোধৰ বাবে ৰাজ্য চৰকাৰখনে পুনৰ আংশিক তলাবন্ধ আজিৰে পৰা ঘোষণা কৰিলে।



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ৩০ জানুৱাৰী ঃ** যোৱা ২৪ ঘণ্টাত বিশ্বৰ বিভিন্ন দেশত নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল ৩৪.৫৮ লাখ লোক। আনহাতে, বিগত এদিনত এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণত বিশ্বত প্ৰাণ হেৰুৱালে ১০,৫১৬ জন লোকে। ইফালে, যোৱা ২৪ ঘণ্টাত বিশ্বৰ বিভিন্ন দেশত ২৯.২৩ লাখ ক'ভিড ৰোগী সুস্থ হৈ উঠিল। দৈনিক সংক্ৰমণৰ ক্ষেত্ৰত ৫.২২ লাখ ক'ভিড ৰোগীৰে শীৰ্ষত আছে আমেৰিকা। দৈনিক সংক্ৰমণত দ্বিতীয় স্থানত থকা ফ্ৰান্সত বিগত এদিনত ৩.৫৩ লাখ লোক কৰ'নাত সংক্ৰমিত হ'ল। আনহাতে, ২.৫৭ লাখ ক'ভিড ৰোগীৰে দৈনিক সংক্ৰমণত তৃতীয় স্থানত আছে ব্ৰাজিল। বিগত এদিনত বিশ্বৰ ভিতৰতে সৰ্বাধিক ২,৮০৫ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল আমেৰিকাত। ভাৰতত ৮৬২ আৰু ব্ৰাজিলত ৭৭৯ জন ক'ভিড ৰোগীয়ে বিগত ২৪ ঘণ্টাত প্ৰাণ হেৰুৱালে। সমগ্ৰ বিশ্বত বৰ্তমানে ৭.২৬ কোটি ক'ভিড ৰোগী আছে। কেৱল আমেৰিকাতে আছে ২.৮৬ কোটি সক্ৰিয় ক'ভিড ৰোগী। বৰ্তমানলৈকে বিশ্বত ৩৭.২১ কোটিৰো অধিক লোক ক'ভিড আক্ৰান্ত হ'ল। তদুপৰি ক'ভিডৰ সমগ্ৰ পৰ্বটোত বিশ্বত এতিয়ালৈকে ৫৬.৭২ লাখ লোকৰ মৃত্যু হ'ল।

## গোৱা দখলত তৃণমূল কংগ্ৰেছৰ লক্ষ্য মহিলা-তৰুণ ভোটদাতাৰ মন জয়



**নিউজ ব্যুৰ', পানাজী, ৩০ জানুৱাৰী ঃ** গোৱা বিধানসভাৰ নিৰ্বাচনত মহিলা ভোটদাতাসকলক আকৰ্ষিত কৰিবলৈ বিশেষ কৌশল গ্ৰহণ কৰিছে তৃণমূল কংগ্ৰেছে। মমতা বেনাৰ্জী নেতৃত্বাধীন তৃণমূল কংগ্ৰেছে কালি দলৰ নিৰ্বাচনী ইস্তাহাৰ প্ৰকাশ কৰিছিল আৰু এই ইস্তাহাৰত দলটোৱে মূলতঃ মহিলা আৰু তৰুণ প্ৰজন্মক আকৰ্ষিত কৰাৰ চেষ্টা চলালে। তৃণমূল কংগ্ৰেছে প্ৰতিশ্ৰুতি দি কৈছে যে গোৱাত দলে ক্ষমতা লাভ কৰিলে ৰাজ্যখনত চৰকাৰী-বেচৰকাৰী সকলো ধৰণৰ চাকৰিত ৩৩ শতাংশ পদ মহিলাৰ বাবে সংৰক্ষণ কৰা হ'ব। উল্লেখ্য যে গোৱাত মুঠ ভোটদাতাৰ অৰ্ধেকাংশই হৈছে মহিলা। মহিলা সমৰ্থন লাভ কৰিব পাৰিলে ক্ষমতা দখল কৰাটো সহজ হ'ব বুলি ধাৰণা কৰিয়ে তৃণমূল কংগ্ৰেছে ইস্তাহাৰত মহিলাকেন্দ্ৰিক একাধিক প্ৰতিশ্ৰুতি দিছে। ইস্তাহাৰত ৰাজ্যখনৰ প্ৰতিগৰাকী মহিলাক মাহে পাঁচ হেজাৰ টকাকৈ প্ৰদানৰ প্ৰতিশ্ৰুতিও দিয়া হৈছে। তদুপৰি স্থানীয় প্ৰশাসনক মহিলাৰ প্ৰতিনিধিত্ব ৫০ শতাংশ কৰা হ'ব বুলিও তৃণমূল কংগ্ৰেছে ঘোষণা কৰিছে। যুৱ প্ৰজন্মৰ সমৰ্থন আদায়ৰ বাবে দলটোৱে কৰ্মসংস্থাপন বৃদ্ধিৰ প্ৰতিশ্ৰুতি দিছে। তৃণমূল কংগ্ৰেছৰ আশ্বাস অনুসৰি গোৱাত ক্ষমতা লাভ কৰিলে আগন্তুক তিনি বছৰত চৰকাৰী চাকৰিত ১০ হেজাৰ খালী পদত নিযুক্তি দিয়া হ'ব।

## এছ পিৰ প্ৰাৰ্থীৰ বি এছ পি প্ৰীতি, জনসভাত হাতীত ভোট দিবলৈ জনালে আহ্বান

**নিউজ ব্যুৰ' লক্ষ্ণৌ, ৩০ জানুৱাৰী ঃ** উত্তৰ প্ৰদেশত বিধানসভাৰ আসন্ন নিৰ্বাচনৰ প্ৰচাৰত সকলো ৰাজনৈতিক দলৰ নেতা ব্যস্ত আছে। নিৰ্বাচনৰ প্ৰচাৰত এটা দলে আনটো দলৰ বিৰুদ্ধে নানা অভিযোগ উত্থাপন কৰিছে। কিন্তু এনে সময়তে ৰাজ্যখনত ভাইৰেল হোৱা এক ভিডিঅ' ক্লিপত প্ৰত্যক্ষ হ'ল সমাজবাদী পাৰ্টি (এছ পি)ৰ প্ৰাৰ্থীয়ে বহুজন সমাজ পাৰ্টি (বি এছ পি)ৰ প্ৰাৰ্থীক ভোট দিবলৈ আহ্বান জনালে। আগ্ৰাৰ এছ পিৰ প্ৰাৰ্থীজনে এতিয়াও বি এছ পিক পাহৰিব পৰা নাই। গ্ৰামাঞ্চলত প্ৰচাৰ চলোৱাৰ সময়ত এছ পিৰ প্ৰাৰ্থীজনে বি এছ পিৰ প্ৰাৰ্থীক ভোট দিবলৈ আহ্বান জনোৱা উক্ত ভিডিঅ'ই উত্তৰ প্ৰদেশত চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰকাশিত বাতৰি অনুসৰি এছ পিৰ আগ্ৰাৰ প্ৰাৰ্থী মধুসুদন শৰ্মাৰ এটা ১৭ ছেকেণ্ড দৈৰ্ঘৰ ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হৈছে। গ্ৰামাঞ্চলৰ ভোটদাতাৰ স'তে মত বিনিময় কৰাৰ সময়ত হঠাতে জিভা পিছলি শৰ্মাই



এছ পিৰ পৰিৱৰ্তে বি এছ পিৰ প্ৰাৰ্থীক ভোট দিবলৈ ৰাইজক আহ্বান জনাইছিল। গাঁওবাসীক আহ্বান জনাই শৰ্মাই এইদৰে কয়, 'আপোনালোকক আহ্বান জনাব আহিছো। আপোনালোকে অহা ১০ ফেব্ৰুৱাৰীত হ'ব লগা নিৰ্বাচনত প্ৰতিটো ভোট হাতীত টিপি সাব্যস্ত কৰক।' দৰাচলতে পূৰ্বে দুবাৰকৈ বি এছ পিৰ টিকটত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা শৰ্মাই এইবাৰ এছ পিৰ টিকটত থিয় দিছে। কেইমাহমান পূৰ্বে শৰ্মাই বি এছ পি ত্যাগ কৰি সমাজবাদী দলত যোগদান কৰিছিল। অৱশ্যে ভাইৰেল হোৱা ভিডিঅ'টো দুষ্ট চক্ৰই সম্পাদনা কৰি তেওঁৰ বিৰুদ্ধে অপপ্ৰচাৰ চলোৱা বুলি শৰ্মাই দাবী কৰিছে।



## মণিপুৰত ৬০ সমষ্টিত বিজেপিৰ প্ৰাৰ্থী ঘোষণা, তিনি মহিলাক টিকট

**নিউজ ব্যুৰ' ইম্ফল, ৩০ জানুৱাৰী ঃ** বিজেপিয়ে মণিপুৰৰ বিধানসভাৰ নিৰ্বাচনৰ বাবে দলৰ প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰিলে। ৰাজ্যখনৰ ৬০ টা সমষ্টিৰ বাবে আজি বিজেপিয়ে প্ৰাৰ্থীৰ তালিকা আনুষ্ঠানিকভাৱে প্ৰকাশ কৰে। ৬০ সমষ্টি বিশিষ্ট ৰাজ্যখনত বিজেপিয়ে মাত্ৰ তিনিগৰাকী মহিলাক দলৰ প্ৰাৰ্থিত্ব প্ৰদান কৰিলে। মণিপুৰৰ মুখ্যমন্ত্ৰী এন বীৰেন সিঙে হিংগাংগ সমষ্টিৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব। আজি বিজেপিৰ প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰি দলৰ নেতা সম্বিত পাত্ৰাই কয় যে মণিপুৰত দলত কোনো সংঘাত নাই আৰু বিধানসভাৰ আগন্তুক নিৰ্বাচনত ৰাজ্যখনত দুই তৃতীয়াংশ সংখ্যাগৰিষ্ঠতাৰে বিজেপিয়ে চৰকাৰ গঠন কৰিব।

## পিতৃৰ বিৰুদ্ধে নিৰ্বাচনত প্ৰচাৰ নচলায় বিজেপি সাংসদ সংঘমিত্ৰাই



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ৩০ জানুৱাৰী ঃ** উত্তৰ প্ৰদেশৰ যোগী আদিত্যনাথৰ চৰকাৰত মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা স্বামী প্ৰসাদ মৌৰ্যই বিজেপি ত্যাগ কৰি সমাজবাদী পাৰ্টিত যোগদান কৰিলে। মৌৰ্যৰ কন্যা তথা উত্তৰ প্ৰদেশৰ বিজেপিৰ সাংসদ সংঘমিত্ৰা মৌৰ্যই পিতৃৰ সন্দৰ্ভত এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিলে। সংঘমিত্ৰাই কয় যে পিতৃয়ে প্ৰতিদ্বন্দ্বিতা কৰা সমষ্টিত তেওঁ বিজেপিৰ হৈ পিতৃৰ বিৰুদ্ধে প্ৰচাৰত অংশ নলয়। টিভি চেনেলৰ সাক্ষাৎকাৰত সাংসদগৰাকীয়ে কয়, 'মই বিজেপিত আছো আৰু থাকিম। মোৰ দেউতাই সমাজবাদী পাৰ্টিলৈ যোৱাৰ পূৰ্বে এই বিষয়ত কোনো আলোচনা কৰা নাছিল। বিজেপি ত্যাগ কৰাৰ বাবে মোক কোনেও হেঁচা দিয়া নাই। পাৰিবাৰিক জীৱন আৰু ৰাজনৈতিক জীৱন সম্পূৰ্ণৰূপে পৃথক। মই সমগ্ৰ উত্তৰ প্ৰদেশত বিজেপি প্ৰচাৰ চলাম। কিন্তু দলে ক'লেও মই পিতৃৰ বিৰুদ্ধে প্ৰচাৰত অংশ নলও। বিজেপিৰ প্ৰতি মোৰ আস্থাৰ প্ৰমাণ দিয়াৰ প্ৰয়োজন নাই।'

## টিকট পালে অখিলেশৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতাৰ বাবে সাজু অপৰ্ণা



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ৩০ জানুৱাৰী ঃ** কিছুদিন পূৰ্বে বিজেপিত যোগদান কৰা অপৰ্ণা যাদৱে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ সন্দৰ্ভত চাঞ্চল্যকৰ মন্তব্য প্ৰকাশ কৰিলে। উল্লেখ্য যে অপৰ্ণা হৈছে সমাজবাদী পাৰ্টিৰ প্ৰতিষ্ঠাপক মুলায়ম সিং যাদৱৰ কণিষ্ঠ বোৱাৰী। অলপতে অপৰ্ণাই সমাজবাদী পাৰ্টি ত্যাগ কৰি বিজেপিত যোগদান কৰিছিল। এটা টেলিভিছন চেনেলৰ সাক্ষাৎকাৰত মুলায়মৰ কণিষ্ঠ বোৱাৰীয়ে স্পষ্টভাৱে কয় যে তেওঁ বিজেপিৰ টিকটত অখিলেশ যাদৱৰ বিৰুদ্ধে থিয় দিবলৈ সাজু আছে। 'মোক দলে অনুমতি দিলে মেনপুৰীৰ কৰহল সমষ্টিৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিম। লক্ষ্ণৌ কেণ্টত মই ৰাইজক সেৱা কৰি আহিছো। পাৰ্টিয়ে যদি কয় তেন্তে অখিলেশ ভাইৰ বিৰুদ্ধে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিম। মই কোন সমষ্টিত প্ৰাৰ্থী হ'ম সেয়া দলে সিদ্ধান্ত ল'ব।' টিভিৰ সাক্ষাৎকাৰত অপৰ্ণাই এইদৰে কয়।

## বিজেপিৰ তালিকাত আছে ৯৯ জন অপৰাধী, দাবী অখিলেশৰ



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ৩০ জানুৱাৰী ঃ উত্তৰ প্ৰদেশৰ বিধানসভাৰ নিৰ্বাচনক লৈ বিজেপিক তীব্ৰ কটাক্ষ কৰিলে সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেশ যাদৱে। আজি টুইট কৰি অখিলেশে কয়, 'বিজেপিৰ অপৰাধী প্ৰাৰ্থীৰ সংখ্যাই শতক পূৰণ কৰিবলৈ মাত্ৰ এটা সংখ্যা বাকী আছে। এতিয়ালৈকে বিজেপিয়ে অপৰাধৰ অভিযোগ থকা ৯৯ জন প্ৰাৰ্থীক দলৰ টিকট দিলে।' উল্লেখ্য যে যোৱা শুকুৰবাৰে বিজেপিয়ে উত্তৰ প্ৰদেশত দলৰ সপ্তমখন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। এই তালিকাত দলটোৱে ৯১ প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছিল। ৪০৩ সদস্য বিশিষ্ট বিধানসভাৰ নিৰ্বাচনৰ বাবে বিজেপিয়ে শুকুৰবাৰলৈকে ২৯৪ সমষ্টিৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰিলে।**

## উত্তৰ প্ৰদেশত সবাতোকৈ ধনী মহিলা বিধায়ক ঃ আছে ৫৪ কোটি টকাৰ ভূমি, ১৩২ অস্ত্ৰ



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ৩০ জানুৱাৰী ঃ** ২০১৭ৰ উত্তৰ প্ৰদেশৰ বিধানসভাৰ নিৰ্বাচনত বিজেপিয়ে ৩১২ সমষ্টিত জয়লাভ কৰিছিল আৰু বিজেপিৰ এইসকল বিধায়কৰ ২৩৫ জন আছিল কোটিপতি। এনে এগৰাকী কোটিপতি বিধায়ক হৈছে ৰাণী পক্ষালিকা সিং। আগ্ৰাৰ ভদাৱৰ ৰাজপৰিয়ালৰ সদস্য পক্ষালিকা হৈছে উত্তৰ প্ৰদেশৰ সবাতোকৈ ধনী মহিলা বিধায়ক। এইবাৰৰ নিৰ্বাচনত তেওঁ আগ্ৰাৰ বাহ সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিছে। ৬১ বছৰীয়া পক্ষালিকাৰ ৫৪.৪৪ কোটি টকাৰ ভূমি আছে। তদুপৰি তেওঁৰ সংগ্ৰহত আছে ১৩২ অস্ত্ৰ-শস্ত্ৰ। পক্ষালিকা, তেওঁৰ স্বামী আৰু তেওঁৰ পৰিয়ালৰ সদস্যৰ নামত বেংকত আছে মুঠ ২১ টা একাউণ্ট। ২০১৭ৰ বিধানসভাৰ নিৰ্বাচনত শপতনামাত ৰাণী পক্ষালিকাই উল্লেখ কৰা অনুসৰি তেওঁৰ মুঠ স্থাৱৰ আৰু অস্থাৱৰ সম্পত্তিৰ পৰিমাণ হৈছে ৫৮.২৯ কোটি টকা।

# বাগ্‌সাত বন্যহস্তীৰ বৃহৎ জাকৰ উপদ্ৰৱ ঃ শংকিত ৰাইজ

## ■ তচনচ কৰিলে বহু বিঘা শস্যভূমি



**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ৩০ জানুৱাৰী ঃ** ৰাজ্যত অব্যাহত আছে হাতী-মানুহৰ সংঘাত। প্ৰতিদিনেই ৰাজ্যৰ ভিন্ন প্ৰান্তত তাণ্ডৱ চলাইছে বন্যহস্তীয়ে। বিশেষকৈ মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ পৰা প্ৰায় প্ৰতি নিশাই জনাঞ্চললৈ ওলাই অহা বন্যহস্তীৰ তাণ্ডৱ যেন এক নিয়মত পৰিণত হৈছে বাগ্‌সা জিলাৰ শালবাৰী মহকুমাৰ বিভিন্ন প্ৰান্তত। একেলেথাৰিয়ে কে'বাদিনো মানাহৰ বন্যহস্তীয়ে জনাঞ্চলত তাণ্ডৱ চলোৱাৰ পাছত এইবাৰ তাণ্ডৱ চলায় বাগ্‌সাৰ খাৰিজা বিজনীৰ অন্তৰ্গত চুক্ৰুংবাৰীত। যোৱা নিশা চুক্ৰুংবাৰীত বন্যহস্তীৰ এটা বৃহৎ জাকে তহিলং কৰিলে বহু বিঘা শস্যভূমি। মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা বন্যহস্তীৰ জাকটোৱে তহিলং কৰে বহু বিঘা ভূমিৰ বিলাহী আৰু পানীলাউৰ খেতি। যাৰ বাবে দিক্‌বিদিক হেৰুৱাই পেলাবলগীয়া এক পৰিস্থিতিৰ সৃষ্টি হৈছে অঞ্চলটোৰ দুখীয়া কৃষকসকলৰ মাজত। ইফালে, চুক্ৰুংবাৰীৰ কাষতে থকা কাহিতামা বনাঞ্চলিক কাৰ্যালয়ে বন্যহস্তীৰ উপদ্ৰৱ ৰোধ কৰি নোৱৰাৰ অভিযোগ কৰে ভুক্তভোগী কৃষকসকলে। এই ক্ষেত্ৰত সদৌ বিটিচি সংখ্যালঘু ছাত্ৰ সংগঠনৰ শালবাৰী জিলা সমিতিৰ সভাপতি ছাইজুদ্দিন খণ্ডকাৰে ভুক্তভোগী কৃষকসকলক উচিত ক্ষতিপূৰণ প্ৰদানৰ দাবী জনায়।

# নিম্ন আদালতসমূহ শীঘ্ৰে খোলাৰ অনুমতি দিবলৈ আহ্বান


**নগাঁও, ৩০ জানুৱাৰী ঃ** ক'ভিড নিয়ম-নীতিৰ দোহাই দি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশে মাঘ বিহুৰ পূৰ্বৰে পৰা বন্ধ কৰি ৰখা নিম্ন আদালতসমূহ শীঘ্ৰেই খোলাৰ অনুমতি দিবলৈ নগাঁও উকিল সন্থাই আহ্বান জনাইছে। নগাঁও উকিল সন্থাৰ সভাপতি পৰাণ গোঁহাই আৰু সাধাৰণ সম্পাদক গিৰিশ চন্দ্ৰ বৰাই এক বিবৃতিযোগে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ প্ৰতি আহ্বান জনাই কয় যে ক'ভিড নীতি-নিয়মৰ দোহাই দি ৰাজ্যৰ নিম্ন আদালতসমূহ বন্ধ কৰি ৰখাৰ বাবে বহু অসুবিধাৰ সন্মুখীন হৈছে সৰ্ব সাধাৰণ ৰাইজ। আদালতসমূহ বন্ধ থকাৰ ফলত বিশেষকৈ দেৱানী, ফৌজদাৰী আৰু মটৰ দুৰ্ঘটনাৰ গোচৰসমূহৰ সাক্ষী-বাদী নোহোৱাত গোচৰসমূহৰ ভুক্তভোগীসকল ন্যায়ৰ পৰা বঞ্চিত হৈ ৰৈছে। ফলত ন্যায় ব্যৱস্থাৰ প্ৰতিও সাধাৰণ ৰাইজৰ মোহভংগ হৈছে। সেয়ে সন্থাই ফেব্ৰুৱাৰীৰ প্ৰথম সপ্তাহৰ পৰাই আদালতসমূহ খোলাৰ অনুমতি দিবলৈ মুখ্য ন্যায়াধীশক আহ্বান জনাইছে।

# হাজোত ড্ৰাগছৰ ৰমৰমীয়া বেহা ঃ নগদ ধনসহ ধৃত দুই

**অগ্ৰদূত বাৰ্তা**

**হাজো, ৩০ জানুৱাৰী ঃ** কামৰূপ জিলাৰ হাজোত দীৰ্ঘদিন ধৰি ড্ৰাগছ মাফিয়াই ড্ৰাগছৰ ৰমৰমীয়া বেহা চলাই আহিছে। হাজো আৰক্ষীয়ে অভিযান চলাই জব্দ কৰে প্ৰায় লক্ষাধিক টকাৰ হেৰ'ইন আৰু চাৰিটাকৈ চুৰি টিভিৰ লগতে নগদ ধন জব্দ কৰে। আৰক্ষীয়ে ড্ৰাগছ মাফিয়া মুক্তাৰ আলী আৰু চফিকুল হকক আটক কৰে। এই দুই মাফিয়াই হাজোত ঘাটি পাতি ড্ৰাগছৰ ৰমৰমীয়া ব্যৱসায় চলাই আহিছিল। শনিবাৰে নিশা চলোৱা অভিযানকালত হাজো আৰক্ষীয়ে দুয়োটা ড্ৰাগছ মাফিয়াৰ ঘৰৰ পৰা ৭৫ টা ভৰ্তি কণ্টেইনাৰ আৰু এটা প্লাষ্টিক পেকেটসহ মুঠ ২৬ গ্ৰাম হেৰ'ইন, চাৰিটা চুৰি এল ই ডি টিভি আৰু নগদ ১০ হেজাৰ টকা জব্দ কৰে।

# মধ্য অসমৰ ঘগুৱা চ্যুকাফা সমন্বয় ক্ষেত্ৰত মে-ডাম-মে-ফিৰ অনুষ্ঠান আৰম্ভ



**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ৩০ জানুৱাৰী ঃ** মে-ডাম-মে-ফিৰ অনুষ্ঠান আজিৰে পৰা দুদিনীয়া কাৰ্যক্ৰমণিকাৰে মধ্য অসমৰ মৰিগাঁও জিলাৰ ঘগুৱা চ্যুকাফা সমন্বয় ক্ষেত্ৰত আৰম্ভ হৈছে। সদৌ অসম আহোম সভাৰ মৰিগাঁও জিলা সমিতিৰ উদ্যোগত তথা মৰিগাঁও জিলা টাইপাৰ সহযোগত আয়োজিত মে-ডাম-মে-ফিত আজি প্ৰথম দিনা পুৱা ১০ বজাত চাফাই অভিযান হোৱাৰ পাছত ১১ বজাত গছপুলি ৰোপণ কৰা হয়। সন্ধিয়া প্ৰতিনিধি সভা অনুষ্ঠিত হয়। এই প্ৰতিনিধি সভাৰ দ্বাৰ উন্মোচন কৰে চাওঁ অমৃত গগৈয়ে। আনহাতে, কাইলৈ পুৱা ন বজাত পতাকা উত্তোলনৰ পাছতে মৈদাম তৰ্পণ আৰু সমূহীয়া প্ৰাৰ্থনাৰ অন্তত পূজা আৰম্ভ হ'ব। দুপৰীয়া ১২ বজাৰ পৰা বিশিষ্ট শিক্ষাবিদ, সমাজকৰ্মী, লেখক ঠগীত চন্দ্ৰ বৰুৱাৰ সঞ্চালনাত মে-ডাম-মে-ফিৰ আলোচনা সভা অনুষ্ঠিত হ'ব। উক্ত সভাত মুখ্য অতিথিৰূপে জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকা আৰু সদৌ অসম আহোম সভাৰ সভাপতি উমা কান্ত কোঁৱৰ, নিৰ্দিষ্ট বক্তা হিচাপে আন্তৰ্জাতিক মানৱ অধিকাৰ আয়োগৰ ৰাষ্ট্ৰদূত সংস্থাৰ সৰ্বভাৰতীয় সভাপতি হৰেশ্বৰ শইকীয়াই অংশগ্ৰহণ কৰিব। সভাত সামাজিক, শৈক্ষিক, সাংস্কৃতিক, চিকিৎসা ক্ষেত্ৰৰ লগত জড়িত বহুকেইজন গণ্যমান্য ব্যক্তি উপস্থিত থাকিব।

# ৰঙাপৰাত দুই ঘনিষ্ঠ বন্ধুৰ একেদিনাই মৃত্যু



**বিশেষ সংবাদদাতা ৰঙাপৰা, ৩০ জানুৱাৰী** ঃ শোণিতপুৰ জিলাৰ ৰঙাপৰা আৰক্ষী থানাৰ অন্তৰ্গত এক নম্বৰ নামনিগাঁৱত আজি দুই ঘনিষ্ঠ বন্ধুৰ কিছু সময়ৰ ব্যৱধানত মৃত্যু হয়। এক নম্বৰ নামনিগাঁৱৰ সেনাৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী ফণীভূষণ বৰুৱা (৯৩) আৰু অসম চৰকাৰৰ বন বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী ব্ৰজেন্দ্ৰ লাল বৰুৱা (৯০)ৰ যোৱা নিশা দুই বজাত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। ফণীভূষণৰ মৃত্যু হোৱা বুলি গাঁৱৰ ৰাইজে জানিব পাৰি পুৱা তেওঁৰ ঘৰত অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰিবৰ বাবে উপস্থিত হয়। ইপিনে, সেই সময়ত ব্ৰজেন্দ্ৰ লাল বৰুৱাৰ পৰিয়ালৰ লোকেও ফণীভূষণৰ মৃত্যুৰ খবৰ ল'বলৈ আহে। বন্ধুৰ মৃত্যু হোৱা খবৰ ব্ৰজেন্দ্ৰ লাল বৰুৱাই লাভ কৰাৰ কিছু সময়ৰ পাছতে তেওঁৰো মৃত্যু ঘটে। বিগত কিছুদিন ধৰি অসুস্থ হৈ আছিল। ইপিনে, আজি দুপৰীয়া ১২ বজাত ফণীভূষণৰ অন্ত্যেষ্টিক্ৰিয়া নামনিগাঁৱৰ ৰাজহুৱা শ্মশানত সম্পন্ন কৰা হয়। আনহাতে, ব্ৰজেন্দ্ৰ লালৰ শেষকৃত্য কাইলৈ সম্পন্ন কৰা হ'ব।

# বিশ্ব হিন্দু পৰিষদ ওদালগুৰি জিলা সমিতিৰ সাধাৰণ সভা

**অগ্ৰদূত বাৰ্তা**

**টংলা, ৩০ জানুৱাৰী ঃ** হিন্দু ধৰ্মৰ লোকসকলৰ মাজত সজাগতা আৰু সচেতনতা আনিবলৈ আজি টংলা জৈন মন্দিৰৰ প্ৰেক্ষাগৃহত বিশ্ব হিন্দু পৰিষদ ওদালগুৰি জিলা সমিতিৰ এখনি সাধাৰণ সভা অনুষ্ঠিত হয়। হিন্দু ধৰ্মৰ লোকসকলৰ মাজত নিজৰ ধৰ্মৰ বাবে সচেতনতা আনিবলৈ অনুষ্ঠিত সাধাৰণ সভাখনত ওদালগুৰি বিশ্ব হিন্দু পৰিষদৰ সম্পাদক নৃপেন্দ্ৰ শৰ্মাই হিন্দু ধৰ্মৰ স'তে জড়িত বহুতো গুৰুত্বপূৰ্ণ তথ্য উপস্থিত ৰাইজৰ আগত অৱগত কৰায়। শৰ্মাই তেওঁৰ আদৰণি ভাষণত হিন্দু ধৰ্ম বৈচিত্ৰ্যতাৰ মাজত ঐক্যৰ সেতু গঢ়ে আৰু এই বৈচিত্ৰ্যতাই আমাৰ মহানতা বুলি উল্লেখ কৰে। হিন্দু ধৰ্মই সদায় মাতৃ সেৱা, মহিলাক সৰ্বোচ্চ সন্মান কৰাৰ পৰা আদি কৰি প্ৰকৃতিক শ্ৰদ্ধা কৰি জীয়াই থাকিবলৈ শিকাইছে আৰু আমি সদায় ধৰ্মৰ নীতি আদৰ্শ মানি আহিছোঁ বুলি কৈ তেওঁ বিগত সময়ছোৱাত কিছুমান স্বাৰ্থলোভী লোকে ধৰ্মক পণ্য সামগ্ৰী কৰি দিছে বুলি আক্ষেপ কৰে। যাৰ ফলত হিন্দু ধৰ্ম সংকটজনক অৱস্থাত আছে বুলি ব্যক্ত কৰে শৰ্মাই। আনহাতে, শৰ্মাই সভাত উপস্থিত সকলো লোকক সহনশীলতাৰে হিন্দু ধৰ্ম সংৰক্ষণ কৰিবলৈ আহ্বান জনায়। সভাত উপস্থিত থাকে ভূপেন শৰ্মা, শিৱৰাম নাথ, তীৰ্থৰঞ্জন গোস্বামী, চান গোস্বামী, গহিন বড়ো আদি। ওদালগুৰি জিলা বিশ্ব হিন্দু পৰিষদৰ সাধাৰণ সভাখনতেই তীৰ্থৰঞ্জন গোস্বামীক সভাপকি, উপেন্দ্ৰ চন্দ্ৰ নাথ আৰু কুমুদ ৰাভাক উপ-সভাপতি, শিৱৰাম নাথক সম্পাদক আৰু ভূপেন শৰ্মা, দিগন্ত কুমাৰ শৰ্মা আৰু চান গোস্বামীক সহঃসম্পাদকসহ সাত জনীয়া বিশ্ব হিন্দু পৰিষদৰ টংলা তদাৰকী কমিটী গঠন কৰা হয়।

# বৰপেটা জিলা কৰ্মচাৰী পৰিষদৰ দ্বি-বাৰ্ষিক অধিবেশন সম্পন্ন



**অগ্ৰদূত বাৰ্তা**

**হাউলী, ৩০ জানুৱাৰী ঃ** বৰপেটা জিলা কৰ্মচাৰী পৰিষদৰ ২৬ সংখ্যক দ্বি-বাৰ্ষিক অধিবেশন বৰপেটাস্থিত পেঞ্চনাৰ ভৱনৰ প্ৰাংগণত আজি দিনজোৰা কাৰ্যসূচীৰে জিলাখনৰ বিভিন্ন সংস্থা, সংগঠন আদিৰ প্ৰতিনিধিৰ উপস্থিতিত অনুষ্ঠিত হয়। এই উপলক্ষে অনুষ্ঠিত সাধাৰণ সভাত সভাপতিত্ব কৰে পৰিষদৰ সভাপতি মাধন ভূঞাই। অনুষ্ঠান মুকলি কৰে পৰিষদৰ অন্যতম উপদেষ্টা অৰ্জুন চন্দ্ৰ দাসে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সাধাৰণ সম্পাদক উৎপল দাসে। বিগত দুটা বৰ্ষৰ কাৰ্যকালৰ বিস্তৃত খতিয়ান পাঠ কৰে সম্পাদক উৎপল দাসে। জিলা কৰ্মচাৰী পৰিষদৰ আভ্যন্তৰীণ হিচাপ পৰীক্ষক বনমালী চৌধুৰীয়ে পহিলা মাৰ্চ, ২০১৯ৰ পৰা ৩১ ডিচেম্বৰ ২০২১ লৈ জমা খৰচৰ খতিয়ান দাঙি ধৰে। সভাত সদৌ অসম আমোলা সন্থাৰ সাধাৰণ সম্পাদক সত্যনাৰায়ণ ৰয়, বঙাইগাঁও জিলা কৰ্মচাৰী পৰিষদৰ উপ-সভাপতি ৰণজিৎ ভট্ট আৰু কেন্দ্ৰীয় পৰ্যবেক্ষক ৰূপে শংকৰ নাথ উপস্থিত থাকে। সভাই সৰ্বসন্মতিক্ৰমে পৰৱৰ্তী দুটা বছৰৰ কাৰ্যকালৰ বাবে সভাপতিৰূপে বাপন দাস আৰু সাধাৰণ সম্পাদকৰূপে উৎপল দাসক নিৰ্বাচন কৰে। মূল সভা অনুষ্ঠিত হোৱাৰ পূৰ্বে মুখ্য তৰ্পকৰূপে ছহিদ তৰ্পণ কৰে পৰিষদৰ অন্যতম উপদেষ্টা পৰমেশ্বৰ দাসে আৰু সদৌ অসম কৰ্মচাৰী পৰিষদৰ পতাকা উত্তোলন কৰে মাধন ভূঞাই। উল্লেখ্য যে সভাত মুঠ নগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰীক ফুলাম গামোচা, জাপি আৰু মানপত্ৰৰে সম্বৰ্ধনা জনোৱাৰ উপৰি সভা আৰম্ভণিৰ পূৰ্বে পৰিষদৰ হকে আমৃত্যু অহোপুৰুষাৰ্থ কৰা পুণ্যাত্মাৰ বিয়োগত এক মিনিট মৌনতা অৱলম্বনেৰে শোক প্ৰকাশ কৰা হয়।

# অসম-মেঘালয় সীমান্তত বিদায় বিননি

*এক পৃষ্ঠাৰ পৰা* আনাৰস, পাণ, কুঁহিয়াৰ বাগান। তাৰ মাজে মাজে ঠিক যেন এক বগা চৰিয়াৰ দৰে পাহাৰৰ দাঁতিত ধাননি পথাৰ। এখন গাঁৱৰ পৰা ইখন গাঁৱক সংযোগ কৰিবলৈ মাজে মাজে বাঁহৰ সাঁকো। যেন এক নেদেখা পৃথিৱী কিন্তু এবাৰ চালেই চকু ছাট মাৰি ধৰা। ভঙা ভঙা অসমীয়া ভাষাৰে আলহীক দেখিলেই নিমিষতে আপোন কৰিব বিচৰা জনজাতীয় মানুহখিনিৰ মৰম-চেনেহে সীমান্তৰ এই গাঁওখনৰ সৌন্দৰ্যত সোণত সুৱগা চৰায়। গীজাং নদীৰ পাৰত এপলক ৰৈ সামগ্ৰিক পৰিৱেশটোলৈ লক্ষ্য কৰিলে এনে লাগে যেন সেউজীয়া পাহাৰখনৰ পৰা নামি অহা ফিৰফিৰীয়া বতাহ আৰু বোৱতী গীজাঙৰ কুলু কুলু মাতৰ সংগমত যেন বাজি উঠিছে—'অ' মোৰ আপোনাৰ দেশ/অ' মোৰ চিকুণী দেশ/এনেখন সুৱলা/এনেখন সুফলা/এনেখন মৰমৰ দেশ।' পিছে এনে অপূৰ্ব সুন্দৰ, নৈসৰ্গিক দৃশ্যৰে দৃশ্যমান গাঁওখনকেই এতিয়া অসম চৰকাৰে চুবুৰীয়া মেঘালয়ক হস্তান্তৰ কৰিবলৈ ওলাইছে। অসম চৰকাৰৰ দাবী—বৃহত্তৰ গীজাং অঞ্চলৰ স্থানীয় বাসিন্দাই স্বইচ্ছাই মেঘালয়ত অন্তৰ্ভুক্ত হোৱাটো বিচাৰে।

আচলতে কেৱল গীজাং বুলিয়েই নহয়। বৃহত্তৰ হাঁহিম অঞ্চলৰ, গীজাঙকে ধৰি প্ৰায় ১০ খন গাঁৱে শেহতীয়াকৈ চুবুৰীয়া মেঘালয়ত অন্তৰ্ভুক্ত হোৱাটো বিচাৰিছে; কিন্তু কিয় জানেনে? জানিলে প্ৰতিজন অসমীয়াৰে বুকু কঁপি উঠিব।

অসম-মেঘালয় সীমান্তৰ হাঁহিম অঞ্চলৰ ৰাইজৰ ক্ষোভ বুজি পাবলৈ হ'লে স্বাধীনোত্তৰ ভাৰতৰ পৰৱৰ্তী সময়ৰ কিছু ঘটনা-পৰিঘটনালৈ ঘূৰি যাব লাগিব। অসম-মেঘালয়ৰ সীমান্তৰ গীজাং অঞ্চলৰ ৰংথালি নিম্ন প্ৰাথমিক বিদ্যালয়, মেচপাৰা নিম্ন প্ৰাথমিক বিদ্যালয়, মালাপাৰা নিম্ন প্ৰাথমিক বিদ্যালয় আৰু মাথাপোতা নিম্ন প্ৰাথমিক বিদ্যালয় আদি চাৰিখনকৈ চৰকাৰী প্ৰাথমিক বিদ্যালয় ১৯৫৪তে অসম চৰকাৰে স্থাপন কৰে। স্থানীয় গাঁওবাসীয়ে জনালে যে অসম চৰকাৰে প্ৰতিষ্ঠা কৰা প্ৰাথমিক বিদ্যালয়সমূহ আজিও অক্ষত অৱস্থাতে আছে। প্ৰতি বছৰৰ অন্তৰে অন্তৰে 'বিল্ডিং গ্ৰাণ্ট' লৈ পুনৰ নিৰ্মাণ কৰে; কিন্তু কি ১৯৫৪, কি ২০২২ বৰ্ষ, স্থানীয় গাঁওবাসীয়ে কোনো দিনেই শিক্ষক-শিক্ষয়িত্ৰীৰ আগমন নেদেখিলে।

হাঁহিম তিনি নম্বৰ লাটৰ গাঁওবুঢ়া শ্লিমচন জয় মাৰাকে 'দৈনিক অগ্ৰদূত'ক কয়, 'গীজাং নদীখনেই দুয়োখন ৰাজ্যৰ সীমা হিচাপে ঐতিহাসিকভাৱে মান্যতা পাই আহিছে যদিও নদীখনৰ পৰা সিপাৰলৈ এক কিলোমিটাৰ পৰ্যন্ত পাহাৰৰ দাঁতিলৈ অসমৰ মাটি, অসমীয়া গাঁও আৰু খেতি-বাতি, বাগান সকলো আছে। সেই এক কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত অসম চৰকাৰে পথ নিৰ্মাণ কৰাৰ লগতে বিদ্যালয় স্থাপন কৰিছে। গতিকে অসম-মেঘালয় সীমান্তৰ হাঁহিম অঞ্চলত সীমাক লৈ কোনোদিন সংঘাত হোৱা নাই, ভুল বুজাবুজিও হোৱা নাই আৰু বিভ্ৰান্তিও নাই। মাথোঁ দশক দশক ধৰি অসম চৰকাৰে কৰা বঞ্চনা আৰু অসমীয়া জাতিৰ পৰা নিলগত ৰখাৰ যন্ত্ৰণাই মানুহখিনিক মেঘালয়ত চামিল হ'বলৈ বাধ্য কৰিছে।'

মাথাপোতা গাঁৱৰ গাঁওবুঢ়া পিটাৰ মাওখিলঙে 'দৈনিক অগ্ৰদূত'ক কয় যে ভাৰতৰ প্ৰাক্-স্বাধীনতাৰ কালৰ পৰাই বৃহত্তম হাঁহিম অঞ্চলৰ স্থানীয় বাসিন্দাই অসমীয়া হৈ আৰু অসমীয়াৰ পৰিচয়পত্ৰ লৈ জীয়াই আছিল যদিও প্ৰতিদান হিচাপে কেৱল বঞ্চনা আৰু প্ৰতাৰণাৰ বলি হৈ আহিছে। গাঁওবুঢ়া পিটাৰ মাওখিলঙে কয়, 'আমাৰ ইয়াত ১৯৫৪তে চাৰিখনকৈ অসম চৰকাৰে প্ৰাথমিক বিদ্যালয় স্থাপন কৰিলে। পিছে প্ৰতিষ্ঠা কালৰ পৰা আজি পৰ্যন্ত কোনোদিন শিক্ষক নাহিল। আজিও প্ৰতি বিদ্যালয়ত দুইৰ পৰা তিনিগৰাকী শিক্ষক-শিক্ষয়িত্ৰী কৰ্মৰত হৈ আছে আৰু চৰকাৰী বেতন লাভ কৰি আছে; কিন্তু কোনো দিন পাঠদান নকৰাৰ ফলত আমাৰ ল'ৰা-ছোৱালীক মেঘালয়ৰ মলাং, নঙষ্টইন আদি চহৰলৈ পঠিয়াবলগীয়া হ'ল। ফলত নৱ প্ৰজন্মই নিজকে মেঘালয়ৰ বুলি চিনাকি দিবলৈ ভাল পাবলৈ ধৰিলে।'

গাঁওবুঢ়া মাওখিলঙে ক্ষোভ প্ৰকাশ কৰি কয় যে অসম চৰকাৰৰ শিক্ষকে অসম-মেঘালয় সীমান্তৰ হাঁহিম অঞ্চলৰ স্থানীয় বাসিন্দাৰ ল'ৰা-ছোৱালীক কোনোদিন অসমীয়া হিচাপে গঢ়ি তুলিব নোৱাৰিলে। পৰিতাপৰ বিষয় যে অসম-মেঘালয় সীমান্তৰ পাহাৰৰ দাঁতিয়ে দাঁতিয়ে বৈ থকা নদীখনক হাঁহিম বজাৰৰ পৰা আগলৈ অসমীয়া মানুহে শিঙৰা নদী বুলি নামকৰণ কৰি আহিছে যদিও শেহতীয়াকৈ সীমান্তৰ মাথাপোতা অঞ্চলৰ পৰা আগলৈ অৰ্থাৎ পশ্চিমলৈ স্থানীয় মানুহে 'ওমচেকপানী' বুলি নামকৰণ কৰিছে। তদুপৰি দুয়োখন ৰাজ্যৰ মাজত সীমা বুজাবুজিৰ সন্দৰ্ভত আলাপ-আলোচনা চলি থাকোতেই ইতিমধ্যে অসমীয়া গাঁও 'মাথাপোতা'ক ওমচেক গাঁও হিচাপে খাচি ভাষাত পুনৰ নামকৰণ কৰিছে। বৰ্তমান ওমচেক গাঁও অৰ্থাৎ পূৰ্বৰ অসমীয়া গাঁও মাথাপোতাৰ চৰকাৰী গাঁওবুঢ়া ক্ষমতাহীন আৰু মেঘালয় চৰকাৰে নিযুক্তি দিয়া গাঁওবুঢ়া পিটাৰ মাওখিলঙে আঠখন অসমীয়া গাঁৱৰ দায়িত্ব মেঘালয় চৰকাৰৰ প্ৰতিনিধি হৈ চম্ভালি আছে।

মেঘালয় চৰকাৰৰ হৈ গাঁওবুঢ়াৰ দায়িত্বত থাকি পিটাৰ মাওখিলঙে নিয়ন্ত্ৰণ কৰি থকা অসমীয়া গাঁওকেইখন হ'ল—ৰংথালি, ধূনাগুৰি, ওমচেক (পূৰ্বৰ মাথাপোতা) মেচপাৰা, মইপাৰা, মালাপাৰা ইত্যাদি। উক্ত গাঁওসমূহৰ বাসিন্দা ৭০ শতাংশ গাৰো জনজাতি আৰু ৩০ শতাংশ খাচি জনজাতিৰ লোক।

মাথাপোতা গাঁৱৰ (বৰ্তমানৰ ওমচেক) বয়োজ্যেষ্ঠ প্ৰায় ৯০ বছৰীয়া গেৰিচন মাৰাকে 'দৈনিক অগ্ৰদূত'ক কয়, 'সৰুতে দেখিছিলো, ককা-দেউতাহঁতে বগা ধুতি পিন্ধি নাম-কীৰ্তন গাইছিল। গাঁওখনত নামঘৰ প্ৰতিষ্ঠা কৰিবলৈ ভকতো মাতিবলৈ গৈছিল। পিছে ভিতৰুৱা, পাহাৰীয়া, জনজাতীয় অঞ্চল, স্থানীয় পাহাৰীয়া মানুহবোৰ বিশ্বাসযোগ্য নহয় বুলি কোনোৱে ভয়তে নাহিল। লাহে লাহে মানুহবোৰে নাম গাবলৈ এৰি গিৰ্জাত গৈ ভগৱান যীশুক উপাসনা কৰিবলৈ ধৰিলে। ভকতৰ দৰে অসম চৰকাৰৰ বিষয়ায়ো আমাক অৱহেলা কৰিলে। নিৰ্বাচনত ভোট ল'বলৈ অহাৰ বাহিৰে আমাৰ ওচৰলৈ কোনো নহা হ'ল। অসমীয়া হ'বলৈ আমি বহু দশক চেষ্টা কৰিলো; কিন্তু আমাক কোনোৱে আদৰি নল'লে। শেষ দিন পৰ্যন্ত আমাক অসমীয়া জাতি আৰু চৰকাৰে অসমীয়া হিচাপে গ্ৰহণ নকৰিলে। প্ৰতাৰিত হৈয়েই আমি বুকুৰ মাজত অসমীয়া হোৱাৰ সপোন লৈ চুবুৰীয়া মেঘালয়ত নতুন পৰিচয় বিচাৰি যাবলগীয়া হ'ল।'

অসম আৰু মেঘালয় চৰকাৰে আন্তঃৰাজ্যিক সীমা পুনৰ নিৰ্ধাৰণ সন্দৰ্ভত চলাই থকা আলাপ-আলোচনাৰ সন্দৰ্ভত স্থানীয় মানুহৰ মনত কি চলি আছে বুলি 'দৈনিক অগ্ৰদূত'ৰ প্ৰশ্নৰ উত্তৰত ৯০ বছৰীয়া গেৰিচন মাৰাকে সেমেকা চকুযুৰিৰে বৈ অহা চকুলো লুকুৱাবলৈ চেষ্টা কৰি থোকাথুকি মাতেৰে কয়, 'এই মুহূৰ্তত সকলোৱে অসমক বিদায় দিবলৈ সাজু হৈছে। কিছুদিনৰ পাছত নিজৰ চোতালতে অতীতৰ অসমী আইক বিচাৰিবগৈ লাগিব। সীমান্তত বাস কৰাটো একপ্ৰকাৰ অপৰাধ বুলি এটা ধাৰণাই সদায় আমাক খেদি ফুৰিব।'

উল্লেখ্য, বৃহত্তৰ হাঁহিম অঞ্চলৰ অসমীয়া গাঁও শালবাৰী, এক নম্বৰ হামোকা, দুই নম্বৰ হামোকা, মেলচাপাৰা, মালাং, জয়পুৰ, গামৰিমাৰা আদি গাঁৱৰো গৰিষ্ঠসংখ্যক বাসিন্দা গাৰো আৰু ৰাভা জনজাতিৰ লোক। উক্ত গাঁওসমূহৰ গাৰো বাসিন্দাও চুবুৰীয়া মেঘালয় চৰকাৰৰ সম্প্ৰসাৰিত উন্নয়নৰ ছবি দেখি অন্তৰ্ভুক্ত হ'বলৈ মন মেলিছে। আৰু এয়াই যদি হয় বৃহত্তৰ হাঁহিম অঞ্চলৰ কমেও ২০ খন অসমীয়া গাঁও চুবুৰীয়া ৰাজ্যখনত অন্তৰ্ভুক্ত হ'ব আৰু সেই সমগ্ৰ অঞ্চলৰ বাসিন্দাসকল ৰাজহুৱা শুনানিৰ বাবেও প্ৰস্তুত। হাঁহিম তিনি নম্বৰ লাটৰ জ্যেষ্ঠ নাগৰিক মনেশ্বৰ ৰাভাই এই সন্দৰ্ভত 'দৈনিক অগ্ৰদূত'ক কয়, 'অসম-মেঘালয় সীমান্তৰ হাঁহিম অঞ্চলত বিশেষকৈ অসমৰ পিনে উন্নয়ন বুলিবলৈ শূন্য। স্বাধীনতাৰ পিছ মুহূৰ্ততে, অৰ্থাৎ ৫০ দশকতে বনোৱা কেঁচা লুংলুঙীয়া ৰাস্তা আৰু চাৰিখন প্ৰাথমিক বিদ্যালয়ৰ বাহিৰে যোৱা ৭০ বছৰে একো নাপালে অঞ্চলবাসীয়ে। মেঘালয় চৰকাৰে নিজৰ সীমা অতিক্ৰম কৰি পকা ঘৰ, নলা-নৰ্দমা নিৰ্মাণ, পানী সংযোগ, পকী পথ নিৰ্মাণ, চৰকাৰী বিদ্যালয়, স্বাস্থ্য কেন্দ্ৰ নিৰ্মাণকে ধৰি শিক্ষিত যুৱক-যুৱতীক চৰকাৰী চাকৰিত মকৰল কৰিছে। জীৱন-জীৱিকাৰ বাবে ঘৰে ঘৰে বিভিন্ন আঁচনিৰ অধীনত আৰ্থিক সাহায্য দিয়াৰ উপৰি ধৰ্মীয়, সাংস্কৃতিক, সামাজিকভাৱে মানুহখিনিক আপোন কৰি পেলালে। এতিয়া অসম বুলি ক'লেই মানুহখিনিয়ে উচপ খাই উঠা যেন হয়।'

তাতোকৈ পৰিতাপৰ কথা, সমগ্ৰ হাঁহিম অঞ্চলৰ উঠি অহা যুৱক-যুৱতীসকলে সম্প্ৰতি বকো, মিৰ্জা, গুৱাহাটী চহৰতকৈ চুবুৰীয়া মেঘালয়ৰ পশ্চিম খাচি পাহাৰ জিলাৰ নঙষ্টইন আৰু মালাম চহৰ বুলি ক'লেহে বেছি আপোন আপোন বুলি ভাবিবলৈ লৈছে। শিক্ষা, ব্যৱসায়, ক্ৰীড়া, উৎসৱ, নিযুক্তি সকলোতে তেওঁলোকে চবুৰীয়া ৰাজ্যত অংশগ্ৰহণ কৰিলে বেছি সুৰক্ষিত আৰু নিশ্চিত অনুভৱ কৰে।

ধূনাগুৰি গাঁৱৰ (অসমীয়া গাঁও কিন্তু বৰ্তমান মেঘালয়ৰ বুলি পৰিচয় দিয়ে) বাসিন্দা তথা ২৮ বছৰীয়া যুৱক ক্লেমেন মাৰাকে 'দৈনিক অগ্ৰদূত'ক কয়, 'মিৰ্জা কলেজত নামভৰ্তি কৰিছিলো; কিন্তু অসমীয়া মানুহৰ ব্যৱহাৰত সহজ হ'ব নোৱাৰিলো। প্ৰথম বছৰতে গুচি আহিলো। নঙষ্টইনৰ পৰা স্নাতক ডিগ্ৰী সাং কৰি নেহু বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ কৰি বৰ্তমান মেঘালয় চৰকাৰৰ কৰ্মচাৰী। মেঘালয়ত ঘোচ নিদিয়াকৈয়ে চাকৰি পায়। এয়া আমাৰ কাৰণে ডাঙৰ সুবিধা। আমাৰ চামৰ সকলো ল'ৰা-ছোৱালী এতিয়াও আমি অসমীয়া যদিও ড্ৰাইভিং লাইচেঞ্চ, ভোটাৰ পৰিচয়পত্ৰ, পেন কাৰ্ড, আধাৰ কাৰ্ড, বেংক একাউণ্ট, জাতিৰ পৰিচয়পত্ৰ আদি সকলো মেঘালয় চৰকাৰৰ পৰাই উলিয়াই লৈছে। অসমত যিকোনো নথিপত্ৰ উলিয়াবলৈ হ'লে খোজে খোজে টকা লাগে। মেঘালয়তে সকলো নিয়মত হয়। গতিকে আমি ইতিমধ্যে মনে-প্ৰাণ মেঘালয়ৰ নাগৰিক।'

মেলচাপাৰা গাঁৱৰ বাসিন্দাৰো একেই ক্ষোভ। ৫০ বছৰীয়া এস্কপ্লৰ চাংমাই নিজৰ ক্ষোভ উজাৰি 'দৈনিক অগ্ৰদূত'ৰ আগত কয়, 'মোৰ ল'ৰাই বকোৰ পৰা অসমীয়া ছোৱালী ভাল পাই বিয়া কৰোৱা কাৰণে পুলিচে ধৰিছিল; কিন্তু শ্বিলঙত কাম কৰি তাতে চিনাকি হৈ জয়ন্তীয়া ছোৱালী বিয়া কৰালে। এতিয়া ল'ৰা-বোৱাৰীয়ে শান্তিত সংসাৰ কৰি আছে। অসমীয়া হৈ থাকিলে আমাৰ বহু দুখ আছে। এই কাৰণে মেঘালয়ত যোৱাটোৱে ঠিক আছে।' আচলতে বৃহত্তৰ হাঁহিম আৰু গীজাং অঞ্চলৰ ঘৰে ঘৰে লুকাই আছে ক্ষোভ, অভিমান আৰু প্ৰতাৰিত হোৱাৰ খং। এই ক্ষোভ আৰু অভিমান আজিৰ নহয়। মানুহখিনিয়ে ব্ৰিটিছৰ আমোলৰ পৰাই স্বনিৰ্বাসিত হৈ অন্য এখন পৃথিৱীত নিজকে প্ৰতিষ্ঠা কৰি আহিছে। এতিয়া সেইসমূহ অসমীয়া গাঁৱক অসম চৰকাৰে চুবুৰীয়া মেঘালয়ত অন্তৰ্ভুক্ত কৰাৰ অৰ্থ হ'ল—'আগতেও উন্নয়ন কৰা নাই আৰু এতিয়াও নকৰো। গতিকে উন্নয়ন বিনে যদি জীয়াই থাকিব নোৱাৰা তেন্তে চুবুৰীয়া ৰাজ্যলৈ যোৱা।'

স্বভাৱে-চৰিত্ৰই, চিন্তা-ধাৰণা সকলো পিনৰ পৰাই স্বাভিমানী অসমীয়া হৈ যুগ যুগ ধৰি গৌৰৱ কৰি থকা কিন্তু শেষত অসমী আইক অশ্ৰুসিক্ত নয়নেৰে বিদায় জনাবলৈ প্ৰস্তুত হোৱা অসম-মেঘালয় সীমান্তৰ সেইসমূহ গাঁৱৰ বাসিন্দাৰ ক্ষোভ ভৰা প্ৰতিক্ৰিয়া শুনি সকলোৰে মনত এটা প্ৰশ্ন স্বাভাৱিকতে আহিব। অসমৰ ৰাজধানী গুৱাহাটীৰ পৰা মাত্ৰ ৯৬ কিলোমিটাৰ দূৰত্বৰ গীজাং গাঁওখন ইমানেই দুৰ্গম আছিল নে যাক অসম চৰকাৰৰ উন্নয়নে ঢুকি নাপালে কিন্তু মেঘালয় চৰকাৰে ঢুকি পালে? মেঘালয়ৰ ৰাজধানী শ্বিলঙৰ পৰা দিনজোৱা বাটৰ দূৰত্বত অৱস্থিত গীজাঙক মেঘালয় চৰকাৰৰ উন্নয়নে ঢুকি পালে কিন্তু দিছপুৰৰ পৰা মাত্ৰ দুঘণ্টাৰ দূৰত্বৰ গীজাঙত অসম চৰকাৰৰ উন্নয়নে ঢুকি নাপালে কিয়? এই সকলোবোৰ প্ৰশ্নৰ উত্তৰ বিচাৰি মনৰ মাজতে কিবা ভাবি গীজাং এৰি অহা বাটত গাঁওবাসীয়ে পিছপিনৰ পৰা ৰিঙিয়াই থকা যেন অনুভৱ হ'ল—'অ' বন্ধু, সময় পালে, আমাৰ ফালে/এবাৰ আহি যাবা/সহজ সৰল গাঁৱৰ জীৱন/খন্তেক ৰৈ চাবা/এবাৰ আহি যাবা।'

# জ্ঞানৰ পূজাৰীৰ মৃত্যু অভিমন্যুৰ মৃত্যুতকৈয়ো শোকাবহ

## ■ কৃতী শিক্ষক, ক্ৰীড়া সংগঠক দীপক শৰ্মাক ৰাজহুৱা স্মৰণ

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ৩০ জানুৱাৰী ঃ** বিশিষ্ট ক্ৰীড়া সংগঠক, কৃতী শিক্ষক দীপক শৰ্মাৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি আৰু স্মৃতিচাৰণ সভা আজি অনুষ্ঠিত হয়। বৰমূৰিকোণাৰ নিজ গৃহত গো-পূজা থান উন্নয়ন সমিতি আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহযোগত অনুষ্ঠিত ৰাজহুৱা আদ্যশ্ৰাদ্ধত পুৱা সৰ্বধৰ্ম প্ৰাৰ্থনা, ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত জিলা ক্ৰীড়া সন্থা, বালিকুছি মজলীয়া বিদ্যালয়, গ্ৰাম্য বিকাশ মঞ্চ, সদৌ অসম সাংবাদিক সন্থা, নলবাৰী জিলা ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ জিলা সমিতি, বৰবৰী আঞ্চলিক ছাত্ৰ সন্থা, বৰবৰী শাখা সাহিত্য সভা, বৰবৰী থান উন্নয়ন সমিতি, বৰবৰী হাইস্কুল, ড° কাশীনাথ শৰ্মা বালিকা বিদ্যাপীঠ, আঞ্চলিক কল্যাণ সমাজ বৰবৰী, যুৱমঞ্চ বৰবৰী, লক্ষ্মী সঞ্চয় আৰু ঋণদান সমবায় সমিতি, শিৱানী সঞ্চয় আৰু ঋণদান সমবায় সমিতি, কল্যাণী মাল্টিপাৰপাছ কোঃঅপাৰেটিভ ছ'চাইটি, বালিকুছি শ্ৰমিক সংঘ, বাউসী উদয়পুৰ গাঁও উন্নয়ন সমিতি, বালিকুছি গাঁও উন্নয়ন সমিতি নামডোঙা গাঁও উন্নয়ন সমিতি, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ পূব নলবাৰী সমিতি, পাজিপৰ প্ৰাথমিক বিদ্যালয়, নলবাৰী জিলা মজলীয়া শিক্ষক সন্থা, বৰবৰী ভলীবল ক'চিং চেণ্টাৰ, শ্ৰীমন্ত শংকৰদেৱ এম ই স্কুল, গো পূজা ব্যৱসায়ী সন্থা, নলবাৰী আঞ্চলিক কৰ্মচাৰী পৰিষদ, অসম ভেলী একাডেমী আদি ভালেমান অনুষ্ঠান-প্ৰতিষ্ঠানে প্ৰয়াত কৃতী শিক্ষক, সমাজহিতৈষী শৰ্মাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আয়োজক সমিতিৰ সম্পাদক নৰকুমাৰ ডেকাই আঁতধৰা আৰু অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰজনী ভূঞাৰ পৌৰোহিত্যত অনুষ্ঠিত স্মৃতিচাৰণ সভাত প্ৰয়াত শৰ্মাৰ 'সোঁৱৰণীৰ দস্তাবেজ' নামৰ স্মৰণিকাখন উন্মোচন কৰে অৱসৰপ্ৰাপ্ত কৃতী শিক্ষক তথা অসম ভেলী একাডেমীৰ অধ্যক্ষ অনুপম বৰ্মা মজুমদাৰে। স্মৰণিকা উন্মোচন কৰি তেওঁ কয় যে দীপক শৰ্মা এজন কৃতী শিক্ষকেই নাছিল, তেওঁ আছিল এগৰাকী ক্ৰীড়া অনুৰাগী আৰু সমাজক ভালপোৱা লোক। এনে ব্যক্তিৰ অকাল মৃত্যুৱে দহৰ লগতে সমাজৰ ক্ষতি কৰে। তথাপি আমি তেওঁৰ আদৰ্শ সমাজত সদায় জীয়াই ৰাখিব লাগিব। সভাত জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মাই কয় যে দীপক শৰ্মাৰ মৃত্যু সঁচাকৈয়ে অসহনীয়। তেওঁ এজন কৃতী শিক্ষক আছিল। জ্ঞান মন্দিৰৰ পূজাৰীৰ মৃত্যু অভিমন্যুৰ মৃত্যুতকৈয়ো শোকাবহ। শৰ্মাই তাৰেই উমান দি গৈছে। কৃতী শিক্ষকজনৰ জীৱন কৃতি স্মৰণ কৰি সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক ভৱজিৎ বেজবৰুৱাই কয় যে ক্ৰীড়ানুৰাগী শৰ্মাৰ অকাল মৃত্যুত এখন সমাজে কান্দি উঠাতো বৰ ডাঙৰ কথা। এজন শিক্ষকৰূপে পৰিচিত শৰ্মাৰ মৃত্যু সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলি ছাত্ৰ নেতাজনে প্ৰকাশ কৰে। সভাত নলবাৰী ক্ৰীড়া সন্থাৰ সভাপতি মনোজ কুমাৰ চৌধুৰীয়ে প্ৰয়াত শিক্ষক শৰ্মাৰ স'তে দীৰ্ঘ বছৰৰ সান্নিধ্যৰ কথা সোঁৱৰণ কৰে। তেওঁ শৰ্মাক সমাজ জীৱনত জীয়াই ৰখাৰ বাবে নলবাৰী ক্ৰীড়া সন্থাৰ উদ্যোগত এটা সোঁৱৰণী ট্ৰফী চলোৱাৰ কথা ঘোষণা কৰে। অনুষ্ঠানত অভিৰুচিৰ সম্পাদক বলেন্দ্ৰ মোহন চক্ৰৱৰ্তী, বৰভাগ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ফণীধৰ ডেকা, জিলা ক্ৰীড়া সন্থাৰ উপ-সভাপতি সত্যেন শৰ্মা, জিলা উকীল সন্থাৰ সভাপতি দীপুল তালুকদাৰকে ধৰি ভালেমান বিশিষ্ট ব্যক্তিয়ে প্ৰয়াত কৃতী শিক্ষকজনৰ জীৱনৰ ওপৰত আলোকপাত কৰে। উল্লেখ্য যে কৃতী শিক্ষকজনে যোৱা ২০ জানুৱাৰীত হঠাৎ উচ্চ ৰক্তচাপত আক্ৰান্ত হৈ অকালতে মৃত্যুক আঁকোৱালি ল'লে।



# মঞ্চ-চলচ্চিত্ৰ জগতৰ কিংবদন্তি অভিনেত্ৰী অনুপমা ভট্টাচাৰ্যৰ বিয়োগ

*এক পৃষ্ঠাৰ পৰা* আজন্ম শিল্পীগৰাকীৰ বিয়োগত ৰাজ্যৰ সাংস্কৃতিক মহলত গভীৰ শোকৰ ছাঁ পৰিছে। ক'ভিড বিধি পালন কৰি কাইলৈ মহানগৰীৰ উলুবাৰী শ্মশানত তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হ'ব।

গোটেই জীৱনটোৱেই বিষাদৰ বোজা কঢ়িয়াই ফুৰা অনুপমা ভট্টাচাৰ্যৰ ওঁঠত ওলমি থকা হাঁহিটো কিন্তু কোনোদিনেই ম্লান হোৱা নাছিল। সেই হাঁহিটোৱে তেওঁৰ প্ৰতি সকলোৰে আকৰ্ষণ বঢ়াইছিল। কি মঞ্চ, কি চলচ্চিত্ৰ সকলো মাধ্যমতে তেওঁৰ অভিনয় প্ৰত্যক্ষ কৰিবলৈ মানুহ এটা সময়ত হিলদল ভাঙি প্ৰেক্ষাগৃহলৈ আহিছিল। অসমৰ ঐতিহ্যমণ্ডিত ভ্ৰাম্যমাণ থিয়েটাৰৰ প্ৰথমগৰাকী মহিলা গ্লেমাৰ শিল্পী অনুপমা ভট্টাচাৰ্যৰ ৰন্ধ্ৰে ৰন্ধ্ৰে আছিল অভিনয় প্ৰতিভা। তাহানিৰ ৰক্ষণশীলতাৰ কঠিন বান্ধোন ছিঙি সেয়ে তেওঁ ওলাই আহিছিল অভিনয়ৰ ক্ষেত্ৰখনলৈ। ইয়াৰ বাবে সামাজিক ককৰ্থনাৰো তেওঁ বলি হ'ব লগা হৈছিল।

জন্মসূত্ৰে অনুপমা ভট্টাচাৰ্যৰ নাম আছিল অনুপমা বেজবৰুৱা। ১৯২৮ৰ ১৯ আগষ্টত শিৱসাগৰৰ আমোলাপট্টিত তেওঁৰ জন্ম হৈছিল। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ পৰিয়ালৰ ভট্টাচাৰ্যৰ পিতৃ-মাতৃ আছিল গোপাল বেজবৰুৱা আৰু গুণদা বেজবৰুৱা। বকুল বনৰ কবি আনন্দ চন্দ্ৰ বৰুৱা আছিল তেওঁৰ মোমায়েক। শিৱসাগৰৰ দুলেশ্বৰী হাইস্কুলত শিক্ষা গ্ৰহণ কৰা অনুপমা ভট্টাচাৰ্যৰ বাল্য বিবাহ হৈছিল। সেই সময়ৰ ব্ৰাহ্মণ সমাজৰ নিয়ম পালন কৰি ন বছৰ বয়সতে উদয় ভট্টাচাৰ্যৰ লগত তেওঁৰ বিবাহ সম্পন্ন হৈছিল। কিন্তু বিবাহৰ কেইমাহমানৰ পাছতে টাইফয়ড জ্বৰত আক্ৰান্ত হৈ উদয় ভট্টাচাৰ্যৰ মৃত্যু হয়। বিয়া কি বুজি নোপোৱা সময়তে বিধৱা হোৱা অনুপমাৰ সিৰাই সিৰাই অংকুৰিত হৈছিল নৃত্য, গীত, অভিনয়ৰ বীজ। সেয়েহে ১১ বছৰ বয়সত শিৱসাগৰৰ মঞ্চত তেওঁ প্ৰথম অভিনয় কৰিবলৈ সক্ষম হৈছিল। তাৰ পাছৰ পৰা আৰু তেওঁ ঘূৰি চাবলগীয়া হোৱা নাছিল। অৱশ্যে ইয়াৰ বাবে তেওঁ পৰিয়ালৰ সকলোৱে পৰা সহযোগিতা পোৱা নাছিল; কিন্তু মাতৃৰ সহযোগিতাত বাধাৰ মাজতো তেওঁ আগবাঢ়ি যাবলৈ সক্ষম হৈছিল।

নটসূৰ্য ফণী শৰ্মাই ৬০ৰ দশকত নিৰ্মাণ কৰিছিল অসমীয়া অন্যতম জনপ্ৰিয় ছবি 'চিৰাজ'। ছবিখনৰ বাবে এগৰাকী ভাল অভিনেত্ৰীৰ সন্ধান কৰিছিল বিষ্ণুপ্ৰসাদ ৰাভা আৰু ফণী শৰ্মাই। তেওঁলোকে বিচাৰি উলিয়াইছিল অনুপমা ভট্টাচাৰ্যক। 'চিৰাজ'ৰ মাধ্যমেৰে অসমীয়া ছবিজগতে অনুপমা ভট্টাচাৰ্যৰ জৰিয়তে লাভ কৰিছিল এগৰাকী অনন্য অভিনেত্ৰীক। ছবিখনত 'চিৰাজ' হৈছিল বিষ্ণুপ্ৰসাদ ৰাভা আৰু আঘোনাকাই হৈছিল ফণী শৰ্মা। 'চিৰাজ'ৰ কাম চলি থকাৰ সময়তে সংগীত পৰিচালক আৰু গায়ক শিৱপ্ৰসাদ ভট্টাচাৰ্যই অনুপমা ভট্টাচাৰ্যক বিবাহৰ প্ৰস্তাৱ দিছিল। সেই সময়ৰ সমাজ ব্যৱস্থাত এগৰাকী ব্ৰাহ্মণৰ বিধৱাক বিবাহ কৰোৱাটো ডাঙৰ প্ৰত্যাহ্বান আছিল। তেনে প্ৰত্যাহ্বান নেওচি শিৱপ্ৰসাদ ভট্টাচাৰ্যই অনুপমাক বিবাহ কৰাইছিল। কিন্তু বিয়াৰ তিনি বছৰ পাছত দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ শিৱপ্ৰসাদ ভট্টাচাৰ্যৰো মৃত্যু হয়। তেওঁলোকৰে সন্তান আছিল যশস্বী গায়িকা প্ৰয়াত ৰুণুমী ঠাকুৰ।

দ্বিতীয়বাৰ ২২ বছৰ বয়সত স্বামীহাৰা হোৱাত অনুপমা ভট্টাচাৰ্য পিতৃগৃহলৈ উভতি যায়। ইতিমধ্যে 'চিৰাজ'ৰ জৰিয়তে অসমৰ ৰাইজৰ মাজত অতিকৈ জনপ্ৰিয় হৈ পৰিছিল তেওঁ। কিন্তু মনত অভিনয়ৰ দুৰ্বাৰ হেঁপাহ থকা সত্ত্বেও তেওঁ আৰু এই দিশত আগবাঢ়ি নোযোৱাৰ সিদ্ধান্ত লৈছিল।

### ভ্ৰাম্যমাণত অনুপমা ভট্টাচাৰ্য

১৯৬৩ত প্ৰথম অসমীয়া ভ্ৰাম্যমাণ থিয়েটাৰ নটৰাজ থিয়েটাৰৰ বাবে অচ্যুৎ লহকৰে এগৰাকী প্ৰতিষ্ঠিত মহিলা শিল্পী বিচাৰিছিল। তেতিয়া শোণিতকোঁৱৰ গজেন বৰুৱা অনুপমা ভট্টাচাৰ্যৰ ঘৰলৈ যায় আৰু তেওঁক পুনৰ অভিনয়ৰ বাবে সৈমান কৰি নটৰাজলৈ আনে। সেই সূত্ৰে অনুপমা ভট্টাচাৰ্য অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰৰ প্ৰথমগৰাকী মহিলা গ্লেমাৰ শিল্পী। তেওঁৰ নামতে ভ্ৰাম্যমাণৰ নাটক চাবলৈ দৰ্শক প্ৰেক্ষাগৃহলৈ হিলদল ভাঙি আহিছিল। পাছত আৰু কে'বাখনো ভ্ৰাম্যমাণ থিয়েটাৰত তেওঁ দুৰ্দান্ত অভিনয় কৰিছিল।

ভ্ৰাম্যমাণৰ লগতে তেওঁ ছবিতো অভিনয় কৰে। শিৱপ্ৰসাদ ভট্টাচাৰ্য জীৱিত থকা অৱস্থাত অনুপমা ভট্টাচাৰ্যই মুখ্য নাৰী চৰিত্ৰত অভিনয় কৰা আন এখন ছবি আছিল 'বিপ্লৱী'। পৰৱৰ্তী সময়ত তেওঁ অভিনয় কৰা কেইখনমান ছবি হ'ল— সৰাপাত, নিমিলা অংক, নতুন পৃথিৱী, ৰাংঢালী, তৰামাই, মৰম, মানৰ আৰু দানৰ, আদালত আৰু অকণ।

### সন্মান আৰু বঁটা

১৯৯৪ত অসম চৰকাৰৰ শিল্পী পেঞ্চন লাভ কৰা অনুপমা ভট্টাচাৰ্যক ১৯৯৭ত বিষ্ণু ৰাভা বঁটা, ২০০৪ত আইদেউ সন্দিকৈ বঁটা, ২০০৫ত প্ৰমথেশ বৰুৱা বঁটা প্ৰদান কৰা হয়। ২০০৮ত তেওঁক মুংগীদেৱী গোৱেংকা মেম'ৰিয়েল বঁটাও আগবঢ়োৱা হয়। তদুপৰি আন বহু সন্মানেৰে তেওঁ সন্মানিত হৈছিল।

### শেষ জীৱন

জীৱনত ইজনৰ পাছত সিজন আপোনক হেৰুওৱা অনুপমা ভট্টাচাৰ্যৰ জী-জোঁৱাই বিশিষ্ট শিল্পী ভবেশ ঠাকুৰ আৰু ৰুণুমী ঠাকুৰৰো অকালতে মৃত্যু হয়। তাৰ পাছত বিশিষ্ট কাৰ্টুনিষ্ট প্ৰয়াত ত্ৰৈলোক্য দত্তৰ লগত তেওঁ বাস কৰে। এবছৰ পূৰ্বে ত্ৰৈলোক্য দত্তৰো বিয়োগ ঘটে। তেতিয়াৰে পৰা নাতিনীৰ পৰিচৰ্যাত মহানগৰীৰ লখিমীনগৰৰ বাসগৃহত তেওঁ বাস কৰিছিল।

### শোক প্ৰকাশ

বিশিষ্ট অভিনেত্ৰী অনুপমা ভট্টাচাৰ্যৰ বিয়োগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গভীৰ শোক প্ৰকাশ কৰিছে। ভট্টাচাৰ্যৰ মৃত্যুত অসমৰ সাংস্কৃতিক জগতলৈ অপূৰণীয় ক্ষতি বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰায়ো অভিনেত্ৰীগৰাকীৰ বিয়োগত শোক প্ৰকাশ কৰিছে। এক শোকবাৰ্তাত মন্ত্ৰী বৰাই কয় যে অনুপমা ভট্টাচাৰ্যই আগবঢ়াই যোৱা অৱদানৰ কথা ৰাজ্যবাসীয়ে চিৰদিন মনত ৰাখিব।

# কৰিমগঞ্জত নিশা আৰক্ষীৰ গুলিত আহত দুষ্কৃতিকাৰী

**বিশেষ সংবাদদাতা**
**কৰিমগঞ্জ, ৩০ জানুৱাৰী ঃ** কৰিমগঞ্জত আৰক্ষীৰ 'ভুৱা সংঘৰ্ষত আহত হ'ল এজন দুষ্কৃতিকাৰী। যোৱা ২৮ জানুৱাৰীৰ নিশা পাথাৰকান্দিত আৰক্ষীৰ জিম্মাৰ পৰা পলায়নৰ অপচেষ্টা চলোৱা এজন অভিযুক্ত গুলিবিদ্ধ হয়। আৰক্ষী সূত্ৰই জনোৱা মতে, সম্প্ৰতি ভাৰত-বাংলাদেশ সীমান্তৰ লক্ষীপুৰ অঞ্চলত মিনু আহমেদ নামৰ এজন লোকক গুলীয়াইছিল কিছু দুষ্কৃতিকাৰীয়ে। এই ঘটনাৰ তদন্ত কৰি পাথাৰকান্দি আৰক্ষীয়ে চাৰিজন লোকক আটক কৰিছিল। তেওঁলোকক সোধপোছৰ অন্তত আৰক্ষীয়ে জানিব পাৰে যে গুলি চলাইছিল শ্বৰিফুল হুছেইন ওৰফে ময়না মিঞা নামৰ দুষ্কৃতিকাৰীজনে। ইয়াৰ পাছতে আৰক্ষীয়ে ময়নাক আটক কৰি গুলিচালনা কৰা বন্দুকটো উদ্ধাৰৰ বাবে যোৱা নিশা পাথাৰকান্দি আৰক্ষীয়ে অভিয়ান চলায়। বন্দুক উদ্ধাৰৰ পাছতে অভিযুক্ত ময়নাই আৰক্ষীক আক্ৰমণ কৰি পলায়নৰ অপচেষ্টা চলায়। তেতিয়াই আৰক্ষীয়ে গুলি চলোৱাত ময়নাৰ ভৰিত গুলি লাগে। ইয়াৰ পাছতে আহত ময়নাক আৰক্ষীয়ে কৰিমগঞ্জ অসামৰিক চিকিৎসালয়লৈ নিয়ে। সম্প্ৰতি ধৃত দুষ্কৃতিকাৰীজন চিকিৎসাধীন হৈ আছে।

# বিশ্বনাথৰ চৰকাৰী বিদ্যালয় নিৰ্মাণৰ নামত ব্যাপক দুৰ্নীতিৰ অভিযোগ

## ■ গৃহ মুকলিৰ দুমাহ নৌহওঁতেই ভৱনত ছিৰাল ফাট

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ৩০ জানুৱাৰী ঃ** বিশ্বনাথৰ পাভৈত নিৰ্মাণ হোৱা এখন আৱাসিক চৰকাৰী বিদ্যালয়ৰ নাম হৈছে আদৰ্শ বিদ্যালয় সাকোমঠা। বিশ্বনাথৰ অসম-অৰুণাচল সীমান্তৱৰ্তী অঞ্চল পাভৈত এই আৱাসিক বিদ্যালয়খন প্ৰতিষ্ঠা কৰাৰ বাবে স্থানীয় ৰাইজে নিজৰ সন্তানৰ ভৱিষ্যতক লৈ বহু সপোন দেখিছে। ইতিমধ্যে বিদ্যালয়খনৰ নিৰ্মাণৰ কাম ৯০ শতাংশ সম্পূৰ্ণ হৈছে যদিও যোৱাটো শিক্ষা বৰ্ষৰ বাবে বিদ্যালয়ত ইতিমধ্যে প্ৰথমবাৰৰ বাবে ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা হৈছে আৰু দুমাহ পূৰ্বে এই বিদ্যালয় উদ্বোধনো কৰা হয়। কিন্তু বিদ্যালয়ৰ নিৰ্মাণৰ কাম ১০ শতাংশ বাকী থকা অৱস্থাত এতিয়া পোহৰলৈ আহিছে বিদ্যালয়ৰ গৃহ নিৰ্মাণক লৈ হোৱা দুৰ্নীতিৰ তথ্য। কোটি কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা এই আৱাসিক বিদ্যালয়খনৰ কাম সম্পূৰ্ণ নৌহওঁতেই ভৱনৰ যেনি-তেনি দেখা গৈছে বৃহৎ বৃহৎ ফাট। যাৰ বাবে নিৰ্মাণৰ দায়িত্বত থকা কৰ্মচাৰীয়ে এতিয়া এই ফাটবোৰ নেদেখা কৰিবলৈ চিমেণ্টৰ ঘোলা আৰু তাৰ পাছতে ৰং মাৰি ঢাকিবলৈ উঠি-পৰি লাগিছে। যাৰ বাবে তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰি এই ক্ষেত্ৰত এক তদন্ত দাবী কৰিছে পাভৈ আছু তথা বিশ্বনাথ আছুৱে। ইফালে, আৱাসিক বিদ্যালয়খনৰ ভৱনক লৈ ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱকসকল শংকিত হৈ পৰিছে। কাৰণ কোনোবা মুহূৰ্তত যদি ভূমিকম্পৰ জোঁকাৰণি আহে তেন্তে বিদ্যালয়খনৰ ভৱন খহি পৰাটো কোনোৱে নুই কৰিব নোৱাৰে।

# জ্যেষ্ঠ নাগৰিকৰ জিলা অধিবেশনৰ দিন নিৰ্ধাৰণ

**বিশেষ সংবাদদাতা**
**ডিব্ৰুগড়, ৩০ জানুৱাৰী ঃ** ডিব্ৰুগড় জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ তৃতীয় দ্বি-বাৰ্ষিক পূৰ্ণাংগ অধিবেশন বৰবৰুৱা শাখাৰ উদ্যোগত অহা ২৬ ফেব্ৰুৱাৰীত দিনজোৱা কাৰ্যসূচীৰে বৰবৰুৱা ছ্যুকাফা ভৱনত অনুষ্ঠিত হ'ব। এই উপলক্ষে উদ্‌যাপন সমিতিৰ সভাপতি নোমল চন্দ্ৰ গগৈৰ সভাপতিত্বত ২৯ জানুৱাৰীত ছ্যুকাফা ভৱনত উদ্‌যাপন সমিতিৰ এখন সাধাৰণ সভা অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে সম্পাদক সুৰেশ কালান্দীয়ে উদ্দেশ্য ব্যাখ্যা কৰাৰ পাছত অধিবেশনৰ কাৰ্যসূচীৰ চূড়ান্ত ৰূপ দিয়া হয়। কাৰ্যসূচী অনুষ্ঠিত সিদিনা পুৱা পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণ কৰিব ক্ৰমে সন্মিলনৰ সভাপতি সৃষ্টিধৰ দত্ত আৰু কাৰ্যকৰী সভাপতি মণিকান্ত চেতিয়াই। ডাঃ বিপিন্দ্ৰ নাথ কাকতিয়ে প্ৰতিনিধি আৰু বিষয় বাছনি সভা উদ্বোধন কৰাৰ পাছত ড° সৃষ্টিধৰ দত্তৰ সভাপতিত্বত অনুষ্ঠিতব্য মুকলি সভাত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব নিৰ্মল চাহেৰালাই।

# সমীন কলিতা-বেদীশ চন্দ্ৰ নাথক সংবাদ ইন্দ্ৰ গ্ৰাম্য বঁটা প্ৰদান



**অগ্ৰদূত বাৰ্তা**
**আগিয়া, ৩০ জানুৱাৰী ঃ** সাংবাদিক কৰ্ম পৰিষদ অসমৰ গোৱালপাৰা জিলা সমিতিয়ে আগিয়াৰ প্ৰয়াত সাংবাদিক ইন্দ্ৰমোহন হাকাচামৰ নামত ২০০৮ৰ পৰা প্ৰৱৰ্তন কৰি অহা সংবাদ ইন্দ্ৰ গ্ৰাম্য বঁটা ২০২১ৰ বঁটা কামৰূপ জিলাৰ হাজোৰ সাংবাদিক সমীন কলিতাক আৰু ২০২০ৰ বঁটা গোৱালপাৰা জিলাৰ লক্ষীপুৰৰ প্ৰাগ নিউজৰ সাংবাদিক বেদীশ চন্দ্ৰ নাথক কালি প্ৰদান কৰা হয়। সেই উপলক্ষে টুকুৰা মধ্য ইংৰাজী বিদ্যালয় প্ৰাংগণত আয়োজিত বঁটা বিতৰণী সভাত সাংবাদিক সমীন কলিতাক বঁটা প্ৰদান কৰে ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই আৰু বেদীশ চন্দ্ৰ নাথক বঁটা প্ৰদান কৰে কৃষ্ণাই হাব্ৰাঘাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মণ্টু কুমাৰ দাসে। বঁটা গ্ৰহণ কৰি বৰ্ষীয়ান সাংবাদিক কলিতাই কয় যে ১৯৭২ৰ পৰাই সংবাদ সেৱাৰ স'তে জড়িত হৈ সম্প্ৰতি 'দৈনিক অসম'ৰ হাজোৰ সাংবাদিকৰূপে সংবাদ সেৱা আগবঢ়াই আছে। সংবাদ সেৱাৰ উপৰি কলিতাই সাহিত্য চৰ্চাও অব্যাহত ৰাখি বৰ্তমানলৈকে তেওঁৰ ৫০ খনৰো অধিক গ্ৰন্থ প্ৰকাশ পোৱা বুলি সদৰী কৰে। আনজন বঁটা প্ৰাপক যুৱ সাংবাদিক নাথে উক্ত বঁটা প্ৰাপ্তিয়ে সাংবাদিকতাৰ ক্ষেত্ৰখনত অধিক গতিশীল হোৱাৰ সুযোগ দিয়া বুলি প্ৰকাশ কৰে। ৰাভা হাছঙৰ মুখ্য কাৰ্যবাহী টংকেশ্বৰ ৰাভাই সংবাদ ইন্দ্ৰ গ্ৰাম্য বঁটা নিয়াৰিকৈ নিবলৈ আগন্তুক বৰ্ষৰ পৰা প্ৰতিবছৰে পৰিষদৰ পৰা ৫০ হেজাৰকৈ টকা প্ৰদান কৰিব বুলি ঘোষণা কৰে। অনুষ্ঠানৰ কাৰ্যসূচী অনুসৰি প্ৰয়াত সাংবাদিক ইন্দ্ৰ মোহন হাকাচামৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ জিলা সমিতিৰ উপদেষ্টা বেনজিন বড়োৱে। জিলা সভাপতি নীলমণি শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত বঁটা বিতৰণী সভা উদ্বোধন কৰে জিলা সমিতিৰ উপদেষ্টা চৈয়দ ৰবিউল হকে। হকে ৯০ দশকৰ সংকটকালৰ সাংবাদিকতাৰ ভয়াৱহতা বিশ্লেষণ কৰি কয় যে সেই তাহানিৰ পৰা আজিও গ্ৰাম্য সাংবাদিকসকল উপেক্ষিত আৰু বঞ্চিত। সেয়ে গ্ৰাম্য সাংবাদিকসকলৰ আৰ্থিক দিশটোত মালিকপক্ষই গুৰুত্ব দিব লাগে বুলি প্ৰকাশ কৰে সভাত শলাগৰ শৰাই আগবঢ়ায় জিলা সমিতিৰ সম্পাদক কন্দৰ্প নাথে।

# মাজুলী মহাবিদ্যালয়ৰ উদ্যোগত ৰাষ্ট্ৰীয় কন্যা শিশু দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**
**কমলাবাৰী, ৩০ জানুৱাৰী ঃ** সমগ্ৰ দেশজুৰি অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় কন্যা শিশু দিৱস উপলক্ষে মাজুলী মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ সৌজন্যত এক অভিনৱ সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এখন সুস্থ সমাজ গঢ়াত এগৰাকী কন্যা শিশুৰ গুৰুত্বক অৱলোকন কৰি মাজুলীৰ তুলনামূলকভাৱে ভিতৰুৱা, মাজুলী মহাবিদ্যালয়ৰ অন্যতম তোলনীয়া গাঁও বোকাবিল মিচিং গাঁৱৰ দুগৰাকীকৈ প্ৰতিভা সম্পন্ন ছাত্ৰী ক্ৰমে জোনমণি ৰেগন আৰু নিকুমণি পায়েঙক গোটৰ তৰফৰ পৰা গামোচা, মানপত্ৰ আৰু কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। এই উপলক্ষে বোকাবিল মিচিং প্ৰাথমিক বিদ্যালয়ত কালি আয়োজিত সভাৰ আঁত ধৰে ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ মাজুলী মহাবিদ্যালয় গোটৰ কাৰ্যক্ৰম বিষয়া তথা অধ্যাপক ড° অৰূপ বুঢ়াগোহাঁয়ে। অনুষ্ঠানটোত মুখ্য অতিথিৰূপে উপস্থিত থাকি মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই দিৱসটোৰ তাৎপৰ্য ব্যাখ্যা কৰি কয় যে এসময়ত অৱলা-নিৰলা বুলি আমাৰ সমাজত বিবেচিত হোৱা মহিলাসকলৰ যে পুৰুষতকৈ অধিক বিচক্ষণ, সেই কথা ইতিমধ্যে প্ৰমাণিত হৈছে। মিচিং সম্প্ৰদায়ৰ মহিলাসকলে দৈনন্দিন জীৱনত প্ৰদৰ্শন কৰা দায়িত্বশীল ভূমিকাৰ বিশেষ প্ৰসংগ উল্লেখ কৰি অধ্যক্ষ ড° শইকীয়াই গ্ৰামাঞ্চলৰ লোকসকলক পুত্ৰ-কন্যাৰ মাজত কোনো কালে বিভেদ নানিবলৈ আহ্বান জনায়। অনুষ্ঠানত উপস্থিত থাকি বোকাবিল মিচিং প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক পৱন গামে মহাবিদ্যালয়খনে হাতত লোৱা এনে উৎসাহজনক পদক্ষেপৰ শলাগ লোৱাৰ লগতে শিক্ষানুষ্ঠানখনৰ পৰৱৰ্তী সকলো কাৰ্যসূচীত সৰ্বোতোপ্ৰকাৰে সহযোগ কৰাৰ আশ্বাস প্ৰদান কৰে। সম্পূৰ্ণ ক'ভিড নীতি মানি অনুষ্ঠিত কৰা সভাত মহাবিদ্যালয়ৰ অধ্যাপিকা ইন্দিৰা বড়া, ড° জুলী গগৈ, ড° দেৱজ্যোতি ভট্টাচাৰ্য, ড° আমিনুল ইছলাম, আচাৰ্য মোহন দাস, স্থানীয় গাঁওবুঢ়া মোহন গাম আদিয়ে বক্তব্য আগবঢ়ায়। স্থানীয় ৰাইজ আৰু প্ৰায় ২০জনৰো অধিক স্বেচ্ছাসেৱকে অংশগ্ৰহণ কৰা অনুষ্ঠানত বোকাবিল গাঁৱৰ উদীয়মান যুৱক দেৱজিৎ পায়েং আৰু ৰত্নেশ্বৰ ৰেগনে উপস্থিত সকলোকে আদৰণি জনায়।

# গোৱালপাৰাত গ্ৰন্থ উন্মোচন

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ৩০ জানুৱাৰী ঃ** সদৌ অসম লেখিকা সমাৰোহৰ গোৱালপাৰা জিলা শাখাৰ উদ্যোগত সন্ধ্যা অধিকাৰীয়ে যুগুতাই উলিওৱা 'প্ৰশ্ন আৰু উত্তৰৰ মাজেৰে শ্ৰীমদ্ভাগৱতৰ কিছু কথা' নামৰ গ্ৰন্থখন উন্মোচন কৰা হয়। এই উপলক্ষে গোৱালপাৰা চহৰৰ বাপুজীনগৰস্থিত ৰাজহুৱা প্ৰেক্ষাগৃহত যোৱা ২৮ জানুৱাৰীত অনুষ্ঠিত সভাত গ্ৰন্থখন উন্মোচন কৰে বগুৱান কেৰলীয়া হাটীসত্ৰৰ জয়ৰাম নাথে। লেখিকা সমাৰোহৰ সভানেত্ৰী তথা লেখিকা গীতা দেৱীৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত অৱসৰপ্ৰাপ্ত অধ্যাপক উত্তম শৰ্মা, সমাজকৰ্মী শৈলেন দাস আৰু চিত্তৰঞ্জন কলিতা উপস্থিত থাকে। সম্পূৰ্ণ ধৰ্মীয় পৰিৱেশৰ মাজত শংখধ্বনি তাল বজাই এক আধ্যাত্মিক পৰিৱেশৰ মাজত গ্ৰন্থ উন্মোচন কৰা হয়। উল্লেখ্য যে বিভিন্ন ধৰণৰ গ্ৰন্থ প্ৰকাশ পাই আহিছে যদিও এয়া এক ব্যতিক্ৰমী প্ৰচেষ্টা কৰিছে গোৱালপাৰাৰ সন্ধ্যা অধিকাৰীয়ে। অসমত অসমীয়া ভাষাত শ্ৰীমদ্ভাগৱতৰ ওপৰত এয়াই প্ৰথমখন গ্ৰন্থ।

# ভূৰাগাঁৱৰ গৰলুত সেউজীয়া পথাৰত ক্ষেত্ৰ দিৱস উদ্‌যাপন

## কৃষকক স্প্ৰে যন্ত্ৰ-কম্বল বিতৰণ



**অগ্ৰদূত বাৰ্তা**
**ভূৰাগাঁও, ৩০ জানুৱাৰী ঃ** ভূৰাগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত গৰলুৰ সেউজীয়া পথাৰে আকৃষ্ট কৰিছে ৰাষ্ট্ৰীয় পৰ্যায়ত কৃষি সামগ্ৰী উৎপাদক প্ৰতিষ্ঠানক। কালি নৈপৰীয়া গৰলু পথাৰত আইএফএফচিঅ' আৰু আইপিএলৰ এটি প্ৰতিনিধিৰ দলে ক্ষেত্ৰ দিৱস উদ্‌যাপন কৰি বিতৰণ কৰে কৃষি সামগ্ৰী। ভূৰাগাঁও ৰাজহ চক্ৰৰ অন্তৰ্গত নৈপৰীয়া গৰলু পথাৰত এই দিৱস পালন কৰা হয়। এই দিৱসত অংশগ্ৰহণ কৰে শতাধিক নৈপৰীয়া কৃষকে। চৰকাৰী সুবিধা লাভৰ পৰা আঁতৰত থকা খহনীয়াগ্ৰস্ত কৃষকৰ মাজত স্প্ৰে মেচিন আৰু কম্বল বিতৰণ কৰে দুয়োটা প্ৰতিষ্ঠানে।ক্ষেত্ৰ দিৱস উপলক্ষে দুয়োটা প্ৰতিষ্ঠানৰ প্ৰতিনিধিৰ দলে গৰলুত সেউজীয়া পথাৰৰ মাজত কৃষকেৰে মত বিনিময় কৰে। বিশেষকৈ সাৰৰ অত্যধিক প্ৰয়োগৰ পৰিৱৰ্তে মাটিৰ গুণাগুণ নষ্ট নকৰাকৈ কেনেকৈ সাৰ প্ৰয়োগ কৰিব লাগে সেই সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। ইউৰিয়া সাৰৰ তীব্ৰ নাটনিৰ সময়ত গৰলুৰ কৃষকসকলে নেন' জুলিয়া ইউৰীয়া ব্যৱহাৰ কৰি কেনেকৈ পথাৰ সেউজীয়া কৰিলে সেয়া প্ৰতিনিধি দলটোক বৰ্ণনা কৰে। নিৰক্ষৰ কৃষকৰ পাৰদৰ্শিতাত অভিভূত দুই প্ৰতিষ্ঠানৰ প্ৰতিনিধিৰ দল। এই দিৱসত উপস্থিত থাকে আইএফএফচিঅ'ৰ ক্ষেত্ৰ বিষয়া পি শইকীয়া আৰু ৰিহান ৰেজাৰ লগতে আইপিএলৰ মাৰ্কেটিং বিষয়া ধ্ৰুৱজ্যোতি ৰাজবংশী। ইউৰিয়া সাৰৰ কৃত্ৰিম নাটনিৰ মাজতো গৰলুৰ শ শ কৃষকে হেজাৰ হেজাৰ বিঘা মাটি নেন' জুলিয়া ইউৰিয়া ব্যৱহাৰ কৰি মাকৈ, সৰিয়হ আদি খেতিৰে কৃষিভূমি সেউজীয়া কৰিছে।

ওদালগুৰিত কৃষকৰে মত-বিনিময় বিজেপিৰ কিষাণ মৰ্চাৰ সভাত

# কৃষকৰ সমস্যা সমাধান হ'ব ঃ কৃষি বিভাগক সহযোগিতাৰ আহ্বান

**বিশেষ সংবাদদাতা**
**ওদালগুৰি, ৩০ জানুৱাৰী ঃ** ওদালগুৰি জিলা বিজেপিৰ কিষাণ মৰ্চাৰ উদ্যোগত কালি ওদালগুৰি পৌৰসভাৰ সভাগৃহত কৃষকৰ স'তে এক মত-বিনিময় অনুষ্ঠান অনুষ্ঠিত হয়। বিজেপিৰ কিষাণ মৰ্চাৰ ৰাজ্যিক সভাপতি আৰু সাধাৰণ সম্পাদকৰ উপস্থিতিত অনুষ্ঠিত অনুষ্ঠানত অঞ্চলটোৰ প্ৰায় অৰ্ধ শতাধিক কৃষকে ভাগ লয়। জিলাখনৰ ভিন্ন প্ৰান্তত জলসিঞ্চন আঁচনিৰ কাম ৰূপায়ণৰ পাছতো কৃষকে প্ৰয়োজনীয় সময়ত পানীৰ অভাৱত খেতিৰ ফচল নষ্ট হোৱাৰ লগতে হাতীৰ উপদ্ৰৱৰ বাবে বহু কৃষকে ক্ষতিৰ সন্মুখীন হোৱাৰ কথা কৃষকসকলে ব্যক্ত কৰে। বিগত বৰ্ষত তৰমুজৰ খেতি কৰি লোকচানৰ সন্মুখীন হোৱাৰ কথা ব্যক্ত কৰে উপস্থিত কৃষকে। ইপিনে, বিভাগীয় কাৰ্যালয়ৰ পৰা সা-সুবিধাৰ ক্ষেত্ৰতো বহু কৃষকে বিভিন্ন পৰিস্থিতিৰ সন্মুখীন হৈ অহাৰ কথাও কৃষক মৰ্চাৰ বিষয়ববীয়াসকলক অৱগত কৰে। বিভিন্ন আঁচনিৰ বাবে কৃষকসকলে বিষয়াৰ স'তে ধনৰ লেন-দেন নকৰিলে আঁচনি লাভ নকৰাৰ অভিযোগ উত্থাপন কৰে কৃষকসকলে। ফলত এনে বিষয়াৰ বিৰুদ্ধে বিজেপি চৰকাৰখনে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে আৰু আগন্তুক দিনবোৰত গ্ৰহণ কৰিব বুলি সকীয়াই দিয়ে। অনুষ্ঠানত ভাগ লৈ বিজেপিৰ কিষাণ মৰ্চাৰ ৰাজ্যিক সভাপতি দেৱজিৎ বড়াই কৃষি ক্ষেত্ৰত উৎকৰ্ষ সাধনৰ বাবে বিভিন্ন পৰামৰ্শ আগবঢ়ায়। তেওঁ কৃষকসকলক সমবায় ভিত্তিত কাম কৰিবলৈ আহ্বান জনাই এই ক্ষেত্ৰত সকলো প্ৰকাৰৰ সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে। কৃষি বিভাগৰ পৰা কোনো কৃষকে যদি পাবলগীয়া সা-সুবিধাৰ পৰা বঞ্চিত হয় বা বিভাগীয় বিষয়া-কৰ্মচাৰীয়ে প্ৰয়োজনীয় সহযোগিতা নকৰে তেতিয়া তাৎক্ষণিকভাৱে কৃষক মৰ্চাৰ বিষয়ববীয়াক অৱগত কৰিবলৈও কৃষকসকলৰ প্ৰতি পৰামৰ্শ আগবঢ়ায়।

# বিশ্বনাথ মহাবিদ্যালয়ত 'কোকুন'-'ৰেটিনা' উন্মোচন

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ৩০ জানুৱাৰী ঃ** বিশ্বনাথ মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ বিভাগীয় মুৰব্বী জ্যোতিকণা দাস তামুলীৰ বিদায় সম্বৰ্ধনা অনুষ্ঠানৰ লগত সংগতি ৰাখি কালি বিভাগটোৰ দুখনকৈ পত্ৰিকা উন্মোচন কৰা হয়। বিভাগটোৰ সহকাৰী অধ্যাপক ড° বিশ্বজিৎ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত প্ৰাণী বিজ্ঞান বিভাগৰ বাৰ্ষিক মুখপত্ৰ 'কোকুন'ৰ দ্বিতীয় সংস্কৰণ উন্মোচন কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চিন্তামণি শৰ্মাই বিভাগটোৱে মহাবিদ্যালয়লৈ আগবঢ়োৱা বিদ্যায়তনিক দিশৰ পদক্ষেপক ভুয়সী প্ৰশংসা কৰে। ইফালে, বিভাগটোত প্ৰথমবাৰ আৰম্ভ কৰা মাহেকীয়া তথ্যাশ্ৰয়ী প্ৰাচীৰ পত্ৰিকা 'ৰেটিনা' উন্মোচন কৰে অনুষ্ঠানৰ বিদায়ী প্ৰাৰ্থী তথা বিভাগীয় মুৰব্বী জ্যোতিকণা দাস তামুলীয়ে। তিনি দশকৰো অধিককাল অধ্যাপনা কৰা তামুলীয়ে মাহেকীয়া পত্ৰিকাখনি উন্মোচন কৰি অতি আৱেগবিহ্বল পৰিৱেশৰ মাজত আগবঢ়োৱা ভাষণত অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলক এই ধাৰা অব্যাহত ৰাখি বিভাগটোৰ নাম বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাপটত উজলাই ৰাখিবলৈ আহ্বান জনায়। ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া সমন্বিতে বিভাগটোৰ শতাধিক ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত অনুষ্ঠিত বিদায় আৰু পত্ৰিকা উন্মোচনী অনুষ্ঠানত মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সভাপতি লীনা হাজৰিকাই বিভাগটোৰ পদক্ষেপৰ শলাগ লয়।

# বাগ্‌সাৰ চহোগুৰী বাঘাজানত ধৰ্মসভা

**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ৩০ জানুৱাৰী ঃ** বাগ্‌সা জিলাৰ শালবাৰী মহকুমাৰ চহোগুৰী বাঘাজান গঞা ৰাইজৰ উদ্যোগত কালি গোসাঁই ঘৰ প্ৰাংগণত এদিনীয়া কাৰ্যসূচীৰে ২৪ সংখ্যক ধৰ্মসভা আয়োজিত হয়। পুৱা পাঁচ বজাত চহোগুৰী বাঘাজান গোসাঁইঘৰৰ দেউৰী বলেন দাসে বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰে ধৰ্মসভাৰ কাৰ্যসূচী। ইয়াৰ পাছতে কাৰ্যসূচী অনুসৰি ক্ৰমে ধৰ্মধ্বজা উত্তোলন, স্মৃতি তৰ্পণ, গছপুলি ৰোপণ, স্বচ্ছ অভিযান, ভাগৱত ভ্ৰমণ, ভাগৱত পাঠ, মহাপ্ৰসাদ গ্ৰহণ ইত্যাদি সম্পন্ন হয়। আবেলি স্থানীয় নামতীৰ দ্বাৰা নাম-প্ৰসংগৰ লগতে নিশা এক লোকগীতৰ অনুষ্ঠানো অনুষ্ঠিত হয়।

# দলগাঁৱত বিলাতী সুৰাসহ দুজনক গ্ৰেপ্তাৰ



**অগ্ৰদূত বাৰ্তা**
**দলগাঁও, ৩০ জানুৱাৰী ঃ** দৰঙৰ দলগাঁও থানাৰ যানবাহন তদাৰকী শাখাৰ আৰক্ষীয়ে দলগাঁৱত ১৫ নম্বৰ ৰাষ্ট্ৰীয় পথত তালাচী চলাই থাকোতেই কাগজ পত্ৰহীন বিলাতী সুৰাসহ দুজনক আটক কৰে। যানবাহন আৰক্ষীয়ে যোৱা ২৮ জানুৱাৰীত তালাচী অভিযানত বিভিন্ন ব্ৰেণ্ডৰ ১৯২ টা বিলাতী সুৰাসহ আটক কৰে আব্দুল জুব্বাৰ আৰু আলি আছান নামৰ দুজন ব্যক্তিক। আব্দুল জুব্বাৰ নামৰ ব্যক্তিজনে নিজৰ এ এছ-০১ বি ৱাই-৬২৮৪ নম্বৰৰ এল্ট' গাড়ীখনেৰে সুৰাখিনি খাৰুপেটীয়াৰ পৰা বেছিমাৰীলৈ লৈ গৈ থাকোতেই দলগাঁও চাৰিআলিত জব্দ কৰে। জুব্বাৰে দীৰ্ঘদিনৰ পৰা নিজৰ দোকানৰ পৰা সুৰাৰ ব্যৱসায় চলাই থকাৰ অভিযোগ উঠিছে। আৰক্ষীয়ে জানিব দিয়া মতে, জুব্বাৰে মৌলবীৰ ভাও ধৰি দীৰ্ঘদিনৰ পৰা এনে অবৈধ ব্যৱসায়ৰ স'তে জড়িত আছিল। আটক জুব্বাৰৰ ঘৰ পাঁচ নম্বৰ বৰুৱাঝাৰ গাঁৱত আৰু আলী আছানৰ ঘৰ আলিশিঙা গাঁৱত। দুয়োজনক আৰক্ষীয়ে কালি জেললৈ প্ৰেৰণ কৰে।

# পোটাপুখুৰীত গছ পৰি এজনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**দুনী, ৩০ জানুৱাৰী ঃ** দৰঙৰ পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত পোটাপুখুৰী গাঁৱত কালি পুৱা প্ৰায় ১০ বজাত নিজবাৰীত গছ কাটি থকা অৱস্থাত এজন লোকৰ মৃত্যু হয়। ঘটনাৰ বিৱৰণিত প্ৰকাশ যে গছ কাটি থকা সময়ত তিনিজন ব্যক্তিয়ে ৰছীৰে টানি আছিল গছডাল নিৰ্দিষ্ট ঠাইত পেলাবলৈ। পাছত গছডাল হাউলি অহাত আন দুজন যুৱক দৌৰি আঁতৰি যায় যদিও প্ৰয়াত ঘনো বৰুৱাৰ পুত্ৰ তথা গৃহস্থ ভৰত বৰুৱা (৪৭)ই আঁতৰিব নাপাওঁতেই গছডালৰ আগ অংশই হেঁচা মাৰি ধৰে। ততালিকে তেওঁক ছিপাঝাৰ হাস্পতাললৈ লৈ যোৱা হয় যদিও চিকিৎসালয়তেই মৃত্যু হয়।

# দিলীপ শইকীয়াৰ স্মৃতিত সান্নিধ্য-সঁফুৰা উন্মোচন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ৩০ জানুৱাৰী ঃ** যোৰহাট জিলা গ্ৰামোন্নয়ন বিভাগৰ অৱসৰপ্ৰাপ্ত গাণনিক তথা সমাজকৰ্মী দিলীপ শইকীয়া (বুধিন)ৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই ২৮ জানুৱাৰীত সান্নিধ্য-সঁফুৰা নামৰ স্মৰণিকা উন্মোচন কৰা হয়। উত্তৰ যোৰহাটৰ কমাৰমাটি গাঁৱৰ বাসগৃহত আদ্যশ্ৰাদ্ধৰ দিনা স্মৰণিকাখন উন্মোচন কৰে কলিয়নী শ্ৰীশ্ৰীশংকৰদেৱ কৃষ্টি কলা সংঘৰ সভাপতি গোপাল দত্তই। সান্নিধ্য-সঁফুৰাৰ সম্পাদক বুবুলচন্দ্ৰ দত্তই আঁত ধৰা অনুষ্ঠানত সৰস্বতী পুস্তক মন্দিৰৰ প্ৰাক্তন সভাপতি তথা সম্পাদনা সমিতিৰ সভাপতি ৰাজেন দত্তই বক্তব্য প্ৰদান কৰে। সৰস্বতী পুস্তক মন্দিৰৰ প্ৰাক্তন সম্পাদক, সভাপতি, নামঘৰ পৰিচালনা সমিতিৰ প্ৰাক্তন কোষাধ্যক্ষ, কলিয়নী শ্ৰীশ্ৰীশংকৰদেৱ কৃষ্টি কলা সংঘৰ উপদেষ্টাৰ উপৰি বৃহত্তৰ অঞ্চলটোৰ বিভিন্ন অনুষ্ঠানৰ লগত জড়িত দিলীপ শইকীয়াৰ সহধৰ্মিণী শইকীয়া, পুস্তক মন্দিৰৰ সভাপতি পৰেশ কলিতা, প্ৰাক্তন সম্পাদক দেৱজ্যোতি বৰা, কাৰ্যকৰী সভাপতি ৰুবুল কলিতা, নামঘৰ পৰিচালনা সমিতিৰ অদীপ কলিতা, জ্ঞানানন্দ শইকীয়া প্ৰমুখ্যে বিভিন্নজনে শ্ৰদ্ধাঞ্জলি জনায়।



*সোণাপুৰত ড্ৰাগছসহ গ্ৰেপ্তাৰ আঠ, সোমবাৰে।*

# নলবাৰীত ৪৭,০০০ মেট্ৰিক টন ধান ক্ৰয়ৰ লক্ষ্য

## ঘগ্ৰাপাৰত ধান ক্ৰয় কেন্দ্ৰ মুকলি



**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ৩০ জানুৱাৰী ঃ** নলবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত ঘগ্ৰাপাৰত কালি দুপৰীয়া এটা ধান ক্ৰয় কেন্দ্ৰ নলবাৰীৰ বিধায়ক জয়ন্ত মল্ল বৰুৱাই মুকলি কৰে। ঘগ্ৰাপাৰৰ বৰচেনীকুছিত বিধায়ক বৰুৱাই কেন্দ্ৰটো মুকলি কৰি কয় যে দীৰ্ঘদিন ধৰি ৰাজ্যৰ কৃষকসকলে উৎপাদিত ধানৰ উচিত মূল্য নোপোৱাৰ বাবে ক্ষতিৰ সন্মুখীন হৈ আহিছিল। কৃষকসকলৰ এই সমস্যা দূৰীকৰণ তথা কৃষকসকলক স্বাৱলম্বী কৰি তোলাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ কৃষকৰ পৰা প্ৰত্যক্ষভাৱে উচিত মূল্যত ধান ক্ৰয়ৰ বাবে এক বিশেষ আঁচনি হাতত লোৱা বুলি তেওঁ সদৰী কৰে। অসম চৰকাৰৰ ধান ক্ৰয় আঁচনিৰ অধীনত এই কেন্দ্ৰটোৰ কৃষকৰ পৰা প্ৰতি কুইণ্টলত নিম্নতম মূল্য ১৯৪০ টকাকৈ এই ধান ক্ৰয় কৰা হ'ব বুলি তেওঁ কয়। বিধায়কজনে ঘগ্ৰাপাৰ কৃষি কাৰ্যালয়ৰ অধীনস্থ এই কেন্দ্ৰটোৰ পৰা ৫০ মেট্ৰিক টন ধান ৰাষ্ট্ৰীয় কৃষি বিপণন সমবায় সমিতি লিমিটেডৰ অধীনত ক্ৰয় কৰাৰ বিপৰীতে নলবাৰী জিলাৰ আন কেতবোৰ ঠাইৰ পৰা ৪৭০০০ মেট্ৰিক টন ধান ক্ৰয় কৰিব খাদ্য আৰু অসামৰিক যোগান বিভাগ আৰু এন এ এফ ই ডি আদিয়ে। লগতে বিধায়কজনে কয় যে প্ৰকৃত কৃষকসকল যাতে কোনো কাৰণে চৰকাৰী আঁচনিৰ পৰা বঞ্চিত নহয় তাৰ বাবে দলীয় কৰ্মীসকলে এইসমূহ কৃষকক গুৰুত্ব সহকাৰে আঁচনিসমূহৰ বিষয়ে বুজাই দিবলৈ কৰ্মীসকলক আহ্বান জনায়। ইফালে, ধান ক্ৰয় কেন্দ্ৰটো মুকলি উপলক্ষে বৰচেনিকুছি জয় গুৰু শংকৰ মন্দিৰ চৌহদত আয়োজিত একেখন সভাতে ৩৩৮ গৰাকী কৃষক ধান ক্ৰয় প্ৰমাণপত্ৰ বিতৰণ কৰা হয়। অনুষ্ঠানত নলবাৰী জিলা উপায়ুক্ত গীতিমণি ফুকন, ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া মণিষা কলিতা, নলবাৰী জিলা বিজেপিৰ সভাপতি ডাঃ মৃগাংক তালুকদাৰ, বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱা, বড়িগোগ বনভাগ মণ্ডল সংখ্যালঘু মৰ্চাৰ সভাপতি চামচুল আলী, কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰীকে ধৰি ভালেসংখ্যক কৃষকে অংশগ্ৰহণ কৰে।

# ব্ৰহ্মপুত্ৰৰ খহনীয়া ৰোধৰ বিপৰীতে নতুনকৈ নদী খন্দাৰ যো-জা

## চৰকাৰৰ ভুলৰ বাবেই জলমগ্ন হ'ব পাৰে নগাঁও-মৰিগাঁও জিলাৰ বিভিন্ন অঞ্চল

**অগ্ৰদূত বাৰ্তা**
**ধিং, ৩০ জানুৱাৰী ঃ** ৰাজ্য চৰকাৰ আৰু নগাঁও জিলা প্ৰশাসনে বানপানী আৰু খহনীয়া সমস্যা সমাধানৰ বিপৰীতে নতুনকৈ এই সমস্যা বৃদ্ধিৰ পৰিকল্পনা কৰাৰ দৰেই এক আজৱ ঘটনা সংঘটিত হৈছে ধিঙত। নগাঁও জিলাৰ ধিং ৰাজহ চক্ৰৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ কৱলত থকা কে'বাটাও অঞ্চলত সংঘটিত কৰা এনে আজৱ কাণ্ডই চকু কপালত তুলিছে ৰাইজৰ। ধিঙৰ বৰবিল কছাৰী গাঁও, ম'হখুটী আৰু লাঠিয়ামাৰী অঞ্চলত যুগ যুগ ধৰি বসবাস কৰি অহা শ শ কৃষক পৰিয়ালে ব্ৰহ্মপুত্ৰৰ খহনীয়াৰ কৱলত পৰি যমৰ যাতনা ভুগি আহিছে। ইতিমধ্যে এইসমূহ অঞ্চলত ব্ৰহ্মপুত্ৰৰ খহনীয়া বন্ধ হৈছে যদিও চৰকাৰ-প্ৰশাসনে পুনৰ নতুনকৈ নদী খান্দি এইসমূহ অঞ্চলৰ হেজাৰ হেজাৰ কৃষিজীৱী পৰিয়ালক বিপদৰ মুখলৈ ঠেলি দিয়াৰ লগতে বৃহত্তৰ নগাঁও-মৰিগাঁও জিলা জলমগ্ন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। ৰাইজৰ অভিযোগ, চৰকাৰ আৰু নগাঁও জিলা প্ৰশাসনে ব্ৰহ্মপুত্ৰৰ এইসমূহ অঞ্চলৰ পৰা শ শ বিঘা মাটিত খনন কাৰ্য চলাই ইয়াৰ বালিমাটি অন্য ঠাইলৈ হস্তান্তৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। চৰকাৰ-প্ৰশাসনৰ এই সিদ্ধান্তৰ পাছতেই এই স্থানসমূহত কালিৰে পৰা আৰম্ভ হৈছিল মাটি খনন কাৰ্য। যাৰ ফলত শ শ পৰিয়াল গৃহহীন হোৱাৰ লগতে নতুনকৈ আন এখন নদীৰ সৃষ্টি হৈ পুনৰ খহনীয়াৰ দৰে সমস্যা আৰম্ভ হৈ সমগ্ৰ নগাঁও-মৰিগাঁও জিলাৰ বিভিন্ন অঞ্চলত বিস্তৰ ক্ষতি-সাধন হোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে। যাৰ বাবে এইসমূহ চৰাঞ্চলৰ কৃষিজীৱী ৰাইজে চৰকাৰ-প্ৰশাসনৰ এনে সিদ্ধান্তৰ বিৰুদ্ধে নগাঁও জিলা উপায়ুক্ত আৰু ধিং ৰাজহ চক্ৰৰ চক্ৰ বিষয়াক ৰাজহুৱা লিখিত আবেদন দাখিল কৰাৰ পাছতেই প্ৰশাসনে মাটি খনন কাৰ্য বন্ধ ৰাখিছে যদিও পৰৱৰ্তী সময়ত চৰকাৰ-প্ৰশাসনে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষ্যণীয় হ'ব।

# ভাওনা প্ৰতিযোগিতাৰ নতুন তাৰিখ ঘোষণা

**অগ্ৰদূত বাৰ্তা**
**গৌৰীসাগৰ, ৩০ জানুৱাৰী ঃ** ক'ভিড পৰিস্থিতিৰ বাবে শিৱসাগৰ জিলাৰ নামতিমুখৰ শংকৰ-মাধৱ সমন্বয় ক্ষেত্ৰৰ শ্ৰীশ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ আৰু সদৌ অসম ভিত্তিক ভাওনা প্ৰতিযোগিতাখন অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখা হৈছিল যদিও কালি উদ্‌যাপন সমিতিৰ এক বৈঠকত সৰ্বসন্মতি ক্ৰমে ক'ভিড বিধিৰ মাজেৰে পুনৰ সাতদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। উল্লেখ্য যে পূৰ্বতে উক্ত কাৰ্যসূচী এক ফেব্ৰুৱাৰীৰ পৰা সাত ফেব্ৰুৱাৰীলৈ উদ্‌যাপনৰ বাবে যাৱতীয় প্ৰস্তুতি সম্পন্ন কৰিছিল। কালি অনুষ্ঠিত হোৱা উদ্‌যাপন সমিতিৰ এক বৈঠকত উক্ত কাৰ্যসূচী অহা ২১ ফেব্ৰুৱাৰীৰ পৰা ২৭ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

# নাজিৰাত বৃদ্ধি ক'ভিডত আক্ৰান্তৰ সংখ্যা

## ■ নাই সামাজিক সচেতনতা ■ কাহ-চৰ্দিৰ প্ৰকোপ বৃদ্ধি



*ব্ৰহ্মপুত্ৰ নৈৰ ওপৰৰ ধুবুৰী-ফুলবাৰীত নিৰ্মাণৰত দলঙ, দেওবাৰে।*

**অগ্ৰদূত বাৰ্তা**

**নাজিৰা, ৩০ জানুৱাৰী ঃ** প্ৰচণ্ড শীত প্ৰৱাহৰ মাজতে নাজিৰাত শেহতীয়াকৈ বৃদ্ধি পাইছে জ্বৰ-কাহ সদৃশ ৰোগৰ প্ৰাদুৰ্ভাৱ। বিগত এটা পযেক ধৰি নাজিৰা নগৰৰ উপৰি ইয়াৰ উপকণ্ঠ অঞ্চলসমূহত প্ৰতিটো পৰিয়ালৰে একাধিক লোক জ্বৰ-কাহত আক্ৰান্ত হৈছে। ইয়াৰে বহুতে ক'ভিড পৰীক্ষা কৰিছে যদিও আন একাংশ এতিয়াও আগ্ৰহী হৈ উঠা নাই ক'ভিড পৰীক্ষাৰ বাবে। বিগত এসপ্তাহত উদ্বেগজনকভাৱে নাজিৰাত বৃদ্ধি পাইছে ক'ভিডৰ সংক্ৰমণ। বিগত এসপ্তাহত নাজিৰাত পৰীক্ষা কৰা ৮৩৮ জনৰ ভিতৰত ১৫০ জনৰ দেহতেই ধৰা পৰিছে ক'ভিডৰ উপস্থিতি। আক্ৰান্তৰ শতকৰা হাৰ ১৮ শতাংশ। উল্লেখ্য যে যোৱা ২২ জানুৱাৰীত পৰীক্ষা কৰোৱা ১৬৬ জনৰ ভিতৰত ৩৯ জন, ২৪ জানুৱাৰীত ১৯৯ জনৰ ৪২জন, ২৫ জানুৱাৰীত ১৩৯ৰ ১৮জন, ২৬ জানুৱাৰীত ৪৪ জনৰ ১২ জন, ২৭ জানুৱাৰীত ১৭১ জনৰ ৩৯ জন আৰু ২৮ জানুৱাৰীত পৰীক্ষা কৰোৱা ১১৮জনৰ ভিতৰত ১০ জনক ক'ভিড পজিটিভ হিচাপে চিনাক্ত কৰা হয়। বৰ্তমানেও মহকুমাটোৰ কেৱল নাজিৰা আৰু ইয়াৰ উপকণ্ঠ অঞ্চলতে ১৭৫জন সক্ৰিয় ক'ভিড ৰোগী থকাৰ কথা চৰকাৰী তথ্যত প্ৰকাশ পাইছে। মহকুমাটোৰ বহু অঞ্চলত সহস্ৰাধিক লোক ক'ভিডৰ লক্ষণত আক্ৰান্ত যদিও বহু লোকে পৰীক্ষাৰ বাবে আগবাঢ়ি নহাত স্বাভাৱিকতেই বিমোৰত পৰিছে স্বাস্থ্য বিভাগ। আনহাতে, আন একাংশই জ্বৰ-কাহ, গা বিষ আদি বিভিন্ন ৰোগত আক্ৰান্ত হৈও ক'ভিড পৰীক্ষাৰ বাবে আগবাঢ়ি অহাৰ সলনি মুকলিকৈ ঘূৰি ফুৰাত মহকুমাটোত সংক্ৰমণ বৃদ্ধি পোৱাৰ আশংকা ঘনীভূত হৈছে। বিভিন্ন বিদ্যালয়ৰ একাংশ শিক্ষক-কৰ্মচাৰী, বা আন আন চৰকাৰী-বেচৰকাৰী সংস্থাৰ কৰ্মচাৰীও জ্বৰ-কাহত আক্ৰান্ত হৈছে। ইফালে, ক'ভিডৰ প্ৰাদুৰ্ভাৱৰ মাজতো সচেতন হোৱা নাই একাংশ নাগৰিক। নাজিৰা নগৰতে নিতৌ মাস্কবিহীনভাৱেই সহস্ৰাধিক লোক মুকলিকৈ ঘূৰি ফুৰাৰ সমান্তৰালকৈ নগৰৰ ব্যৱসায় প্ৰতিষ্ঠানসমূহেও ক'ভিড প্ৰট'কল ভংগ কৰা হৈছে। বেছিভাগ ব্যৱসায় প্ৰতিষ্ঠানৰ সন্মুখত নাই ছেনিটাইজাৰ অথবা হাত ধোৱাৰ ব্যৱস্থা। ক'ভিডৰ দ্বিতীয় ঢৌ পৰ্যন্ত নাজিৰাত আৰক্ষী কিম্বা প্ৰশাসনে মাস্ক পৰিধান নকৰাসকলৰ বিৰুদ্ধে কঠোৰ হৈছিল যদিও সম্প্ৰতি নাজিৰাত আৰক্ষী প্ৰশাসনেও এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰা নাই।

# বিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা 'উইজড'ম' উন্মোচন



**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ৩০ জানুৱাৰী ঃ** চিৰাং জিলাৰ ছাতিপুৰস্থিত ইডুলেণ্ড পাব্লিক স্কুলত গণৰাজ্য দিৱসৰ লগত সংগতি ৰাখি এখন প্ৰাচীৰ পত্ৰিকা 'উইজড'ম' উন্মোচন কৰা হয়। প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰে বঙাইগাঁও ৰিফাইনেৰী এইছ এছ স্কুলৰ শিক্ষক তথা গ্ৰন্থাগাৰিক, নিবন্ধকাৰ দুৰ্লভ তালুকদাৰে। উন্মোচকজনে সাম্প্ৰতিক সময়ত ছাত্ৰ-ছাত্ৰীসকলক পঢ়া-শুনাৰ লগতে সৃষ্টিমূলক কামত ব্যস্ত ৰখাটো অতি প্ৰয়োজনীয় হৈ পৰিছে বুলি মন্তব্য কৰে। তেওঁ লগতে প্ৰাচীৰ পত্ৰিকাখনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য তথা শৈল্পিক প্ৰতিভা বিকাশৰ বাবে লোৱা বলিষ্ঠ পদক্ষেপৰ বাবে স্কুল কৰ্তৃপক্ষৰ শলাগ লয়। শিক্ষয়িত্ৰী ৰিয়া বৰুৱা আৰু বিউতিৰাণী বৰ্মনৰ তত্বাৱধানত 'অনৈক্যৰ মাজত ঐক্য' (অসমৰ পটভূমিত) বিষয়ৰূপে লৈ প্ৰকাশ কৰা পত্ৰিকাখনত অসমত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠীসমূহৰ চমু পৰিচয়ৰ উপৰি বিভিন্ন কলা-সংস্কৃতিৰ বিষয়ে ধাৰণা দিয়াৰ বিনম্ৰ প্ৰয়াস কৰা হৈছে। ইয়াৰ পূৰ্বে শিক্ষয়িত্ৰী ৰিংকু কুণ্ডুই আঁত ধৰা অনুষ্ঠানত অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত ড্ৰাগছ নিয়ন্ত্ৰক অসীম কুমাৰ নাথে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। সৌমিক দত্ত, বিদ্যালয়খনৰ অধ্যক্ষা এলিজা ৰাভা, শিক্ষয়িত্ৰী পাৰমিতা দাসৰ উপস্থিতিৰে গণৰাজ্য দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে দুৰ্লভ তালুকদাৰে।

# ৰেল-ৰাষ্ট্ৰীয় পথেৰে সত্ৰ নগৰীক সংযোগৰ দাবীত আছুৰ স্মাৰকপত্ৰ

**বিশেষ সংবাদদাতা**

**বৰপেটা, ৩০ জানুৱাৰী ঃ** ভাৰতীয় ৰেলৰ ভেকুৱাম ব্ৰেক উদ্ভাৱক কৰ্ণেল গুৰুপ্ৰসাদ দাসৰ গৃহ চহৰ সত্ৰ নগৰী বৰপেটাক ৰেলপথ আৰু ৰাষ্ট্ৰীয় ঘাইপথেৰে সংযোগ কৰা, যোগীঘোপাৰ পৰা গুৱাহাটীলৈ বৰপেটা হৈ ৰেলপথ সংযোগ কৰাৰ দাবীত বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাই যোৱা ২৮ জানুৱাৰীত ৰেলৱেৰ মহা প্ৰৱন্ধকক স্মাৰকপত্ৰ প্ৰদান কৰে। ২০১০-১১ত দুবাৰকৈ জৰীপ সম্পন্ন কৰাৰ পাছতো বৰপেটা জিলা ছাত্ৰ সন্থাৰ দাবীৰ প্ৰতি কোনো ধৰণৰ সঁহাৰি নিদিয়াত ক্ষোভিত হৈ যোৱা পাঁচ জানুৱাৰীৰ পৰা বৰপেটা জিলা ছাত্ৰ সন্থাৰ কাৰ্যালয় ছহিদ ভৱনত ২৬ ঘণ্টীয়া অনশন কাৰ্যসূচী গ্ৰহণৰ পাছত বৰপেটা আঞ্চলিক ছাত্ৰ সন্থাই গুৱাহাটীৰ মালিগাঁওত থকা উত্তৰ- পূব সীমান্ত ৰেলৱেৰ মহা প্ৰৱন্ধকক স্মাৰকপত্ৰ প্ৰদান কৰে। সন্থাই অনতিপলমে উক্ত দাবীসমূহৰ ওপৰত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক দৃষ্টি আৰোপ কৰিবলৈ আহ্বান জনায় অন্যথা পৰৱৰ্তী সময়ত তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিব বুলি সকীয়নি দিয়ে। ১৯৩০ত ভাৰতীয় ৰেলৰ ভেকুৱাম ব্ৰেক উদ্ভাৱক কৰ্ণেল গুৰু প্ৰসাদ দাসৰ গৃহভূমি বৰপেটা চহৰক ৰেলপথেৰে সংযোগ কৰাৰ দাবীত কে'বাবাৰো আন্দোলনৰ কাৰ্যসূচী লোৱাৰ লগতে ২০১৬ত একলাখ স্বাক্ষৰ সহ এক স্মাৰকপত্ৰ প্ৰধানমন্ত্ৰীক বৰপেটা জিলা উপায়ুক্তৰ জৰিয়তে প্ৰেৰণ কৰিছিল।

# ৪২ বিঘা মাটিত কৰা হ'ব উন্নত প্ৰজাতিৰ কুঁহিয়াৰৰ খেতি

## ■ গহপুৰৰ আমতলাত ট্ৰেক্টৰেৰে মাটি চহাই 'শংকৰজ্যোতি কৃষিফাৰ্ম' উদ্বোধন

**অগ্ৰদূত বাৰ্তা**

**গহপুৰ, ৩০ জানুৱাৰী ঃ** গহপুৰ মহকুমাৰ ছয়দুৱাৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত বৰঙাবাৰী, আমতলা, ডিপৰা, হেলেম, নলনীবাৰী, টকৌবাৰী, গমিৰি, কাউৰীপথাৰ আদি অঞ্চলৰ একাংশ কৰ্মোদ্যমী যুৱকে আমতলাত মুঠ ৪২ বিঘা মাটিত উন্নত প্ৰজাতিৰ কুঁহিয়াৰ খেতি কৰি স্বনিয়োজনৰ পথত অগ্ৰসৰ হোৱাৰ পদক্ষেপ গ্ৰহণ কৰিছে। সম্পূৰ্ণ প্ৰস্তুতি তথা পৰিকল্পনাৰে কৃষিকৰ্মত হাত দিয়া যুৱকসকলে এই ক্ষেত্ৰত 'শংকৰজ্যোতি কৃষি ফাৰ্ম' নামেৰে এটা গোট গঠন কৰি যোৱা ২৮ জানুৱাৰীত উক্ত কুঁহিয়াৰ খেতিৰ আৰম্ভ কৰে। এই উপলক্ষে পুৱা প্ৰায় ১১ বজাত ট্ৰেক্টৰেৰে মাটি চহাই উক্ত কৃষি ফাৰ্মৰ উদ্বোধন কৰে



গহপুৰৰ বিধায়ক উৎপল বৰাই। উদ্বোধনী ভাষণত বিধায়ক বৰাই কয় যে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কৰ্মোদ্যমী যুৱক-যুৱতীসকল বহুমুখী কৃষি ফাৰ্মৰ জৰিয়তে স্বনিৰ্ভৰশীল হোৱাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান কৰি বিভিন্ন অভিলাষী আঁচনি গ্ৰহণ কৰিছে। গহপুৰ বিধানসভা সমষ্টিৰ বিভিন্ন প্ৰান্তত এনেধৰণৰ বহুমুখী কৃষি ফাৰ্ম খোলাৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছে বুলি উল্লেখ কৰি বিধায়কজনে কয় যে প্ৰাৰম্ভিক পৰ্যায়ত মৎস্য পালনৰ বাবে ইতিমধ্যে কে'বাখনো আঁচনি মঞ্জুৰ কৰা হৈছে। কৃষিকৰ্মৰ জৰিয়তে স্বনিয়োজনৰ পথ বাছি ল'ব পৰা যায় বুলি উল্লেখ কৰি বিধায়ক বৰাই আৰু কয় যে শিক্ষিত যুৱক-যুৱতীসকল চাকৰিমুখী হোৱাটো স্বাভাৱিক। কিন্তু চাকৰি নোপোৱালৈকে বিভিন্ন কৃষি কৰ্ম, ক্ষুদ্ৰ উদ্যোগ, মৎস্য পালন আদিৰ জৰিয়তে স্বনিয়োজনৰ ব্যৱস্থা কৰিব পৰা যায়। গহপুৰ বিধানসভা সমষ্টিৰ ৩৪খন গাঁও পঞ্চায়তে সমবায় ভিত্তিত কৃষিকৰ্মৰ পৰিৱেশ গঢ়ি তোলা হ'ব বুলিও বিধায়ক বৰাই উল্লেখ কৰে। আমতলাত নতুনকৈ গঢ় লৈ উঠা 'শংকৰজ্যোতি কৃষি ফাৰ্ম'খনে বৃহত্তৰ ছয়দুৱাৰ অঞ্চলত এক কৃষি বিপ্লৱৰ সূচনা কৰিবলৈ সক্ষম হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে। ইয়াৰ পাছতে বিধায়কজনে ট্ৰেক্টৰ চলাই মাটি চহাই ফাৰ্মখনৰ যুৱকসকলক উৎসাহ প্ৰদান কৰে।

# সমাজকৰ্মী অতুল গোস্বামীলৈ স্বচ্ছ ভাৰত অভিযানৰ প্ৰশংসা পত্ৰ

**দেৰগাঁও, ৩০ জানুৱাৰী ঃ** বিশিষ্ট সমাজকৰ্মী অতুল গোস্বামীক স্বচ্ছ ভাৰত অভিযান সফলৰ দিশত আগবঢ়োৱা স্বেচ্ছামূলক অৱদানৰ বাবে স্বচ্ছ ভাৰত অভিযানৰ উত্তৰ-পূৰ্বাঞ্চলৰ ব্ৰেণ্ড এম্বেছাদৰৰ তৰফৰ পৰা প্ৰশংসা পত্ৰৰে সম্বৰ্ধনা জনায়। যোৱা ২৩ জানুৱাৰীৰ সন্ধিয়া সমাজকৰ্মীজনৰ বাসগৃহত অনুষ্ঠিত এক অনুষ্ঠানত উত্তৰ-পূৰ্বাঞ্চল নমস্তে ৰাজ্য সমিতিৰ ব্ৰেণ্ড এম্বেছাদৰ, প্ৰকৃতি কৰ্মী তথা আশ্ৰয়ৰ সম্পাদক সঞ্জয় কুমাৰ হাজৰিকাই এই প্ৰশংসা পত্ৰ প্ৰদান কৰে। সম্বৰ্ধনাৰ উত্তৰত সমাজকৰ্মী গোস্বামীয়ে এনে স্বীকৃতিয়ে তেওঁক ভৱিষ্যতলৈ অনুপ্ৰেৰণা যোগাব বুলি কয়। অনুষ্ঠানত দেৰগাঁও সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক বিচিত্ৰ ভূষণ কলিতা, দেৰগাঁও সাংবাদিক সংস্থাৰ সম্পাদক ইন্দুভূষণ মহন্ত, জ্যেষ্ঠ নাগৰিক অজিত গোস্বামী আদি উপস্থিত থাকে। উল্লেখ্য যে আজীৱন নিস্বাৰ্থ সমাজসেৱাৰে জীৱনৰ চাৰিকুৰি বছৰ অতিক্ৰম কৰা সমাজকৰ্মী গোস্বামী বৰ্তমান শাৰীৰিকভাৱে অসুস্থ হৈ আছে।

# ৰৌমাৰী মিলন বজাৰত সাহায্য সামগ্ৰী বিতৰণ



**অগ্ৰদূত বাৰ্তা**

**হাউলী, ৩০ জানুৱাৰী ঃ** 'হিউমেন ৱেলফেয়াৰ ট্ৰাষ্ট'ৰ উদ্যোগত আৰু 'জাকাত ফাউণ্ডেছন অৱ আমেৰিকা'ৰ সহযোগত হাতুৰীৰ সমীপৰ মাজগাঁৱৰ ৰৌমাৰী মিলন বজাৰত আজি সাহায্য বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হয়। জামাত-ই-ইছলামী হিন্দৰ নামনি অসমৰ সংগঠক ছফিকুল ইছলামে আঁত ধৰা উক্ত সভাখনত বৰপেটা জিলাৰ ন জনকৈ ৰাজমিস্ত্ৰিক কাম কৰা সা-সঁজুলি যোগান ধৰাৰ লগতে আঠ গৰাকী ক্ষুদ্ৰ চাহৰ দোকানীক পৰিয়াল পোহপাল দিয়াৰ বাবে লাগতিয়াল সকলো খাদ্য-সামগ্ৰী যোগান ধৰে। ইয়াৰে প্ৰতি হিতাধিকাৰীক পাঁচ হেজাৰকৈ টকাৰ সামগ্ৰী যোগান ধৰা হয় বুলি সংগঠক ছফিকুল ইছলামে কয়। উক্ত অনুষ্ঠানত হাউলী ছাবলাইম একাডেমীৰ সঞ্চালক ড° দেৱান নজৰুল কাদিৰে উপস্থিত থাকি মুছলমান সমাজত জাকাত ব্যৱস্থাটো প্ৰচলিত কৰিবলৈ সামৰ্থ্য থকা সকলোকে আহ্বান জনায়। সভাত জিলা আমছুৰ সভাপতি আব্দুল জুব্বাৰ আলী, হিউমেন ৱেলফেয়াৰ ট্ৰাষ্টৰ সমন্বয়ক ছহিদুল ইছলাম আদিয়ে উপস্থিত থাকি বক্তব্য আগবঢ়ায়।

# মানাহ ৰাষ্ট্ৰীয় উদ্যানত চাফাই অভিযান



**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ৩০ জানুৱাৰী ঃ** বিশ্ব ঐতিহ্য ক্ষেত্ৰ মানাহ ৰাষ্ট্ৰীয় উদ্যানত কালি চাফাই অভিযান চলোৱা হয়। 'মানাহ জীপ ছাফাৰী সন্থা'ৰ উদ্যোগত অনুষ্ঠিত চাফাই অভিযান ৰাষ্ট্ৰীয় উদ্যানখনৰ বাঁহবাৰী বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ সন্মুখৰ পৰা ৰাষ্ট্ৰীয় উদ্যানখনৰ দুই নম্বৰ গেট আৰু তাৰ পাছতেই ৰাষ্ট্ৰীয় উদ্যানখনৰ সমীপৰ বেঁকী নৈৰ পাৰৰ বনভোজস্থলী পৰ্যন্ত চলোৱা হয়। আনহাতে, আজি অনুষ্ঠিত চাফাই তথা পৰিৱেশ নিকাকৰণ অভিযান উদ্বোধন কৰি ৰাষ্ট্ৰীয় উদ্যানখনৰ বাঁহবাৰী কাৰ্যালয়ক বন বিষয়াই আমাৰ প্ৰত্যেকেই সুস্থ জীৱন নিৰ্বাহৰ স্বাৰ্থতে পৰিৱেশ নিকা কৰি ৰখাটো জৰুৰী আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাক প্ৰত্যেকেই প্ৰাত্যহিক জীৱনৰ সংগী কৰি লোৱা উচিত বুলি মন্তব্য কৰে। পৰাধীন ভাৰতবৰ্ষত 'জাতিৰ পিতা' মহাত্মা গান্ধীয়ে এনে ধৰণে স্বচ্ছতাৰ অভিযান পোন প্ৰথমে আৰম্ভ কৰিছিল বুলিও তেওঁ মন্তব্য কৰে। বিষয়াজনে 'স্বচ্ছতা মানেই ঈশ্বৰ পৰায়ণতা' বুলিও মন্তব্য কৰে। আনহাতে, এনে অভিযানে ৰাষ্ট্ৰীয় উদ্যানখনৰ জীৱ-জন্তুৰ পক্ষে এক অনুকূল পৰিৱেশো সৃষ্টি কৰি অহাৰ লগতে উদ্যানখনৰ শ্ৰীবৃদ্ধিতো সহায় কৰি আহিছে বুলিও তেওঁ মন্তব্য কৰে। উল্লেখ্য যে এই চাফাই অভিযানত বাঁহবাৰী উপ-আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া জয়ন্ত দাস আৰু স্বেচ্ছাসেৱী সংগঠন 'মিউজ'ৰ সাধাৰণ সম্পাদক বীৰ বাহাদুৰ লামাৰ লগতে জীপ ছাফাৰী এছ'চিয়েছনৰ বহুসংখ্যক কৰ্মী আৰু সদস্যই ভাগ লয়। উদ্যোক্তাসকলে জানিবলৈ দিয়া মতে, পৰৱৰ্তী সময়ত তেওঁলোকে ছাত্ৰ-ছাত্ৰীসকলৰ অংশগ্ৰহণেৰে এই চাফাই অভিযান ৰাষ্ট্ৰীয় উদ্যানখনৰ সমীপৰ বজাৰ-সমাৰ তথা ৰাজহুৱা স্থানসমূহলৈ সম্প্ৰসাৰিত কৰিব।

# সৰুপেটাত বৃহৎ অজগৰ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**সৰুপেটা, ৩০ জানুৱাৰী ঃ** সৰুপেটাৰ সমীপৰ বগেমাৰী গাঁৱৰ পথাৰত যোৱা ২৭ জানুৱাৰীত এডাল বৃহৎ আকাৰৰ অজগৰ সাপ ৰাইজে ধৰি পাছত বন বিভাগক চমজাই দিয়ে। উল্লেখ্য যে বগেমাৰী গাঁৱৰ পাছফালে থকা ধাননী পথাৰৰ ৰেল লাইনৰ কাষত থকা এটা পুখুৰীৰ পাৰত পুৱা ১০ মান বজাত এডাল বৃহৎ আকাৰৰ অজগৰ সাপ প্ৰত্যক্ষ কৰি বগেমাৰী গাঁৱৰে দুজন মান যুৱকে গাঁৱত খবৰ দিয়াত তৎক্ষণিকভাৱে বহু মানুহৰ সমাগম হোৱাৰ লগতে তেওঁলোকে সাপডাল ধৰিবলৈ সক্ষম হয়।

# গোৰেশ্বৰত শিল্পী হৰিচৰণ ৰাজবংশীক সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**গোৰেশ্বৰ, ৩০ জানুৱাৰী ঃ** বাগ্‌সা জিলাৰ গোৰেশ্বৰত অলপতে জানুৱাৰীত সদৌ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ তামুলপুৰ জিলা সমিতিয়ে শেহতীয়াভাৱে ৰাজ্য চৰকাৰ আৰু সাংস্কৃতিক সঞ্চালকালয়ে শিল্পী পেঞ্চনৰে সন্মানিত কৰা বাগ্‌সা ওদালগুৰি সীমান্তৱৰ্তী জালুকবাৰী নিবাসী লোকগীতৰ শিল্পী হৰিচৰণ ৰাজবংশীক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। জীৱনজোৰা সাধনাৰে সাংস্কৃতিক ক্ষেত্ৰলৈ অৱদান আগবঢ়োৱা শিল্পী হৰিচৰণ ৰাজবংশীক শিল্পী পেঞ্চনৰ বাবে বাছনি কৰা সদৌ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ তামুলপুৰ জিলা সমিতিয়ে সন্তুষ্টি প্ৰকাশ কৰিছে। শিল্পী ৰাজবংশীক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে ৰাজ্য চৰকাৰক ধন্যবাদ জনাইছে। ইপিনে, যোৱা ১৪ জানুৱাৰীত ভোগালী বিহুৰ লগত সংগতি ৰাখি আন কে'বাজনো বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনায় পৰিষদে। বিশিষ্টসকল ক্ৰমে নবীন জহৰিছা, সভাপতি সদৌ ডিমাছা ছাত্ৰ সন্থা, পুলকেশ সোণোৱাল, সহকাৰী সম্পাদক সোণোৱাল কছাৰী ছাত্ৰ সন্থা, গৰিয়া উন্নয়ন পৰিষদৰ অধ্যক্ষ হাফিজুল আহমেদ, শৰণীয়া কছাৰী উন্নয়ন পৰিষদৰ অধ্যক্ষ হিতেশ ডেকা, সদৌ অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সাধাৰণ সম্পাদক ছায়েদুৰ ৰহমান আৰু গোৰেশ্বৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মৃদুল হাজৰিকাক। অনুষ্ঠানৰ আঁত ধৰে গকুল ৰাজবংশী আৰু সীমান্ত বায়নে। সহযোগ কৰে ৰাজীৱ হাজৰিকা আৰু নিপেন নাথে।

# বাইহাটা চাৰিআলি থানাত গাঁওৰক্ষী বাহিনীৰ ৭৩ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন

**অগ্ৰদূত বাৰ্তা**

**দুমুনিচকী, ৩০ জানুৱাৰী ঃ** কামৰূপ জিলাৰ বাইহাটা চাৰিআলি থানাত কালি অসম গাঁওৰক্ষী বাহিনীৰ ৭৩ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। বাইহাটা চাৰিআলি থানা গাঁওৰক্ষী বাহিনীৰ উদ্যোগত কালি সন্ধিয়া অনুষ্ঠিত প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বাইহাটা চাৰিআলি থানা চৌহদত অনুষ্ঠিত কৰা গাঁওৰক্ষী বাহিনীৰ প্ৰতিষ্ঠা দিৱসত প্ৰতিষ্ঠানক হৰিনাৰায়ণ বৰুৱাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে বাইহাটা চাৰিআলি থানা উপদেষ্টা সমিতিৰ সম্পাদক জগদীশ ডেকাকে ধৰি গাঁওৰক্ষী বাহিনীৰ বিষয়ববীয়া আৰু কৰ্মকৰ্তাসকলে। প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে বাইহাটা চাৰিআলি থানাৰ উপ-পৰিদৰ্শক উজ্জ্বল কুমাৰ দাসে। প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত বাইহাটা চাৰিআলি থানাৰ বিষয়-কৰ্মচাৰীৰ লগতে থানা অঞ্চলৰ গাঁওৰক্ষী বাহিনীৰ কে'বাগৰাকীও সদস্যই অংশগ্ৰহণ কৰে।

# মৰিগাঁৱত ড্ৰাগছৰ অবাধ বেহা ঃ ধৃত দুই

**অগ্ৰদূত বাৰ্তা**

**মৰিগাঁও, ৩০ জানুৱাৰী ঃ** মৰিগাঁৱত পুনৰ ড্ৰাগছসহ দুই যুৱকক আজি আৰক্ষীয়ে আটক কৰে। প্ৰাপ্ত তথ্য মতে, মৰিগাঁও চহৰৰ সমীপৱৰ্তী দন্দুৱাসত্ৰৰ বাস্তৱ নাথ আৰু হালধিবাৰীৰ এলবাৰ্ড আহমেদ নামৰ দুজন যুৱকে ড্ৰাগছসহ আহি থকা অৱস্থাত মৰিগাঁও আৰক্ষীয়ে বিশেষ সূত্ৰৰ পম খেদি চলোৱা অভিযানত জিলাখনৰ সাপমাৰী অঞ্চলত দুই যুৱকক আটক কৰাৰ লগতে ১.১১ গ্ৰাম ড্ৰাগছ আৰু চিৰিঞ্জ আৰক্ষীয়ে উদ্ধাৰ কৰে। মৰিগাঁও আৰক্ষীয়ে আটক কৰা দুই যুৱকক অধিক তথ্যৰ বাবে বৰ্তমান জেৰা অব্যাহত ৰাখিছে। ইফালে, এদিন পূৰ্বে মৰিগাঁও চহৰৰ স্কুল খেলপথাৰত দিন দুপৰতে দুই যুৱকে অত্যাধিক পৰিমাণে মাৰাত্মক ড্ৰাগছ চিৰিঞ্জৰ দ্বাৰা সেৱন কৰাৰ ফলত খেলপথাৰৰ বেৰৰ কাষতেই



অচেতন হৈ পৰি থকা চাঞ্চল্যকৰ ঘটনা মাৰ নাযাওঁতেই আজি পুনৰ দুই যুৱকক ড্ৰাগছ আৰু চিৰিঞ্জসহ আটক কৰা ঘটনাই সমগ্ৰ জিলাখনৰ ভিতৰে-বাহিৰে তীব্ৰ জোঁকাৰণিৰ সৃষ্টি কৰিছে। উল্লেখ্য যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ড্ৰাগছৰ ক্ষেত্ৰত কঠোৰ স্থিতি গ্ৰহণ কৰাৰ সময়ত অসম আৰক্ষীয়েও ড্ৰাগছৰ ক্ষেত্ৰত কঠোৰ অভিযান অব্যাহত ৰাখিছে যদিও আৰক্ষীৰ চকুত ধূলি দি দুষ্ট চক্ৰই বৰ্তমান সময়তো ড্ৰাগছ সৰবৰাহ চলাই আহিছে। মৰিগাঁও চহৰৰ বিভিন্ন প্ৰান্তৰ লগতে মৰিগাঁও নগাঁও সীমামূৰীয়া অঞ্চলসমূহত ড্ৰাগছৰ দৰে বিভিন্ন নিচাজাতীয় সামগ্ৰীৰ অবৈধ ঘাটি কাঠফুলাৰ দৰে দিনে দিনে গঢ় লৈ উঠিছে। একাংশ দুষ্টচক্ৰই উঠি অহা প্ৰজন্মক লক্ষ্য কৰি এইবোৰ অঞ্চলত ড্ৰাগছকে ধৰি বিভিন্ন নিচাযুক্ত সামগ্ৰীৰ ৰমৰমীয়া ব্যৱসায় চলাই অহাৰ ফলত নৱপ্ৰজন্মৰ বহু যুৱক ইয়াৰ কৱলত পৰি ইতিমধ্যে ধ্বংস হোৱা পৰিলক্ষিত হৈছে। ইফালে, ইফালে, মৰিগাঁও আৰক্ষীয়ে জিলাখনৰ বিভিন্ন প্ৰান্তত ধাৰাবাহিকভাৱে চলোৱা তীব্ৰ অভিযানত ড্ৰাগছকে ধৰি বিভিন্ন নিচাযুক্ত সামগ্ৰী উদ্ধাৰৰ লগতে ইয়াৰ লগত সৰবৰাহকাৰীক আটক কৰিবলৈ সক্ষম হৈছে যদিও মৰিগাঁও আৰক্ষীৰ চকুত ধূলি দি একাংশ দুষ্ট চক্ৰই এতিয়াও অবৈধভাৱে চলাই আছে মাৰাত্মক নিচাযুক্ত সামগ্ৰীৰ ৰমৰমীয়া ব্যৱসায়।

# ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ৰ শৈক্ষিক কাৰ্যসূচী

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ৩০ জানুৱাৰী ঃ** ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ উদ্যোগত আৰু মহাবিদ্যালয়ৰ সহবিদ্যায়তনিক কাৰ্যক্ৰমণিকাৰ অধীনত মহাবিদ্যালয়ৰ কাষৰীয়া উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত মহাবিদ্যালয়খনৰ অধ্যাপকসকল গৈ পাঠদান কাৰ্য যোৱা ২৩ জানুৱাৰীৰ পৰা আৰম্ভ হৈছে। উল্লেখ্য যে যোৱা বৰ্ষতো মহাবিদ্যালয়খনে এনে শৈক্ষিক পদক্ষেপ গ্ৰহণ কৰিছিল যদিও কৰ'না অতিমাৰীৰ বাবে এই উদ্যোগটো আধাতে সামৰিবলগীয়া হৈছিল। মহাবিদ্যালয়খনৰ উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক তথা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক তুলসী উপাধ্যায় আৰু ৰসায়ন বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক তথা সহকাৰী অধ্যাপক বিপুল শইকীয়া চমাৰ দলনিস্থিত দক্ষিণ নাগশংকৰ উচ্চ মাধ্যমিক বিদ্যালয়ত উপস্থিত হৈ নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক পাঠদান কৰে। শৈক্ষিক সচেতনতা বৃদ্ধিৰ ক্ষেত্ৰত ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ৰ শিক্ষক গোটে গ্ৰহণ কৰা এনে সময়োচিত পদক্ষেপৰ অঞ্চলবাসী ৰাইজে শলাগ লৈছে। উল্লেখ্য যে মহাবিদ্যালয়খনে বৃহত্তৰ জামুগুৰিহাটৰ মুঠ আঠখন উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ক এই শৈক্ষিক কাৰ্যসূচীৰ বাবে নিৰ্বাচিত কৰিছে।

# হাবি-জংঘলে আবৰিছে বৰলীয়া নৈৰ মথাউৰি

## ■ খহনীয়া অংশক লৈ আজিও শংকিত বৰভাগ-বনভাগৰ বিস্তীৰ্ণ অঞ্চল

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ৩০ জানুৱাৰী ঃ** বাৰিষালৈ বেছিদিন নাই। আৰু মাত্ৰ এটা বা ডেৰটা মাহ পাছতে ধৰালৈ নামিব বাৰিষা। ধাৰাসাৰ বৰষুণে নৈ-বিল একাকাৰ কৰি জলমগ্ন কৰি তুলিব বিস্তীৰ্ণ অঞ্চল, ফেনে-ফোটোকাৰে বাঢ়িব নৈ। নৈৰ প্ৰতিবন্ধক মথাউৰিৰ দুৰ্বল অংশৰে পানী নিগৰি শংকিত কৰিব ৰাইজক। কিন্তু দুৰ্ভাগ্যজনক কথা যে এতিয়ালৈকে জলসম্পদ বিভাগে মথাউৰিৰ দুৰ্বল অংশ মেৰামতি কৰা বা মথাউৰিৰ ওপৰৰ পৰা দুয়োকাষে গজি উঠা জংঘলসমূহ চাফাই কৰা



কোনো পদক্ষেপ লোৱা দৃষ্টিগোচৰ হোৱা নাই। বিশেষকৈ বানে গৰকা বৰভাগৰ ৰাইজ এই ক্ষেত্ৰত যথেষ্ট সজাগ। কাৰণ ইতিপূৰ্বৰে পৰা অঞ্চলটোক নোনা, ঘগ্ৰা, পাগলাদিয়া আৰু বৰলীয়া নৈৰ বাঢ়নী পানীয়ে জুলাকলা খুৱাই আহিছে। বৰ্তমান তাৰ কিছু পৰিমাণে উপশম ঘটিছে যদিও বৰ্তমান জলসম্পদ বিভাগৰ চকুমুদা স্বভাৱৰ বাবে পূৰ্বৰ অৱস্থা ঘূৰি আহিব পাৰে বুলি ৰাইজে আশংকা কৰিছে। বিশেষকৈ বৰলীয়া নৈৰ পশ্চিম দিশৰ মথাউৰি বাহাৰঘাটৰ পৰা গৰমচুঙলৈ অৱস্থা অতি পুতৌজনক। মন কৰিবলগীয়া যে যোৱা বছৰৰ নৈখনৰ বাঢ়নী পানীৰ তীব্ৰতা কিছু পৰিমাণে কম বাবে উক্ত অঞ্চলত মথাউৰি ছিঙাৰ পৰা হাত সাৰিছে। কিন্তু ২০২০ত উক্ত মথাউৰি ছোৱাৰ কে'বা ঠাইতো জলকে জলকে পানী নিগৰি সমগ্ৰ বৰভাগ অঞ্চলক জুৰুলা কৰিছিল। ইয়াৰ পাছতো অসম চৰকাৰৰ জলসম্পদ বিভাগে আজিলৈকে মথাউৰিছোৱা মেৰামতি কৰাৰ বাবে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। আনহাতে, উক্ত মথাউৰিছোৱাৰ গৰমচুং অঞ্চলত জংঘল গজি হাবি-সাদৃশ পৰিৱেশ হৈছে। সেইবোৰ চিকুণাই দিবলৈও বিভাগটোৰ সামৰ্থ্য বৰ্তমানলৈকে হোৱা নাই। তদুপৰি উক্ত ঠাইত পূৰ্বতে নৈখনে খহনীয়া কৰি মথাউৰিৰ প্ৰায় ৮০ শতাংশ উটুৱাই নিয়াৰ পাছত জলসম্পদ বিভাগে কে'বা কোটি টকা ব্যয় কৰি মেৰামতি কৰিছিল। বৰ্তমান উক্ত ঠাইৰ পৰাও শংকা ৰাইজৰ আঁতৰ হোৱা নাই। আনহাতে, কোনোবা ট্ৰেক্টৰৰ গৰাকীয়ে মথাউৰিৰ এটা অংশ কাটি মাটি কঢ়িওৱা কাম আৰম্ভ কৰিছে। বাৰিষা এইবোৰে ভয়ানক ৰূপ লোৱাৰ আশংকা ঘণীভূত হৈছে। বিভাগৰ দায়িত্বপ্ৰাপ্ত বিষয়া-কৰ্মচাৰীয়ে এইবোৰ দেখি-শুনিও নেদেখাৰ ভাওঁ দিয়াটো ৰাইজৰ বাবে অভিশাপ। ভুক্তভোগী ৰাইজে অনতি পলমে মথাউৰি মেৰামতি আৰু জংঘলসমূহ চাফাই কৰাৰ লগতে সকলো আঁসোৱাহ দূৰ কৰাৰ বাবে জলসম্পদ বিভাগৰ লগতে জনপ্ৰতিনিধিক দাবী জনাইছে।

# মৰাণত আন্তৰ্জাতিক সংস্থা জেচিআইৰ শাখা গঠন

## ■ বৃক্ষৰোপণেৰে কাৰ্যসূচী আৰম্ভ

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ৩০ জানুৱাৰী ঃ** মৰাণত আন্তৰ্জাতিক সংস্থা জেচিআই'ৰ শাখা এটা অলপতে গঠন কৰা হয়। নৱ প্ৰতিষ্ঠিত শাখাটোৱে যোৱা ২৬ জানুৱাৰীত গণৰাজ্য দিৱসৰ স'তে সংগতি ৰাখি মৰাণৰ অন্ধ বিদ্যালয় প্ৰাংগণত এলানি বৃক্ষৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে। কাৰ্যসূচীত সংস্থাৰ সভানেত্ৰী নন্দিনী পাছাৰী, সচিব চান্দনী আগৰৱালা, কোষাধ্যক্ষ ৰোশনি টোডি খাকলীয়াৰ লগতে ছফ্‌টি টিব্ৰিৱাল, অংকিতা আগৰৱালকে মুখ্য কৰি বহু লোক উপস্থিত আছিল। উল্লেখ্য যে সংগঠনটোৰ বিষয়ববীয়াসকলে অসমত পৰিৱেশ বচোৱাৰ স্বাৰ্থত গছ পুলি ৰোপণ কৰি দেশ আৰু উঠি অহা প্ৰজন্মক সহায় কৰাৰ ক্ষেত্ৰত শাখাটো প্ৰতিশ্ৰুতিবদ্ধ। পৰিৱেশ সুৰক্ষিত কৰিবৰ কাৰণে চৰকাৰৰ ওচৰতো শাখাটোৱে আহ্বান জনাইছে।

# বেদ ধৰ্ম পালনেই হিন্দু ধৰ্মৰ প্ৰধান লক্ষ্য

■ কলিয়াবৰ জিলা বৈদিক সমাজৰ ত্ৰয়োদশ দ্বি-বাৰ্ষিক অধিবেশন সম্পন্ন ■ হৰিনামৰ ধ্বনিৰে মুখৰিত কড়ালগাঁও হৰি মন্দিৰ প্ৰাঙ্গণ



অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ৩০ জানুৱাৰী ঃ** তিনিদিনীয়া কাৰ্যসূচীৰে কলিয়াবৰৰ বৰভগীয়া কড়ালগাঁও হৰি মন্দিৰ প্ৰাংগণত অনুষ্ঠিত অসম বৈদিক বৈষ্ণৱ সমাজৰ অন্তৰ্গত কলিয়াবৰ জিলা বৈদিক সমাজৰ ত্ৰয়োদশ দ্বি-বাৰ্ষিক অধিৱেশনৰ আজি সামৰণি পৰে। নিজ বৰভগীয়া-মিছামুখ আঞ্চলিক সমিতিৰ ব্যৱস্থাপনাত যোৱা ২৮ জানুৱাৰীৰ পৰা বিভিন্ন কাৰ্যসূচীৰে অনুষ্ঠিত অধিবেশনৰ আজি সামৰণিৰ দিনটোত কলিয়াবৰৰ বিভিন্ন প্ৰান্তৰ ভকত-বৈষ্ণৱ আৰু প্ৰতিনিধি বৰ্গৰ উপস্থিতিৰে আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি হয়। তিনিও দিন ধৰি হৰিনাম আৰু দেৱ বাদ্যৰ ধ্বনিৰে মুখৰিত হৈ উঠে কড়ালগাঁও হৰিমন্দিৰ প্ৰাংগণ। প্ৰথম দিনা প্ৰাতঃকীৰ্তন, বন্তি প্ৰজ্বলন, স্মৃতি তৰ্পণ আৰু ১৩ গৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা ১৩খন ধৰ্মধ্বজা উত্তোলনৰে অধিবেশনৰ কাৰ্যসূচীৰ আৰম্ভ হয়। ইয়াৰ পাছতে যুৱ আৰু মহিলা সমাজৰ প্ৰতিনিধি সভাৰ লগতে অনুষ্ঠিত হয় কলিয়াবৰ জিলা বৈদিক সমাজৰ প্ৰতিনিধি সভা। সভাত যুৱ, মহিলা সমাজ আৰু জিলা বৈদিক সমাজৰ নতুন সমিতিও গঠন কৰা হয়। বিমল বৰাক সভাপতি, পিংকুমনি বৰাক কাৰ্যকৰী সভাপতি আৰু জয়ন্ত বৰকাকতিক প্ৰধান সম্পাদকৰূপে লৈ সমিতিখন গঠন কৰা হয়। আনহাতে, ঘনকান্তি শইকীয়াক সভানেত্ৰী আৰু সংগীতা পূজাৰীক সম্পাদিকাৰূপে লৈ মহিলা বৈদিক সমাজৰ সমিতিখন গঠন কৰা হয়। একেদৰে পুলিন হাজৰিকাক কাৰ্যকৰী সভাপতি আৰু মৃণাল হাজৰিকাক প্ৰধান সম্পাদকৰূপে লৈ গঠন কৰা হয় কলিয়াবৰ জিলা বৈদিক সমাজৰ নতুন সমিতিখন। অধিবেশনৰ লগত সংগতি ৰাখি কালি অনুষ্ঠিত ১৩ পৃষ্ঠাত চাওক

## যমুনামুখৰ পথ উন্নয়নৰ বাবে মুখ্যমন্ত্ৰীক সাক্ষাৎ সঁজাতী দলৰ

অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ৩০ জানুৱাৰী ঃ** বিধ্বস্ত যাতায়াত ব্যৱস্থাৰ বাবে জ্বলাকলা খাব লগা হৈছে হোজাই জিলাৰ যুমনামুখ অঞ্চলৰ ৰাইজে। অতি সম্প্ৰতি অঞ্চলটোৰ স'তে সংযোগী কোনো এটা গড়কাপ্তানী পথ সুচল অৱস্থাত নথকাত যাতায়াতৰ ক্ষেত্ৰত ভীষণ অসুবিধাৰ সন্মুখীন হৈছে সৰ্বস্তৰৰ ৰাইজ। যোৱা ২৮ জানুৱাৰীত এই সন্দৰ্ভত যমুনামুখৰ সমাজকৰ্মী দেৱকান্ত বৰা, যমুনামুখ গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য প্ৰতীম কুমাৰ চৌধুৰী, ৰাতুল বৰা আৰু সুমন দত্তৰ নেতৃত্বত যোৱা এটা সঁজাতী দলে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক চৰকাৰী আৱাসত সাক্ষাৎ কৰি উল্লেখিত পথ তিনিটা শীঘ্ৰে উন্নয়নৰ বাবে অনুৰোধ জনায় এক স্মাৰকপত্ৰ প্ৰদান কৰে। মুখ্যমন্ত্ৰীয়ে বিষয়টো অতি গুৰুত্ব সহকাৰে গ্ৰহণ কৰি লগে লগে বিভাগীয় মুখ্য কাৰ্যবাহী অভিযন্তাক ইয়াৰ যাৱতীয় প্ৰাককলন তৈয়াৰ কৰিবলৈ নিৰ্দেশ প্ৰদান কৰে। মুখ্যমন্ত্ৰীৰ এনে পদক্ষেপে পিছপৰা অঞ্চলটোলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে। উল্লেখ্য যে বৃহত্তৰ যমুনামুখ অঞ্চলৰ ৰাইজে বহিঃবিশ্বৰ স'তে যোগাযোগ ৰক্ষা কৰি অহা যমুনামুখ সৰুপথাৰ সংযোগী গড়কাপ্তানী পথ, যমুনামুখ ডবকা সংযোগী গড়কাপ্তানী পথ আৰু যমুনামুখ কামপুৰ সংযোগী গড়কাপ্তানী পথ তিনিটা বিগত সময়ত হৈ যোৱা কে'বাটাও বানত ব্যাপক ক্ষতিসাধন হয়। বিশেষকৈ যমুনামুখৰ পৰা ৩৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী সৰুপথাৰলৈ যোৱা সাত কিলোমিটাৰ দৈৰ্ঘ্যৰ গড়কাপ্তানী পথছোৱাৰ ওপৰেদি দৈনিক গধুৰ গধুৰ যান-বাহন চলাচল কৰাত প্ৰায় পাঁচ কিলোমিটাৰ পথ একেবাৰে জৰাজীৰ্ণ হৈ পৰিছে। অঞ্চলটোৰ স'তে সংযোগী আটাইকেইটা পথৰ দুৰৱস্থাৰ বিষয়ে জানিও সমষ্টিৰ বিধায়ক ছিৰাজুদ্দিন আজমল নিশ্চুপ হৈ থকাত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিধায়ক ছিৰাজুদ্দিনে এই পৰ্যন্ত অঞ্চলটোৰ যিকেইটা উন্নয়নমূলক কাম হাতত লৈছে সেয়া কেৱল আধাৰশিলাতে সীমাবদ্ধ থকাত ৰাইজৰ সমালোচনাৰ সন্মুখীন হ'ব লগা হৈছে।

## ৫০ দিব্যাংগলৈ কম্বল বিতৰণ

অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ৩০ জানুৱাৰী ঃ** অসম ৰাজ্যিক দিব্যাংগ মঞ্চৰ অধীনত থকা হোজাই জিলা দিব্যাংগ মঞ্চই যোৱা ২৬ জানুৱাৰীত কম্বল বিতৰণ কৰে। সিদিনা ডবকাৰ সুতাৰগাঁৱত থকা আব্দুল আজিজৰ বাসগৃহত অনুষ্ঠিত এখন সভাত ৫০ গৰাকী বিশেষভাৱে সক্ষম লোকলৈ একোখনকৈ কম্বল বিতৰণ কৰা হয়। অসম সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ অধ্যক্ষ হবিব মহম্মদ চৌধুৰীয়ে হোজাই জিলাত থকা দিব্যাংগসকললৈ বিতৰণ কৰিবলৈ ৫০০ খন কম্বল দিব্যাংগ মঞ্চৰ হাতত তুলি দিয়ে। গণৰাজ্য দিৱসৰ দিনা হোজাই জিলা দিব্যাংগ মঞ্চৰ মুখ্য উপদেষ্টা মনেশ্বৰ বৰাৰ পৌৰোহিত্যত অনুষ্ঠিত এখন সভাত দ্বিতীয় পৰ্যায়ত ৫০ গৰাকী লোকলৈ কম্বল বিতৰণ কৰে। হোজাই জিলাৰ সভাপতি মহিবুৰ ৰহমান, সম্পাদক ৰতন পুৰকায়স্থ, উপ-সভাপতি আব্দুল আজিজ, আতাউৰ ৰহমান সহ বহুকেইগৰাকী ব্যক্তিৰ উপস্থিতিত যমুনামুখ সমষ্টিৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বিশেষভাৱে সক্ষম ৫০ গৰাকী লোকৰ হাতত কম্বল কেইখন তুলি দিয়া হয়। জিলাখনৰ বিশেষভাৱে সক্ষম লোকসকলক কোনো ৰাজনৈতিক দলে গুৰুত্ব নিদিয়াৰ অভিযোগ কৰিছে। অৱশ্যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দিব্যাংগসকলৰ সমস্যাৰ কথা গুৰুত্ব সহকাৰে লোৱা বুলি দিব্যাংগ মঞ্চৰ নেতাসকলে সদৰী কৰিছে।

## পৰিৱৰ্তিত পৰিস্থিতিত ভাৰত পেট্ৰ'লিয়াম সংস্থাৰ পদক্ষেপ

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ৩০ জানুৱাৰী ঃ** বিশ্ব দেশৰ দেশৰ পৰৱৰ্তিত পৰিৱেশ আৰু পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি শেহতীয়াকৈ বিভিন্ন যানবাহন নিৰ্মাতা প্ৰতিষ্ঠানে বৈদ্যুতিক শক্তিৰ সহায়ত চালিত যানবাহন নিৰ্মাণ কৰাৰ সময়তে অনাগত সময়ত ইয়াৰ উপযোগিতাৰ প্ৰতি লক্ষ্য ৰাখি ভাৰত পেট্ৰ'লিয়াম কৰ্পৰেছন লিমিটেডেও গ্ৰহণ কৰিছে কেতবোৰ নতুন পৰিকল্পনা। উল্লেখ্য যে যোৱা ২৫ জানুৱাৰীত দেশৰ ইন্ধনৰ



ক্ষেত্ৰত অন্যতম সংস্থা ভাৰত পেট্ৰ'লিয়াম কৰ্পৰেছন লিমিটেডৰ ৪৬ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে দেশৰ এশখন ১৩ পৃষ্ঠাত চাওক

■ ডিগবৈ টিংৰাইত জিলাভিত্তিত ৭৩ সংখ্যক গাঁওৰক্ষী বাহিনীৰ প্ৰতিষ্ঠা দিৱস উদযাপন

## সুস্থ সমাজ গঠনত গাঁওৰক্ষীয়ে ভূমিকা গ্ৰহণ কৰিব পাৰে

**ডিগবৈ, ৩০ জানুৱাৰী ঃ** সমগ্ৰ ৰাজ্যৰ লগতে ডিগবৈ আৰক্ষী থানাৰ উদ্যোগত সমূহ টিংৰাই গাঁওৰক্ষী বাহিনীৰ সহযোগত টিংৰাই ৰাজহুৱা প্ৰেক্ষাগৃহত তিনিচুকীয়া জিলা ভিত্তিত ৭৩ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। ক'ভিড বিধি পালন কৰি অনুষ্ঠিত কৰা প্ৰতিষ্ঠা দিৱসত তিনিচুকীয়া জিলাৰ অন্তৰ্গত ১৪ খন আৰক্ষী থানাৰ মুঠ ৬৪ খন গাঁওৰক্ষী বাহিনীৰ সভাপতি-সম্পাদক উপস্থিত থাকে। প্ৰতিষ্ঠা দিৱসৰ পতাকা উত্তোলন কৰে ডিগবৈ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰঞ্জিত বৰদলৈয়ে। স্মৃতি তৰ্পণ কৰে ডিগবৈ আৰক্ষী



থানাৰ গাঁওৰক্ষী বাহিনীৰ চক্ৰ সংগঠক ভুৱন হাজৰিকাই। দুই নম্বৰ অসমীয়া গাঁৱৰ গাঁওৰক্ষী বাহিনীৰ সভাপতি প্ৰফুল্ল দত্তই আঁত ধৰা মুকলি সভাখনত সভাপতিত্ব কৰে ডিগবৈ আৰক্ষী থানাৰ সভাপতি ধীৰাজ গগৈয়ে। সভাত নিৰ্দিষ্ট বক্তা ৰূপে উপস্থিত থাকে তিনিচুকীয়া জিলা আৰক্ষী অধীক্ষক দেৱজিৎ দেউৰী, অতিৰিক্ত আৰক্ষী অধীক্ষক প্ৰণৱ কুমাৰ পেগু, ডিগবৈ বিধানসভা সমষ্টিৰ বিধায়ক সুৰেন ফুকনৰ লগতে তিনিচুকীয়া জিলাখনৰ অন্তৰ্গত কে'বাখনো আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া। ১৩ পৃষ্ঠাত চাওক

## ছেৰাগুৰিত সাধনী উদ্যানৰ আধাৰশিলা স্থাপন



**সৰুপথাৰ, ৩০ জানুৱাৰী ঃ** আজি বিধায়ক বিশ্বজিৎ ফুকনে সৰুপথাৰ ছোৱাগুৰিত নিৰ্মাণ হ'বলগীয়া সাধনী উদ্যানৰ আধাৰশিলা স্থাপন কৰে। ন লাখ টকাৰ ব্যয় সাপেক্ষে ছেৰাগুৰিত এটা পুখুৰী খনন আৰু সাধনী উদ্যান নিৰ্মাণ হ'ব। তেওঁ সৰুপথাৰ আৰু টেঙাহোলা গাঁও পঞ্চায়তত এমজি এনৰেগা আঁচনিৰ অধীনত চাৰিটা বিভিন্ন আঁচনিৰ আধাৰশিলা স্থাপন কৰে।

## ডিমৰীয়া ডিজিটেল মাধ্যম সাংবাদিক সন্থা গঠন

অগ্ৰদূত বাৰ্তা

**সোণাপুৰ, ৩০ জানুৱাৰী ঃ** নেতাজী সুভাষ চন্দ্ৰ বসুৰ জন্ম জয়ন্তীৰ দিনটোতে ডিমৰীয়াত কালি নকৈ জন্ম হ'ল ডিমৰীয়া ডিজিটেল মাধ্যম সাংবাদিক সন্থা। সাম্প্ৰতিক সময়ত ডিজিটেল মাধ্যমৰ সাংবাদিকতাৰ গুৰুত্ব অপৰিসীম। এনে পৰিস্থিতিত বৃহত্তৰ ডিমৰীয়াত ৰাইজৰ হৈ কাম কৰি অহা ডিমৰীয়াৰ ডিজিটেল মাধ্যমৰ সাংবাদিকসকলে নিজস্ব অনুষ্ঠান এটাৰ বাৰুকৈয়ে অভাৱ অনুভৱ কৰি আহিছিল। যাৰ ফলত নৱ প্ৰজন্মৰ ডিজিটেল মাধ্যমৰ সাংবাদিক তথা সংবাদ কৰ্মীসকলে সমাজৰ প্ৰতি দায়বদ্ধতাৰ অংগীকাৰেৰে একগোট হৈ গঠন কৰিলে ডিমৰীয়া ডিজিটেল মাধ্যম সাংবাদিক সন্থা। সোণাপুৰ গাঁও পঞ্চায়তৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা অনুষ্ঠানত সঞ্জীৱ ডেকাক সভাপতি, সুশান্ত কুমাৰ ৰাভা কাকতিক উপ-সভাপতি, দ্বীপু বৰদলৈক সম্পাদক, পংকজ ডেকাক সহকাৰী সম্পাদক হিচাপে লৈ ১৩ জনীয়া পূৰ্ণাংগ সমিতিখন গঠন কৰা হয়। তদুপলক্ষে নেতাজী সুভাষ চন্দ্ৰ বসুৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা অনুষ্ঠানত সোণাপুৰ গাঁও পঞ্চায়তৰ সভাপতি নুৰ আহমেদ লস্কৰ, ডিমৰীয়া আছুৰ সভানেত্ৰী বৰষা মেধি, ডিমৰীয়া জিলা জনজাতি সংঘৰ সভাপতি ৰত্নেশ্বৰ ৰংহাং, ডিমৰীয়া আটছাৰ সভাপতি ৰাজু গৰাইট প্ৰমুখ্যে অঞ্চলটোৰ জ্যেষ্ঠ লোকসকল উপস্থিত থাকে।

## বেবেজীয়াৰ সৰবৰহী মহিলাৰ বিয়োগ



অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ৩০ জানুৱাৰী ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ চাৰি নম্বৰ নামঘৰৰ সমীপৰ নিবাসী তথা সৰবৰহী মহিলা ভৱানী দেৱী (৯০)ৰ কালি মৃত্যু হয়। তেওঁক পৰহি নগাঁৱৰ এখন চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও কালি উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ নিয়াৰ পথত শেষ নিশ্বাস ত্যাগ কৰে। বেবেজীয়া আঞ্চলিক সাৰ্বজনীন পূজা মন্দিৰ আৰু বেবেজীয়া আঞ্চলিক ব্ৰাহ্মণ সমাজৰ সক্ৰিয় সদস্যাগৰাকীয়ে মৃত্যুৰ সময়ত পাঁচজন পুত্ৰ, দুগৰাকী বিবাহিত কন্যা এৰি যায়। তেওঁৰ মৃত্যুত বেবেজীয়া আঞ্চলিক পূজা সমিতি, বেবেজীয়া আঞ্চলিক ব্ৰাহ্মণ সমাত, বেবেজীয়া প্ৰগতি সংঘ, বেবেজীয়া শাখা নাট্য সন্মিলন, স্বেচ্ছাসেৱী অনুষ্ঠান শ্বাইন'ছ প্লেয়াৰ্ছ, ফেগুছ-এ হেল্পিং হেণ্ডকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

## টিহু পৌৰসভাৰ নিবিদা প্ৰক্ৰিয়াত অনিয়মৰ অভিযোগ হিন্দু জাগৰণ মঞ্চৰ

■ নলবাৰী জিলা উপায়ুক্তৰ হস্তক্ষেপ দাবী

অগ্ৰদূত বাৰ্তা

**টিহু, ৩০ জানুৱাৰী ঃ** টিহু পৌৰসভাই শেহতীয়াভাৱে আহ্বান কৰা এক নিবিদা প্ৰক্ৰিয়াত গুৰুতৰ অনিয়মৰ অভিযোগ উত্থাপন কৰি সেয়া শীঘ্ৰে বাতিলৰ দাবী জনাইছে হিন্দু জাগৰণ মঞ্চৰ টিহু খণ্ডই। সংগঠনটোৰ টিহু খণ্ডৰ সভাপতি দীপক হুজুৰী আৰু সম্পাদক প্ৰমথেশ তালুকদাৰ স্বাক্ষৰিত এক অভিযোগ পত্ৰ নলবাৰী জিলা উপায়ুক্তক প্ৰদান কৰি দাবী জনায় যে টিহু পৌৰসভাই এক জাননীযোগে পঞ্চদশ বিত্তীয় আঁচনিৰ অন্তৰ্গত দ্বিতীয় কিস্তিৰ মুঠ সাতখন আঁচনিৰ কামৰ বাবে নিবিদা আহ্বান কৰি নিবিদাৰ প্ৰ-পত্ৰ ২০ জানুৱাৰীৰ পৰা সংগ্ৰহ কৰিব পাৰিব বুলি প্ৰকাশ কৰে। অভিযোগ মতে, পৌৰসভা কৰ্তৃপক্ষই ২১ জানুৱাৰীৰ বিয়লি দুই বজালৈকে উক্ত নিবিদা প্ৰ-পত্ৰ মুকলি কৰি নিদিয়াত একাংশ নিবিদাকাৰী যথেষ্ট সমস্যাৰ সন্মুখীন হ'ব লগা হয়। ইয়াৰ বিপৰীতে ২২ আৰু ২৩ জানুৱাৰীত পৌৰসভাৰ কাৰ্যালয় বন্ধ থকাত নিবিদা প্ৰ-পত্ৰ ২৪ জানুৱাৰীতহে নিবিদাকাৰীয়ে লাভ কৰা বুলি অভিযোগ কৰে সংগঠনটোৱে। উপায়ুক্তক প্ৰদান কৰা অভিযোগ পত্ৰত সংগঠনটোৱে উল্লেখ কৰা মতে, ২৫ আৰু ২৬ জানুৱাৰীত কাৰ্যালয় বন্ধ থকাত ২৭ জানুৱাৰীত একেদিনাই নিবিদা গ্ৰহণ আৰু মুকলি কৰি চৰকাৰী নিয়ম ভংগ কৰিছে পৌৰসভা কৰ্তৃপক্ষই। সংগঠনটোৱে অভিযোগ কৰা মতে, টিহু পৌৰসভাৰ ঠিকাভিত্তিত নিয়োজিত এগৰাকী কনিষ্ঠ অভিযন্তাই নিবিদা আহ্বান কৰা প্ৰাক্কলনবোৰ 'হাউছিং আৰু আৰবান এফেয়াৰ্ছ'ৰ বিভাগীয় কাৰ্যবাহী অভিযন্তাৰ পৰা কোনো ধৰণৰ 'টি এছ' নকৰাকৈ নিজৰ মইমতালিৰে যোৱা ২৭ জানুৱাৰীত নিবিদাবোৰ পৰীক্ষণ সমিতিৰ দ্বাৰা মুকলি কৰে। ইয়াৰ উপৰি চৰকাৰী ৱেবছাইটত জাননী প্ৰকাশ নকৰা বুলিও সংগঠনটোৱে গুৰুতৰ অভিযোগ তোলে। হিন্দু জাগৰণ মঞ্চৰ টিহু খণ্ডই এনে খেলিমেলিৰে ভৰা নিবিদা প্ৰক্ৰিয়া শীঘ্ৰে বাতিল কৰি উচিত তদন্ত কৰি পদক্ষেপ গ্ৰহণ কৰিবলৈ নলবাৰী জিলা উপায়ুক্তক আহ্বান জনাইছে। সংগঠনটোৰ স্মাৰকপত্ৰৰ প্ৰতিলিপি কেবিনেট মন্ত্ৰী তথা স্থানীয় বিধায়ক ৰঞ্জিৎ কুমাৰ দাস, মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্তমল্ল বৰুৱাকে ধৰি সংশ্লিষ্ট কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰে।

## পুনৰ বিশ্বনাথলৈ গৌৰৱ কঢ়িয়ালে গাগলিনা আশ্ৰায়নে

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ৩০ জানুৱাৰী ঃ** পুনৰ ৰাষ্ট্ৰীয় পৰ্যায়ত উজলিছে বিশ্বনাথৰ এগৰাকী ১৮ যুৱতী। যুৱতী গৰাকীৰ নাম গাগলিনা আশ্ৰায়ন। বিশ্বনাথৰ কল্যাণপুৰ নিবাসী মনোজ কুমাৰ শৰ্মা আৰু পপী শৰ্মাৰ কন্যা সন্তান গাগলিনাই ছনি টিভিৰ ইণ্ডিয়া গট টেলেণ্ট ছিজন নৱ অডিছন ৰাউণ্ডত নিৰ্বাচিত হৈছে। ভাৰতৰ টেলিভিছন ইতিহাসত পোন প্ৰথমবাৰৰ বাবে ৬০ ফুট উচ্চতাত হট এয়াৰ বেলুনত তেওঁ এৰিয়েল নৃত্য কৰি খলকনিৰ সৃষ্টি কৰিছে। ছনি টিভিত সম্প্ৰচাৰ হৈ যোৱা ইণ্ডিয়া গট টেলেণ্ট ছিজন-ন'ৰ খণ্ডটোত গাগলিনাৰ সুন্দৰ পাৰফৰমেন্স দেখি প্ৰশংসাৰে উপচাই পেলাইছে শ্ব'টোৰ বিচাৰক শিল্পা চেট্ৰী, মনোজ মণ্টাচী আৰু বাদশ্বাহে। কোনো ধৰণৰ চেফটি বেল্ট নোহোৱাকৈ এনেদৰে ৬০ ফুট উচ্চতাত এৰিয়েল এক্ট কৰা গাগলিনাৰ এই পাৰফৰমেন্সৰ পাছত পিতৃ-মাতৃয়ে কয় যে কি কাৰ্য সপোনতো ভবা নাছিল সেয়া গাগলিনাই কৰি দেখুৱাইছে আৰু এয়া ভগৱানৰে এটা অৱদান। লগতে নিৰ্বাচিত হোৱাৰ বাবে বিচাৰকসকলক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছে পিতৃ-মাতৃয়ে।

## মাজুলীত পক্ষী নিৰীক্ষণ কেন্দ্ৰ স্থাপনৰ আহ্বান

■ পক্ষী নিধনকাৰীৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী দীপালোক সচেতন মঞ্চৰ

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ৩০ জানুৱাৰী ঃ** মাজুলীৰ জলাশয়, নৈ, বিল আদিলৈ প্ৰতি বছৰে আগমন ঘটে শীতৰ আলহী দেশ-বিদেশৰ পৰিভ্ৰমী পক্ষী। পক্ষীৰ কলৰৱত মুখৰিত মাজুলীত এই নান্দনিক দৃশ্য উপভোগ কৰিবলৈ আগমন ঘটে দেশী-বিদেশী পৰ্যটকৰ। প্ৰকৃতিৰ বিনন্দীয়া সৌন্দৰ্য অক্ষুণ্ণ ৰাখিবলৈ আহোম ৰাজত্বকালত সেয়েহে মাজুলীত স্থাপন কৰিছিল



মাজেৰে বৈ যোৱা টুনী নৈৰ পাৰৰ গাঁও দুখন এতিয়াও ইতিহাসৰ সাক্ষী হৈ আছে। এটা সময়ত টুনী নৈৰ মুখখন বন্ধ কৰি দিয়া হৈছিল। নৈ, বিল, খাল, ডুবি আদি লীজত দি ৰাজহ সংগ্ৰহ কৰিছিল। মাজুলীত জনসমাগম বৃদ্ধি হোৱাত এই জলাশয়বোৰত ব্যাপক বেদখল হয়। শেহতীয়াকৈ চৰকাৰে বেদখল ৰোধ কৰাৰ ব্যৱস্থা কৰাৰ উপৰি পক্ষী হত্যাও বন্ধ কৰিছিল।

অসমৰ প্ৰথমখন পক্ষী উদ্যান চৰাই চোং। পৰৱৰ্তী সময়ত দক্ষিণপাট সত্ৰই সত্ৰৰ সমীপতে বহু বিঘা ভূমি পক্ষীকুলৰ বাবে সংৰক্ষণ কৰিছিল। অকল সেয়াই নহয় প্ৰতিখন সত্ৰৰ, গাঁৱৰ সমীপতে একোখন দলনি-পিটনি আছিল। শেন কনুৱাক প্ৰশিক্ষণ দি ৰজা ঘৰত চৰাই যুঁজলৈ সাজু কৰা ডেকা শেনচোৱা, বুঢ়া শেনচোৱা নামৰ দুখন গাঁও আছিল। মাজুলীৰ মাজুলী প্ৰশাসনে ঠায়ে ঠায়ে পক্ষী নিৰীক্ষণ কেন্দ্ৰও নিৰ্মাণ কৰিছিল। পৰ্যটকৰ বাবে আকৰ্ষণীয় কৰি তোলাৰ আঁচনিখন কিবা কাৰণত গেঁঠেলা ১৩ পৃষ্ঠাত চাওক

## ৰতন লহকৰে সকলোকে নাটক চাবলৈ বাধ্য কৰাইছিল ঃ মন্ত্ৰী দাস

■ বিৰোধীৰ বিধায়ক আনিব খুজিলে খালী কৰি দিব পাৰো ঃ জয়ন্ত মল্ল



বিশেষ সম্বাদদাতা

**পাঠশালাৰ, ৩০ জানুৱাৰী ঃ** বিৰোধীৰ বিধায়ক আনিব খুজিলে আমি কংগ্ৰেছ আৰু এআইইউডিএফ খালী কৰি দিব পাৰো। তেওঁলোকে আহিম আহিমকৈ আছে। এআইইউডিএফৰ এজন বিধায়কো আমাক নালাগে আৰু কংগ্ৰেছত সমাজ জীৱনত শ্ৰদ্ধা কৰা এজনো বিধায়ক নাই। ভাৰতীয় মূলসুঁতিৰ লগত নথকা আৰু খিলঞ্জীয়াৰ লগত নথকা মানুহ কংগ্ৰেছত আছে। ভূপেন বৰাই এতিয়া অকলে বিৰোধী। তিনিবাৰকৈ হাৰা মানুহে কংগ্ৰেছত সভাপতি হ'ব পাৰে। এই মন্তব্য মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱাৰ। কালি ভ্ৰাম্যমাণ নাট্য আন্দোলনৰ অন্যতম কাণ্ডাৰী নাট্যযোদ্ধা ৰতন লহকৰৰ পঞ্চম মৃত্যু বাৰ্ষিকীত উপস্থিত থাকি এইদৰে কয় বিধায়ক জয়ন্ত মল্ল বৰুৱাই। তেওঁ পুনৰ কয় ভূপেন বৰাই ভালকৈ কবিতাও লিখিব নাজানে ক'ৰ তাল ক'ৰ সুৰ ঠিক নাই, লাগ বান্ধ নোহোৱা কবিতা। কবিতা লিখিবলৈ প্ৰতিভাৰ প্ৰয়োজন। তিনিবাৰ হাৰি থকা মানুহৰ প্ৰতিভা ক'ত থাকিব বুলি ১৩ পৃষ্ঠাত চাওক

## অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° জ্যোতিমালা গোহাঁই ফুকনক বিদায় সম্বৰ্ধনা



অগ্ৰদূত বাৰ্তা

**টিংখাং, ৩০ জানুৱাৰী ঃ** গুৰু-শিষ্যৰ মহামিলন ভূমিত পৰিণত হ'ল টিংখাং মহাবিদ্যালয়। য'ত দেখা গ'ল শিক্ষাগুৰুৰ প্ৰতি থকা শিষ্যৰ অগাধ ভক্তি আৰু সন্মানৰ এক ভাল লগা বিৰল দৃশ্য। টিংখাং মহাবিদ্যালয়ৰ সদ্য অৱসৰপ্ৰাপ্ত অধ্যক্ষ, কবি, সাহিত্যিক, আকাশবাণী ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ স্বীকৃতিপ্ৰাপ্ত গীতিকাৰ ড° জ্যোতিমালা গোহাঁই ফুকনক যোৱা ২৮ জানুৱাৰীত টিংখাং মহাবিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত অনুষ্ঠানত ৰাজহুৱাকৈ বিদায় সম্বৰ্ধনা জনোৱা হয়। টিংখাং আছু আৰু জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, টিংখাং আঞ্চলিক সমিতি প্ৰমুখ্যে টিংখাং অঞ্চলৰ সকলো সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ছাত্ৰ সমাজৰ উদ্যোগত অনুষ্ঠিত অনুষ্ঠান সঞ্চালনা কৰে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি ভৰেন সোণোৱালে। টিংখাং আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সৌৰভজ্যোতি বৰফুকনে উদ্দেশ্য ব্যাখ্যা ১৩ পৃষ্ঠাত চাওক

## পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ অধিবেশনৰ দিন নিৰ্ধাৰণ

■ ডিব্ৰুগড়ত কাৰ্যনিৰ্বাহক সভা

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ৩০ জানুৱাৰী ঃ** লখিমপুৰ জিলাৰ উত্তৰ লখিমপুৰৰ আজাদ বৰচেতিয়া গাঁৱত অনুষ্ঠিত হ'ব পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ অধিবেশন। অহা আঠ এপ্ৰিলৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিতব্য হ'ব পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ অধিবেশন। বৰবৰুৱা ছ্যুকাফা ভৱনত তাই সাহিত্য সভাৰ সভাপতি ড° দয়ানন্দ বৰগোহাঁইৰ সভাপতিত্বত অনুষ্ঠিতব্য কাৰ্যনিৰ্বাহকৰ সভাই সিদ্ধান্ত গ্ৰহণ কৰিছে। সভাৰ আৰম্ভণিতে সম্পাদক পুষ্পধৰ শইকীয়াই উদ্দেশ্য ব্যাখ্যা কৰাৰ পাছত আগন্তুক অধিবেশনখন অনুষ্ঠিত কৰাৰ পূৰ্বে সম্পাদন কৰিবলগীয়া সাংগঠনিক কাম সম্পৰ্কে বিভিন্ন পৰামৰ্শ আগবঢ়ায়। সভাত চিদানন্দ বৰুৱা, দুৰ্গা বৰগোহাঁই, অতুল ফুকন, পৰন ৰাজকোঁৱৰ, ঘন বৰগোহাঁই, কনক নেওগ আদিয়ে ভাষণ দিয়ে। ইতিমধ্যে ছপাশালত থকা আহোম বুৰঞ্জী, পাটকাইৰ সিপাৰে ন বছৰৰ হিন্দী অনুবাদ গ্ৰন্থ, বেলি মাৰ গ'ল গ্ৰন্থৰ ইংৰাজী অনুবাদ গ্ৰন্থ, প্ৰথম অভিধানিক টেঙাই মহনৰ অভিধান 'বৰ অম্ৰ' আৰু মলাঘৰীয়া বৰুৱাৰ অভিধান 'লতি অম্ৰ'ৰ উপৰি সাংবাদিক-লেখক শৰৎ চন্দ্ৰ নেওগ ৰচিত জয়মতী কুঁৱৰীৰ জীৱন ভিত্তিক উপন্যাস 'জেৰেঙাৰ উচুপনি ঃ হত্যাকাৰীৰ সন্ধানত' গ্ৰন্থকে ধৰি মুঠ ১৫ খন গ্ৰন্থ আগন্তুক লখিমপুৰ অধিবেশনত উন্মোচন কৰা হ'ব।

## প্ৰাচীৰ পত্ৰিকা বিদ্যালয়ৰ দাপোণ-ছাত্ৰ-ছাত্ৰীৰ সাহিত্যৰ প্ৰথম খোজ ঃ বিভাৰাণী কাকতি

### শুৱালকুছি কে আৰ কে হাইস্কুলত প্ৰাচীৰ পত্ৰিকা উন্মোচন

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ৩০ জানুৱাৰী ঃ** প্ৰাচীৰ পত্ৰিকা বিদ্যালয় এখনৰ দাপোণ। কিয়নো বিদ্যালয়ত যিকোনো এগৰাকী ব্যক্তি প্ৰৱেশ কৰি বিদ্যালয়ৰ বেৰত প্ৰাচীৰ পত্ৰিকাখন আঁৰি থকা দেখিলেই বিদ্যালয়খনৰ প্ৰতি এটা ভাল ভাব মনলৈ আহে। আনহাতে, প্ৰাচীৰ পত্ৰিকাৰ জৰিয়তে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে সাহিত্যৰ দিশত প্ৰথম খোজটো দিবলৈ সক্ষম হয়। এই মন্তব্য শুৱালকুছি কে আৰ কে হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী বিভাৰাণী কাকতিৰ। কালি বিদ্যালয়খনৰ প্ৰাচীৰ পত্ৰিকা এখন উন্মোচন কৰি তেওঁ কয় যে ছাত্ৰ-ছাত্ৰীসকলে প্ৰাচীৰ পত্ৰিকাৰ জৰিয়তে তেওঁলোকে। লেখাসমূহ প্ৰকাশ কৰি থাকিলে ভৱিষ্যতে একো একোগৰাকী প্ৰতিষ্ঠিত কবি, সাহিত্যিক, নাট্যকাৰ, গল্পকাৰ আদি হোৱাৰ সম্ভাৱনা আছে। সেয়েহে বিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক তেওঁ প্ৰাচীৰ পত্ৰিকাত লেখি নিজৰ প্ৰতিভা বিকাশ কৰি আহ্বান জনায়। বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী সোণমাই ৰাভাই আঁত ধৰা উক্ত প্ৰাচীৰ পত্ৰিকা উন্মোচনী অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি শৈলেন শৰ্মাই। অনুষ্ঠানত জ্যেষ্ঠ শিক্ষক বাবুল কলিতাই ভাষণ প্ৰদান কৰি বিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকাই ভৱিষ্যৎ দিনত প্ৰতিগৰাকী শিক্ষাৰ্থীক লেখা-মেলাত কিদৰে অনুপ্ৰাণিত কৰে আৰু ইয়াৰ জৰিয়তে সাহিত্যৰ দিশত কেনেদৰে অগ্ৰসৰ হ'ব পাৰি তাক ১৩ পৃষ্ঠাত চাওক






### অষ্ট্ৰেলিয়ান অপেন টেনিছৰ মাৰাথন ফাইনেলত পাঁচটা ছেটৰ যুঁজত স্পেইনৰ তাৰকাই হৰুৱালে ৰাছিয়াৰ ডানিলক

# ইতিহাস গঢ়ি কেৰিয়াৰৰ ২১সংখ্যক গ্ৰেণ্ডশ্লাম জয় নাডালৰ

## ডক'ভিচৰঅনুপস্থিতিয়ে সহজ কৰিলে ৰাফেলৰ সপোনৰ পথ

**মেলব'ৰ্ণ, ৩০ জানুৱাৰী ঃ** ন'ভাক ডক'ভিচৰ বিতৰ্কিত বিদায়ৰ পাছত অষ্ট্ৰেলিয়ান অপেনৰ পুৰুষৰ একক শাখাৰ চেম্পিয়ন যে ৰাফেল নাডালে হ'ব সেয়া নিশ্চিত হৈ গৈছিল। অনুৰাগীক হতাশ নকৰি নাডালে জয় কৰিলে অষ্ট্ৰেলিয়ান অপেনৰ পুৰুষৰ একক শাখাৰ খিতাপ। প্ৰথম ৰাউণ্ডৰ পৰাই নাডালৰ যাত্ৰা আছিল ৰূপকথাৰ দৰেই। বছৰৰ প্ৰথমখন গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা অষ্ট্ৰেলিয়ান অপেনত শীৰ্ষ বাছনিৰ নাডালে প্ৰথম ৰাউণ্ডৰ মেচত ৬-১, ৬-৪, ৬-২ ৰ ব্যৱধানত পৰাস্ত কৰিছিল মাৰ্কাছক। বিশ্ব টেনিছৰ তাৰকা ৰাফেল নাডালে তৃতীয় ৰাউণ্ডৰ মেচত ৬-৩, ৬-২, ৩-৬, ৬-১ ৰ ব্যৱধানত জয়ী হোৱাৰ বিপৰীতে পুৰুষৰ একক শাখাৰ দ্বিতীয় ৰাউণ্ডৰ মেচত স্পেইনৰ তাৰকাজনে ৬-২, ৬-৩, ৬-৪ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰিছিল হানমানক। আনহাতে, কোৱাৰ্টাৰ ফাইনেলত নাডালে চাৰি ঘণ্টা আঠ মিনিটৰ যুঁজৰ অন্তত পাঁচটা মাৰাথন ছেট খেলি ৬-৩, ৬-৪, ৪-৬, ৩-৬, ৬-৪ ৰ ব্যৱধানত পৰাস্ত কৰে কানাডাৰ ছাপ'ভাল'ভক। এয়াই আছিল খিতপ জয়ৰ টাৰ্ণিং পইণ্ট। আনহাতে, চতুৰ্থ ৰাউণ্ডৰ মেচত নাডালে ৭-৬, ৬-২, ৬-২ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰিছিল এড্ৰিয়ানক। উল্লেখ্য যে পুৰুষৰ একক শাখাৰ প্ৰথমখন ছেমিফাইনেল অনুষ্ঠিত হৈছিল নাডাল আৰু বাৰেটিনিৰ মাজত। চাৰিটা ছেটৰ অন্তত নাডাল ৬-৩, ৬-২, ৩-৬, ৬-৩ ৰ ব্যৱধানত জয়ী হৈ সপোনৰ যুঁজলৈ অগ্ৰসৰ হৈছিল।

### ফেডেৰাৰ-ডক'ভিচক অতিক্ৰম কৰি শীৰ্ষত উপনীত



**মেলব'ৰ্ণ, ৩০ জানুৱাৰী ঃ** ইতিহাস গঢ়ি চলিত অষ্ট্ৰেলিয়ান অপেনৰ পুৰুষৰ একক শাখাৰ খিতাপ দখল কৰিছে স্পেইনৰ ৰাফেল নাডালে। উল্লেখ্য যে আজি অনুষ্ঠিত হোৱা খিতাপৰ যুঁজত স্পেইনৰ ৰাফেল নাডাল মুখামুখি হয় ৰাছিয়াৰ ডানিল মেডভেদেভৰ। প্ৰথম দুটা ছেট পৰাস্ত হোৱাৰ পাছতো শক্তিশালী প্ৰত্যাৱৰ্তন কৰি নাডালে ২-৬, ৬-৭, ৬-৪, ৬-৪, ৭-৫ ৰ ব্যৱধানত পৰাস্ত কৰে ডানিল মেডভেদেভক। উল্লেখ্য যে কেৰিয়াৰৰ ২১ সংখ্যক গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতাৰ খিতাপ জয়ৰ লক্ষ্য লৈ মেলবৰ্ণলৈ অহা নাডালে আজি কঠিন যুঁজৰ অন্তত সপোন পূৰ্ণ কৰিলে। ২১ সংখ্যক গ্ৰেণ্ডশ্লাম লাভ কৰি নাডালে ভংগ কৰিলে ৰ'জাৰ ফেডেৰাৰ আৰু ন'ভাক ডক'ভিছৰ অভিলেখ। উল্লেখ্য যে ফেডেৰাৰ আৰু ন'ভাক ইতিমধ্যে ২০ টাকৈ গ্ৰেণ্ডশ্লাম লাভ কৰিছে। আজি স্পেনিছ টেনিছ তাৰকাই ২১ টাকৈ গ্ৰেণ্ডশ্লাম লাভ কৰি শীৰ্ষস্থানত উপনীত হ'ল। নাডালে দ্বিতীয়বাৰ অষ্ট্ৰেলিয়ান অপেনৰ পুৰুষৰ একক শাখাৰ খিতাপ দখল কৰাৰ বিপৰীতে বৰ্ণিল কেৰিয়াৰত ১৩ বাৰ ফ্ৰেন্স অপেন, চাৰি বাৰ ইউ এছ অপেন আৰু দুবাৰ উইম্বলডনৰ খিতাপ লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে ইয়াৰপূৰ্বে পুৰুষৰ একক শাখাৰ প্ৰথমখন ছেমিফাইনেল অনুষ্ঠিত হৈছিল নাডাল আৰু বাৰেটিনিৰ মাজত। চাৰিটা ছেটৰ অন্তত নাডাল ৬-৩, ৬-২, ৩-৬, ৬-৩ ৰ ব্যৱধানত জয়ী হৈ সপোনৰ যুঁজলৈ অগ্ৰসৰ হৈছিল। আনহাতে, দ্বিতীয়খন ছেমিফাইনেলত ডানিল মুখামুখি হৈছিল ষ্টেফান'ছৰ। চাৰিটা ছেটৰ অন্তত ডানিলে ৭-৬, ৪-৬, ৬-৪, ৬-১ ৰ ব্যৱধানত জয়লাভ কৰে। উল্লেখ্য যে স্পেইনৰ তাৰকা ৰাফেল নাডালে চলিত অষ্ট্ৰেলিয়ান অপেনৰ পুৰুষৰ একক শাখাৰ ফাইনেলত প্ৰৱেশ কৰি খিতাপ জয়ৰ বাবে মাত্ৰ এখন মেচৰ দূৰত আছিল আৰু আজি লক্ষ্যত উপনীত হয়।



### ১৯ বছৰ অনূৰ্ধ্ব আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা

## বাংলাদেশক হৰুৱাই ছেমিফাইনেলত ভাৰত



**এণ্টিগা, ৩০ জানুৱাৰী ঃ** পূৰ্ব চেম্পিয়ন ভাৰতে চলিত ১৯ বছৰ অনূৰ্ধ্ব আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। উল্লেখ্য যে যোৱানিশা অনুষ্ঠিত হোৱা কোৱাৰ্টাৰ ফাইনেলত ভাৰতে খেলে বাংলাদেশৰ বিৰুদ্ধে। একপক্ষীয় মেচখনত ভাৰতে পাঁচ উইকেটত জয়লাভ কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে। এতিয়া ছেমিফাইনেলত ভাৰতৰ ১৯ বছৰ অনূৰ্ধ্ব ক্ৰিকেট দলে খেলিব অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে। উল্লেখ্য যে এণ্টিগাত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাৰ তৃতীয়খন কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ বিৰুদ্ধে বাংলাদেশে পোনতে বেটিং কৰে যদিও মাত্ৰ ১১১ ৰাণতে ইনিংছ সামৰে। দলে ৩৭.১ অভাৰহে খেলিবলৈ সক্ষম হয়। ভাৰতৰ ৰবী কুমাৰে তিনিটা আৰু বিকী অ'ষ্টৱলে দুটা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত, ভাৰতে পাঁচ উইকেট হেৰুৱাই ১১৭ ৰাণ কৰি বিজয়লক্ষ্যত উপনীত হয়। উল্লেখ্য যে ভাৰতৰ আৰম্ভণি সুখৰ নাছিল যদিও অপেনাৰ ৰঘুবংশীয়ে ৪৪ ৰাণ কৰি বাংলদেশক পাঁচ উইকেটত পৰাস্ত কৰাত অন্যতম ভূমিকা লয়। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ ছেমিফাইনেল মেচখন অহা দুই ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। চলিত ১৯ বছৰ অনূৰ্ধ্ব আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমিফাইনেলত ইংলণ্ডে খেলিব আফগানিস্তানৰ বিৰুদ্ধে। উল্লেখ্য যে ভাৰতে ১৯ বছৰ অনূৰ্ধ্ব আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ গ্ৰুপৰ মেচত ক্ৰমাগত তৃতীয় বিজয় সাব্যস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল।

### কৰ'নামুক্ত হৈ পুনৰ দলক নেতৃত্ব দিলে য়াছ ধুলে

## ছেমিত ভাৰতৰ সন্মুখত অষ্ট্ৰেলিয়া



**এণ্টিগা, ৩০ জানুৱাৰী ঃ** চলিত ১৯ বছৰ অনূৰ্ধ্ব আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ যোৱানিশা হোৱা কোৱাৰ্টাৰ ফাইনেলত ভাৰতীয় দলক পুনৰ নেতৃত্ব দিয়ে য়াছ ধুলে। উল্লেখ্য যে কৰ'নাৰ বাবে যোৱা দুখন মেচত তেওঁ দলৰ পৰা আঁতৰি আছিল। কিন্তু যোৱানিশাৰ কোৱাৰ্টাৰ ফাইনেলৰ পূৰ্বে ভাৰতীয় দলত যোগ দিয়ে কৰ'না মুক্ত হৈ দলৰ বাহিৰত থকা আটাইকেইগৰাকী ক্ৰিকেটাৰে। উল্লেখ্য যে যোৱা দুখন মেচত ভাৰতীয় দলৰ অধিনায়ক য়াছ ধুলসহ পাঁচগৰাকী ক্ৰিকেটাৰ কৰ'নাত আক্ৰান্ত হোৱাত খেলিব পৰা নাছিল। যোৱানিশা বাংলাদেশক হৰুৱাই ভাৰতে ছেমিফাইনেলত স্থান নিশ্চিত কৰিছে। ইয়াৰপূৰ্বে ভাৰতে গ্ৰুপ মেচত ৩২৬ ৰাণৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰিছিল উগাণ্ডাক। এয়া ১৯ বছৰ অনূৰ্ধ্ব আই চি চি বিশ্বকাপত ভাৰতৰ এক নতুন অভিলেখ। পোনতে বেটিং কৰা ভাৰতে ৫০ অভাৰত পাঁচ উইকেট হেৰুৱাই ৪০৫ ৰাণ কৰে। দলৰ হৈ দুগৰাকী বেটছমেনে শতক অৰ্জন কৰে। অপেনাৰ ৰঘুবংশীয়ে ১৪৪ ৰাণ কৰাৰ বিপৰীতে ৰাজ বাৱাই অপৰাজিত ১৬২ ৰাণ কৰে। প্ৰত্যুত্তৰত, উগাণ্ডাই ১৯.৪ অভাৰত ৭৯ ৰাণতে ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। ভাৰতৰ হৈ নিশান্ত সিন্ধুই চাৰিটা উইকেট পায়। উল্লেখ্য যে ভাৰতে প্ৰতিযোগিতাত জয়ৰে অভিযান আৰম্ভ কৰিছিল। গ্ৰুপ 'বি'ৰ নিজৰ প্ৰথম মেচত ভাৰতে ৪৫ ৰাণত পৰাস্ত কৰিছিল দক্ষিণ আফ্ৰিকাক। টছত পৰাস্ত হৈ পোনতে বেটিং কৰা ভাৰতে ৫০ অভাৰৰ পূৰ্বেই ৪৬.৫ অভাৰত ২৩২ ৰাণত ইনিংছ সামৰে। ভাৰতৰ ১৯ বছৰ অনূৰ্ধ্ব দলৰ অধিনায়ক য়াছ ধুলে ৮২ ৰাণৰ অনবদ্য ইনিংছ খেলে। প্ৰত্যুত্তৰত, দক্ষিণ আফ্ৰিকাই ৪৫.৪ অভাৰত ১৮৭ ৰাণতে ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। ভাৰতৰ হৈ বিকি অষ্টাবলে পাঁচটা উইকেট দখল কৰে আৰু মেচৰ শ্ৰেষ্ঠ হয়। আনহাতে, চাৰিটা উইকেট পায় ৰাজ বাৱাই। কিন্তু পৰবৰ্তী দুখন মেচত অধিনায়ক ধুল অবিহনে খেলে ভাৰতে। দ্বিতীয় মেচত ভাৰতৰ ১৯ বছৰ অনূৰ্ধ্ব দলে ১৭৪ ৰাণৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰে আয়াৰলেণ্ডক। পোনতে বেটিং কৰা ভাৰতে নিৰ্ধাৰিত ৫০ অভাৰত পাঁচ উইকেটত সংগ্ৰহ কৰে ৩০৭ ৰাণ। দলৰ হৈ দুই অপেনাৰ হৰমন সিঙে ৮৮ ৰাণ আৰু ৰঘুবংশীয়ে ৭৯ ৰাণ কৰে। প্ৰত্যুত্তৰত, আয়াৰলেণ্ডে ৩৯ অভাৰতে ১৩৩ ৰাণত ইনিংছ সামৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে ছেমিফাইনেলত ভাৰতৰ ১৯ বছৰ অনূৰ্ধ্ব ক্ৰিকেট দলে খেলিব অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে।




## খেলপথাৰত নামিল ৰাজেশ বৰা, পৰাগ দাস, জাকাৰিয়া, জাভেদ জামান

**গুৱাহাটী, ৩০ জানুৱাৰী ঃ** আজি জজ খেলপথাৰত হোৱা এখন প্ৰীতি ক্ৰিকেট মেচত প্ৰাক্তন ক্ৰিকেটাৰৰ দলে মিডিয়া ছুপাৰ কিংছৰ বিৰুদ্ধে পাঁচ উইকেটত জয়লাভ কৰিছে। তৃতীয় ৰাইছমোদি নুনিচা সোৱৰণি উত্তৰ-পূব মিডিয়া ক্ৰিকেট চেম্পিয়নছ ট্ৰফীৰ সময়তে আজি পুৱা অনুষ্ঠিত আকৰ্ষণীয় প্ৰীতি মেচখনত মিডিয়া ছুপাৰ কিংছ দলে ২০ অভাৰত ন উইকেটত কৰে ৯৭ ৰাণ । বলিঙত পৰাগ দাসে দুটা, ভাস্কৰ বৰ্মন, মুকুট কলিতা, সীমান্ত নেওগী আৰ কে যাদৱ আৰু নন্দুলাল মাহাতুৱে এটাকৈ উইকেট দখল কৰে । ষ্ট্ৰাইক বলাৰ জাভেদ জামান আৰু নাচিৰ গুল খানে কোনো উইকেট নাপালে । প্ৰত্যুত্তৰত প্ৰাক্তন ক্ৰিকেটাৰৰ হৈ জাকাৰিয়া জুফ্ৰীৰ বিস্ফোৰক ৩৮ ৰাণৰ সহায়ত দলটোৱে মাত্ৰ ১১.৩ অভাৰত জয়ৰ লক্ষ্যত উপনীত হয় । অপৰাজিত হৈ ৰোৱা চিতু দাসে ১৩ আৰু জাভেদ জামানে ৭ ৰাণৰ বৰঙণি যোগায় । উল্লেখ্য যে দলৰ ৰাজেশ বৰা, মুকুট কলিতাই শূন্যত আৰু সঞ্জীৱ নাৰায়ণ এক ৰাণত আউট হয় । বিজয়ী দলক ট্ৰফী প্ৰদান কৰে ক্ৰমে অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰ আৰু অসম ক্ৰিকেট সন্থাৰ সম্পাদক দেৱজিৎ শঞ্জইকীয়াই । ইফালে, দ্বিতীয় মেচত এন ডি ২৪ দলে শ্বিলং প্ৰেছ ক্লাবক ৩১ ৰাণত পৰাস্ত কৰি ছেমি ফাইনেলত প্ৰবেশ কৰিছে । এন ডি ২৪ দলে ২০ অভাৰত কৰে ১৪৯ ৰাণ । প্ৰত্যুত্তৰত শ্বিলঙৰ দলটোৱে ১১৮ ৰাণতে থমকি ৰয় । বিজয়ী দলৰ বিকাশ চেত্ৰীয়ে লাভ কৰে মেন অৱ দ্য মেচৰ ট্ৰফী।

### ৱেষ্টইণ্ডিজৰ বিৰুদ্ধে পাঁচখনীয়া শৃংখলাত ২-২ত সমতা

## চতুৰ্থ টি-২০ত ইংলণ্ডৰ জয়লাভ



**ব্ৰীজটাউন, ৩০ জানুৱাৰী ঃ** ইংলণ্ড আৰু ৱেষ্টইণ্ডিজৰ মাজৰ পাঁচখনীয়া টি-২০ শৃংখলাটো ৰোমাঞ্চকৰ স্থিতিত উপনীত হৈছে। উল্লেখ্য যে ইংলণ্ডে চতুৰ্থখন টি-২০ মেচত ৱেষ্টইণ্ডিজক ৩৪ ৰাণত পৰাস্ত কৰি পাঁচখনীয়া শৃংখলাত ২-২ ত সমতা স্থাপন কৰিছে। যোৱানিশা পোনতে বেটিং কৰি ইংলণ্ডে ছয় উইকেটত কৰে ১৯৩ ৰাণ। দলৰ হৈ জেছন ৰয়ে ৫২ আৰু মঈন আলীয়ে ৬৩ ৰাণ কৰে। প্ৰত্যুত্তৰত, ৱেষ্টইণ্ডিজে পাঁচ উইকেটত ১৫৯ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। এতিয়া শৃংখলা নিশ্চিত হ'ব অন্তিমখন মেচত। উল্লেখ্য যে ইয়াৰপূৰ্বে ইংলণ্ডে দ্বিতীয়খন টি-২০ মেচত এক ৰাণত জয়লাভ কৰি পাঁচখনীয়া শৃংখলাত ১-১ ত সমতা স্থাপন কৰিছিল। মেচখনত পোনতে বেটিং কৰি ইংলণ্ডে আঠ উইকেটত ১৭১ ৰাণ কৰে। প্ৰত্যুত্তৰত, ৱেষ্ট ইণ্ডিজে আঠ উইকেটত ১৭০ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে এচেজ শৃংখলা ৪-০ ৰ ব্যৱধানত হেৰুৱাই বিধ্বস্ত হোৱা ইংলণ্ডে ৱেষ্ট ইণ্ডিজ ভ্ৰমণৰ প্ৰথমখন টি-২০ মেচত লজ্জাজনক পৰাজয়ৰ সন্মুখীন হৈছিল। ব্ৰীজটাউনত অনুষ্ঠিত হোৱা প্ৰথমখন টি-২০ মেচত ৱেষ্ট ইণ্ডিজে ন উইকেটত ইংলণ্ডক পৰাস্ত কৰি পাঁচখনীয়া টি-২০ শৃংখলাত ১-০ ৰ অগ্ৰগতি লৈছিল। পোনতে বেটিং কৰা ইংলণ্ডে মাত্ৰ ১০৩ ৰাণতে ইনিংছ সামৰে। প্ৰত্যুত্তৰত, ৱেষ্ট ইণ্ডিজে এটা উইকেট হেৰুৱাই ১০৪ ৰাণ কৰি সহজ জয় অৰ্জন কৰে। আনহাতে, ৱেষ্ট ইণ্ডিজে তৃতীয়খন টি-২০ মেচত ইংলণ্ডক ২০ ৰাণত পৰাস্ত কৰি পাঁচখনীয়া শৃংখলাত ২-১ ৰ অগ্ৰগতি লৈছিল। পোনতে বেটিং কৰি ৱেষ্ট ইণ্ডিজে ৰবমান পাৱেলৰ (১০৭ৰ শতক তথা নিক'লাছ প'ৰানৰ ৭০ ৰাণৰ সহায়ত পাঁচ উইকেটত ২২৪ ৰাণ কৰে। প্ৰত্যুত্তৰত, ইংলণ্ডে ন উইকেটত ২০৪ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। দলৰ হৈ বাণ্টনে ৭৩ আৰু ফিল ছল্টে ৫৭ ৰাণ কৰে।

## ক্ৰীড়া সংগঠকক প্ৰশাসনৰ সম্বৰ্ধনা

**বিশেষ সংবাদদাতা, বৰপেটা ৩০ জানুৱাৰী ঃ** ৰাষ্ট্ৰীয় ভলীবল ৰেফাৰী, ক্ৰীড়া সংগঠক, বৰপেটা প্ৰেছ ক্লাবৰ ভাৰপ্ৰাপ্ত সভাপতি মনোজ কুমাৰ পাঠকক গণৰাজ্য দিৱস উপলক্ষে বৰপেটা জিলা প্ৰশাসনে সম্বৰ্ধনা জনায়। এসময়ৰ সুদক্ষ ফুটবলাৰ হিচাপে জনাজাত প্ৰাক্তন ক্ৰীড়াবিদ গৰাকীৰ অসম ভলীবল সংস্থাৰ লগতো জড়িত । তেওঁ এসময়ৰ সুদক্ষ ভলীবল খেলুৱৈ হিচাপেও নিজৰ দক্ষতা প্ৰতিপন্ন কৰিছিল। ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ ভলীবল ৰেফাৰী হিচাপে বিভিন্ন ৰাষ্ট্ৰীয় পৰ্যায়ৰ ভলীবল চেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰি বিশেষ খ্যাতি অৰ্জন কৰিছে পাঠকে । বৰপেটা জিলা ক্ৰীড়া সংস্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক তথা বৰ্তমানৰ উপ সভাপতি মনোজ পাঠককো জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত উপায়ুক্ত তেজ প্ৰসাদ ভুষালে প্ৰসংশা পত্ৰ আৰু ফুলাম গামোছাৰে সম্বৰ্ধনা জনায় । পাঠকৰ লগতে সুখ্যাত ফুটবলাৰ তথা ফুটবল ৰেফাৰী কিচক চন্দ্ৰ দাসকো জিলা প্ৰশাসনৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়।

## প্ৰথম দুটা ছেট দখল কৰিও চাপৰ সন্মুখীন হৈ ব্যৰ্থ ডানিল

**মেলব'ৰ্ণ, ৩০ জানুৱাৰী ঃ** অষ্ট্ৰেলিয়ান অপেনৰ পুৰুষৰ একক শাখাৰ ফাইনেল মেচখনত ফেভাৰিট নাডাল আছিল যদিও আত্মবিশ্বাসৰে খেলিছিল ডানিলে। প্ৰথম দুটা ছেট দখল কৰি চাপত পেলাইছিল নাডালক। কিন্তু নিজৰ দৃঢ়তা ধৰি ৰখাত ব্যৰ্থ হোৱা তথা বিপক্ষ চেম্পিয়নৰ সপোন পূৰ্ণ কৰাৰ বাসনাই ডানিলক খিতাপৰ জয়ৰ পৰা আঁতৰাই আনিলে। নাডালৰ বিৰুদ্ধে ২-৬, ৬-৭, ৬-৪, ৬-৪, ৭-৫ ৰ ব্যৱধানত পৰাস্ত হ'ল ডানিল। অন্তিম যুঁজত চাপত পৰিল ৰাছিয়াৰ তাৰকা। উল্লেখ্য যে ছেমিফাইনেলত ডানিল মুখামুখি হৈছিল ষ্টেফান'ছৰ। চাৰিটা ছেটৰ অন্তত ডানিলে ৭-৬, ৪-৬, ৬-৪, ৬-১ ৰ ব্যৱধানত জয়লাভ কৰে। ইয়াৰপূৰ্বে ডানিলে কোৱাৰ্টাৰ ফাইনেলত ৬-৭, ৬-৩, ৭-৬, ৭-৫, ৬-৪ ৰ ব্যৱধানত জয়ী হৈছিল। উল্লেখ্য যে প্ৰত্যাশিতভাৱে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল ৰাছিয়াৰ ডানিল মেডভেদেৱে। পুৰুষৰ একক শাখাৰ চতুৰ্থ ৰাউণ্ডত মেচত ডানিল জয় হয় ৬-২, ৭-৬, ৬-৭, ৭-৫ ৰ ব্যৱধানত। ইয়াৰপূৰ্বে তৃতীয় ৰাউণ্ডৰ মেচত ডানিলে মাত্ৰ ৫৫ মিনিটত ৬-৪, ৬-৪, ৬-২ ৰ ব্যৱধানত জয়লাভ কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল। আনহাতে, মেডভেদেৱে দ্বিতীয় ৰাউণ্ডৰ মেচত জয়লাভ কৰি হেলাৰঙে তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছিল। নিকৰ বিৰুদ্ধে ৭-৬, ৬-৪, ৪-৬, ৬-২ ৰ ব্যৱধানত জয়লাভ কৰে ডানিলে। তদুপৰি প্ৰথম ৰাউণ্ডৰ মেচত ডানিলে ৬-১, ৬-৪, ৭-৬ ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰিছিল হেনৰীক।

## পদকপ্ৰাপ্ত খেলুৱৈক সম্বৰ্ধনা প্ৰবীণ ক্ৰীড়া-শৰীৰচৰ্চা সন্থাৰ


**অগ্ৰদূত বাৰ্তা,**
**হাউলী,৩০ জানুৱাৰী ঃ** ডিব্ৰুগড়ত অনুষ্ঠিত হোৱা তৃতীয় বাৰ্ষিক অসম ৰাজ্যিক মাষ্টাৰ্ছ গেমছ প্ৰতিযোগিতাত বিশেষ সফলতা অৰ্জন কৰি বৰপেটা জিলালৈ সুনাম কঢ়িয়াবলৈ সক্ষম হোৱা হাউলীৰ প্ৰবীন ক্ৰীড়া আৰু শৰীৰচৰ্চা সন্থাৰ খেলুৱৈ সকলক আজি সম্বৰ্ধনা জ্ঞাপন কৰা হয় । হাউলী প্ৰবীন ক্ৰীড়া আৰু শৰীৰচৰ্চা সন্থাৰ উদ্যোগত আয়োজন কৰা এক সম্বৰ্ধনা অনুষ্ঠানত পদক প্ৰাপ্ত খেলুৱৈ ক্ৰমে জগদা তালুকদাৰ, অভয় বোথৰা, জাহাংগীৰ আলম, ধনঞ্জয় বৰ্মন, মালা বড়ো, ৰঞ্জিতা দাস আৰু জয়মতী তালুকদাৰক সম্বৰ্ধনা জ্ঞাপন কৰা হয় । হাউলী হাইস্কুল খেলপথাৰত অধ্যাপক গংগাধৰ দাসৰ পৌৰহিত্যত অনুষ্ঠিত হোৱা উক্ত সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত থাকে বৰপেটা জিলাৰ যান বাহন পৰিদৰ্শক পংকজ কুমাৰ দাস, বিশিষ্ট সমাজকৰ্মী হজৰত আলী আহমেদ আৰু ৰেজাউল কৰিমে।



## মহিলাৰ ডাবলছ শাখাৰ চেম্পিয়ন বাৰ্ব'ৰা-কেটেৰিনা

### কেৰিয়াৰৰ চতুৰ্থটো গ্ৰেণ্ডশ্লাম

**মেলব'ৰ্ণ, ৩০ জানুৱাৰী ঃ** চলিত অষ্ট্ৰেলিয়ান অপেনৰ মহিলাৰ ডাবলছ শাখাৰ খিতাপ লাভ কৰিছে চেক গণৰাজ্যৰ যুটি বাৰ্ব'ৰা আৰু কেটেৰিনাই। উল্লেখ্য যে বছৰৰ প্ৰথমখন গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা অষ্ট্ৰেলিয়ান অপেনৰ আজি অনুষ্ঠিত হোৱা মহিলাৰ ডাবলছ শাখাৰ ফাইনেলত শীৰ্ষ বাছনিৰ চেক গণৰাজ্যৰ যুটি বাৰ্ব'ৰা আৰু কেটেৰিনাই তিনিটা ছেটৰ অন্তত ৬-৭, ৬-৪, ৬-৪ ৰ ব্যৱধানত পৰাস্ত কৰে কাজাখস্তানৰ ডানিয়েলা আৰু ব্ৰাজিলৰ মায়া যুটিক। উল্লেখ্য যে চলিত



অষ্ট্ৰেলিয়ান অপেনৰ মহিলাৰ ডাবলছ শাখাৰ খিতাপ লাভ কৰি শীৰ্ষ বাছনিৰ চেক গণৰাজ্যৰ যুটি বাৰ্ব'ৰা আৰু কেটেৰিনাই কেৰিয়াৰৰ চতুৰ্থটো গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ৰ খিতাপ লাভ কৰিলে। ইয়াৰপূৰ্বে বাৰ্ব'ৰা আৰু কেটেৰিনাই ২০১৮ আৰু ২০২১ ত লাভ কৰিছিল গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অপেনৰ খিতাপ। আনহাতে, ২০২১ ত উইম্বলডনৰ মহিলাৰ ডাবলছ শাখাৰ খিতাপ লাভ কৰিছিল চেক গণৰাজ্যৰ যুটি বাৰ্ব'ৰা আৰু কেটেৰিনাই। উল্লেখ্য যে ২০১৬ ৰ পৰাই যুটি বান্ধি খেলি আহিছে বাৰ্ব'ৰা আৰু কেটেৰিনাই।

## বিলাসনন্দন চ'ৰা



# যিয়ে যি কাম নাজানে

**যিয়ে** যিটো কাম নাজানে আৰু নজনা সত্ত্বেও যদি কৰিবলৈ যায়, তেতিয়া তাৰ পৰিণাম বৰ ভয়ংকৰ হয়। অৱশ্যে নজনা কামটো কৰি বহু নাম হৈ যাব পাৰে, কিন্তু ভয়ংকৰ পৰিণামে প্ৰজাগণক খেদি ফুৰে। তাতোকৈ ডাঙৰ কথা— নজনা কামটো কৰিবলৈ যোৱাৰ পৰিণাম স্বৰূপে নিজৰ যিমান লোকচান হয়, তাতকৈ আনৰ বহু লোকচান হয়। ধৰি লওক— কোনোবাই ৰান্ধিব নাজানে, তাৰ পাছতো তেওঁ ৰান্ধিবলৈ গ'ল। যিমান তেল লাগে, তাতকৈ বহু বেছি তেল খৰচ কৰিলে, মছলাও পেকেটে পেকেটে ঢালি দিলে। ৰান্ধিব নজনা সত্ত্বেও ৰান্ধিব যে গ'ল, তাৰ ফলত সিদিনা গৃহস্থৰ খৰচ বেছি হ'ল আৰু আধাপেটী হৈ আটায়ে ভাতৰ পাতৰ পৰা উঠিব লগা হ'ল। ৰান্ধিব নজনা সত্ত্বেও ৰান্ধিব যোৱাৰ ফলত ৰান্ধনীৰ নিজৰ বৰ একো লোকচান নহ'ল। লোকচান হ'ল গৃহস্থৰ, লোকচান হ'ল খাওঁতাকেইজনৰ। ধৰি লওক— কোনোবাই বাইক চলাব নাজানে। তাৰ পাছতো তেওঁ বাইক চলাবলৈ গ'ল। তেতিয়া কি হ'ব পাৰে? বাইকখন ৰাস্তাৰে নগৈ নলাৰে যাব পাৰে। নলাৰে গ'লেতো ভালেই! চকাৰ ঘূৰণিত নলাৰ লেতেৰাবোৰ অন্ততঃ ওপৰলৈ উঠি আহিব। কিন্তু হেভী চান্স আছে বাইকখনে গৈ কাৰোবাৰ কবি খেতিৰ মাজেদি দিশ নিৰ্ণয় কৰাৰ। হেভী চান্স আছে বাইকখন গৈ বজাৰৰ ভিৰবোৰ ঠেলি পাৰ হৈ যোৱাৰ। নিজৰ হাত-ভৰিৰ ছাল অলপ ছিগিব। কিন্তু বাইক চলাব নজনা সত্ত্বেও বাইক চলাব যোৱাৰ অধিক পৰিণাম ভুঞ্জিব লাগিব বেলেগে, যাৰ লগত বাইক চলোৱা কাণ্ডটোৰ কোনো সম্বন্ধই নাই। ধৰি লওক— কোনোবাই হিচাপপত্ৰ চাব নাজানে। তাৰ পাছতো তেওঁক দোকান এখনৰ হিচাপ-পত্ৰ চাবলৈ লগাই দিয়া হ'ল। তাৰ পৰিণাম কি হ'ব পাৰে? কমছে কম দোকানীজনক সুধিলে গম পোৱা যাব। দোকানীজনে নিশ্চয় ক'ব যে প্ৰথম দুমাহমান দোকানত তামাম ভিৰ হ'ব ধৰিলে। আগতে যিমান কাষ্টমাৰ আহিছিল, এইজনক হিচাপ চাবলৈ দিয়াৰে পৰা দুগুণ-তিনিগুণ কাষ্টমাৰ আহিব ধৰিলে। লাহে লাহে কাষ্টমাৰে লাইন দিব লগা অৱস্থা হ'ল। 'দোকানত মাল আনোহে আনো, লগালগ খতম। কিন্তু দুমাহমান পাছত লক্ষ্য কৰিলো— দোকানত ইমান বিক্ৰী, অথচ মাল কিনিবলৈ পইচা নাই। কেছ বক্স খালী। ইমান বিক্ৰীৰ পাছতো কেছ



বক্স খালী কেনেকৈ হ'ল? হিচাপৰ খাটা পৰীক্ষা কৰি চাই দেখিলো— যিটো বস্তুৰ দাম দুশ টকা, তাক এশ টকাতে বেচি দিয়া হৈছে। কোনো কাষ্টমাৰৰ টোটেল বিল যদি সাতশ টকা হৈছে, তাৰ পৰা পাঁচশ টকা আদায় কৰি বাঃ বাঃ লৈছে আমাৰ হিচাপ-পৰীক্ষকে। সেই কাৰণে কাষ্টমাৰৰ ইমান ভিৰ।' এইদৰে ক্ষোভ উজাৰি দোকানীয়ে সৈ কাঢ়িব যে হিচাপ যিয়ে নাজানে, তাক হিচাপত বহুৱাই দিয়াৰ পৰিণাম স্বৰূপে আজি তেওঁৰ দোকানত লাল বাট্টি জ্বলিব লগা হৈছে।

আমাৰ বাজেট আহি আছে। আমাৰ দেছৰ বাজেট। মানে জমা-খৰচৰ হিচাপ। পিছে আমাৰ দেছৰ খৰচ কৰিব লগা বা জমা থ'ব লগা ৰাস্তাবোৰ এতিয়াও অ'পেন হৈ আছে জানো! সব দেখোন বেচিয়ে দিয়া গ'ল। সব প্ৰাইভেটক বেচি দিয়াৰ পাছত দেছে বাজেট বনাই কি লাভ? সেই কাৰণেই চাগে আমাৰ নিৰ্মলা খাটাদমন বাইদেউৰে বৰ এটা টেনছন লোৱা নাই। এনেয়ে তেওঁ দেছৰ হিচাপ-নিকাচৰ খাটাখন কাকোৰে চাবলৈ নিদিয়ে, পূৰা নিজৰ দখলত ৰাখে। সেই কাৰণে আটায়ে তেওঁক খাটাদমন বাইদেউ বুলি মাতে। খাটাদমন বাইদেউৰ হিচাপ-নিকাচৰ খাটাখনো আজি-কালি প্ৰায়ে জপোৱাই থাকে। বাইদেউৰেও ছুবলৈ বাদ দিছে। ধূলি-মাকতি পৰি গৈছে। এতিয়া বাজেট আহি আছে কাৰণে তেওঁ খাটাখন মেলি লৈছে। এফালৰ পৰা ফোন কৰিছে আম্বানী, আদানি, টাটা ইত্যাদিক। প্ৰত্যেককে সুধি গৈছে— পাকঘৰৰ বাজেট কিমান, পৰিবহণৰ বাজেট কিমান, বেডৰূমৰ বাজেট কিমান, চাকৰ-বাকৰৰ দৰমহাৰ বাজেট কিমান! সেইবোৰ খাটাদমন বাইদেউৰে এফালৰ পৰা নিজৰ খাটাখনত লিখি গৈছে। লিখা শেষ হ'ল। খাটাখন জপাই থ'লে। খাটাৰ ক'ভাৰত লিখি দিলে— জেনেৰেল বাজেট ২০২২-২৩। ইমানখিনি মাথা মৰাৰ পাছতো বহুতে বাইদেউৰ প্ৰসংগত কয় যে যিয়ে যিটো কাম নাজানে, তাক যদি সেই কামটো কৰিবলৈ দিয়া হয়, তাৰ পৰিণাম স্বৰূপে এনে বাজেটেই ওলাব। বাঃ বাঃ দিয়া মানুহে শাৰী পাতি থাকিব, কিন্তু কেছ বক্স খালী হৈ গৈ থাকিব।

যিয়ে যিটো কাম কৰিব নাজানে, সেই কামটো যদি নজনা সত্ত্বেও কৰিবলৈ যায়, তেন্তে তাৰ পৰিণাম কিমান ভয়ংকৰ হ'ব পাৰে, সেয়া এই বাজেটজাতীয় বস্তুবোৰ চায়ে বুজিব পৰা যায়। অৱশ্যে প্ৰথমে দুদিনমান নাম হয়, ভাইয়ো অউৰ বেহেনোবোৰেও তেওঁৰ নাম জপ কৰিবলৈ আৰম্ভ কৰে। লাহে লাহে তাৰ পৰিণাম পোহৰলৈ আহে। তেনে এটা পৰিণাম আমাৰ দেছৰ বৰ্তমান অৱস্থা। যিয়ে দেছ চলাব নাজানে, সি যদি...... পৰিণাম এনেকুৱাই হ'ব নহয়নে?

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

## ডেৰশ মাতৃৰ মুখত হাঁহি বিৰিঙোৱাই প্ৰধান লক্ষ্য

# ৬৬ বছৰত পিতৃ হ'ল ১২৯ সন্তানৰ

■ নিউজ ব্যুৰ'

**লণ্ডন, ৩০ জানুৱাৰী ঃ** মহাভাৰতত ধৃতৰাষ্ট্ৰ আছিল শতপুত্ৰৰ জনক। লগত আছিল এটি কন্যা সন্তান দুঃশলা। অৰ্থাৎ সকলো মিলাই ১০১ সন্তানৰ পিতৃ ধৃতৰাষ্ট্ৰৰ সেই অভিলেখ ভংগ কৰিলে বাস্তৱৰ এজন লোকে। ইতিমধ্যেই ১২৯টি সন্তানৰ পিতৃ হৈছে এই লোকজন। এই কথা নিজেই দাবী কৰিছে ব্ৰিটেইনৰ ৬৬ বছৰীয়া ক্লাইভ জ'ন্‌ছে। অৱশ্যে ইয়াতে ক্ষান্ত থাকিব খোজা নাই, কিয়নো নিজৰ লক্ষ্য পূৰণৰ বাবে আৰু কিছু দূৰ বাকী আছে। পিতৃত্বৰ অভিলেখ গঢ়া এই লোকজনৰ ইতিমধ্যে ১২৯টি সন্তানে পৃথিৱীৰ মুখ দেখাৰ বিপৰীতে নটি সম্প্ৰতি মাতৃগৰ্ভত আছে। সকলো মিলাই ১৩৮টি সন্তান। অৱশ্যে ইয়াৰ বাবে জ'ন্‌ছে কোনো মহিলাৰ স'তে শাৰীৰিক সম্পৰ্ক স্থাপন কৰিবলগীয়া হোৱা নাই। ক'বলৈ গ'লে তেওঁ হৈছে বাস্তৱৰ 'ভিকি ড'নাৰ'।

আয়ুষ্মান খুৰানা অভিনীত 'ভিকি ড'নাৰ' ছবিখনে এসময়ত চাঞ্চল্যৰ সৃষ্টি কৰিছিল। কিয়নো আয়ুষ্মানে অভিনয় কৰা ভিকি নামৰ চৰিত্ৰটো আছিল এজন শুক্ৰাণু দাতা। অৰ্থাৎ নিজৰ শুক্ৰাণু ধনৰ বিনিময়ত দান কৰি বহু নিঃসন্তান দম্পতীক সন্তানৰ সুখ দিছিল। অৱশ্যে জ'ন্‌ছে ধনৰ বিনিময়ত নহয়, বৰঞ্চ সম্পূৰ্ণ বিনামূল্যে নিজৰ বীৰ্য দান কৰি আহিছে। ইয়াৰ বাবদ কোনো ধন নলয় তেওঁ। এই প্ৰসংগত জ'ন্‌ছে কয়, 'সন্তানৰ জন্মৰ পাছত মাতৃ আৰু শিশুৰ হাঁহিমুখবোৰেই মোৰ আচল পুৰস্কাৰ।'

শিক্ষকতাৰ চাকৰিৰ পৰা ইতিমধ্যে অৱসৰ গ্ৰহণ কৰা ব্ৰিটেইনৰ নিবাসীজনৰ নিজাকৈ তিনি সন্তান আছে। ৫৮ বছৰ বয়সত তেওঁ প্ৰথমবাৰলৈ শুক্ৰাণু দান কৰাৰ কথা ভাবে। অৱশ্যে ব্ৰিটেইনৰ আইন অনুসৰি, সেই দেশৰ কোনো স্পাৰ্মবেংকে ৪৫ বছৰ উৰ্ধ্বৰ লোকৰ শুক্ৰাণু গ্ৰহণ নকৰে।



ফলত কোনো ক্লিনিকৰ পৰা তেওঁ সাহায্য নাপালে। অৱশ্যে আশা পৰিত্যাগ নকৰি তেওঁ সামাজিক মাধ্যমৰ সহায় লয়। সামাজিক মাধ্যমতে সন্তান ধাৰণত অক্ষম একাংশ দম্পতীৰ স'তে জ'ন্‌ছৰ যোগাযোগ হয়। তেতিয়াই নিজৰ ইচ্ছাপূৰণৰ পথ বিচাৰি পায় জ'ন্‌ছে আৰু তেওঁ শুক্ৰাণু দানৰ যাত্ৰা আৰম্ভ কৰে। ইতিমধ্যে অসংখ্য দম্পতীৰ মুখত হাঁহি বিৰিঙাইছে জ'ন্‌ছে। শতকৰ দেওনা অতিক্ৰম কৰি ক্ৰমাৎ আগবাঢ়িছে ডেৰশৰ ঘৰলৈ। ডেৰশ মাতৃৰ মুখত হাঁহি বিৰিঙাই তোলাৰ লক্ষ্য বান্ধি লৈছে তেওঁ। যাৰ বাবে আৰু কিছু বছৰ তেওঁ এই কাম অব্যাহত ৰাখিব খোজে। নিজকে প্ৰজনন ক্ষমতাৰ দিশৰ পৰা পৃথিৱীৰ সবাতোকৈ সক্ষম পুৰুষ বুলিয়ে তেওঁ দাবী কৰি আহিছে। তথাপি আনক সহায় কৰিব পৰাৰ বাবে তেওঁ সন্তুষ্টিও অনুভৱ কৰে। তেওঁ কয়, 'এবাৰ এগৰাকী বৃদ্ধাই ফোন কৰি ধন্যবাদ জনাইছিল। তেওঁ নাতি-নাতিনীৰ আশা প্ৰায় এৰিয়েই দিছিল। অৱশেষত মোৰ বাবেই তেওঁ এজনী নাতিনীৰ মুখ দেখা পালে। এই সৰু সৰু আনন্দৰ মুহূৰ্তবোৰেই মোক আৰু উদ্বুদ্ধ কৰে এই কাম অব্যাহত ৰাখিবলৈ।'



# সুন্দৰী হ'লেও দৰা নাপায় কোনো যুৱতীয়ে

গাঁওখনৰ যি কেইগৰাকী মহিলাই বিবাহপাশত আবদ্ধ হৈছে, তেওঁলোকেও গাঁও এৰি গুচি যোৱা নাই। বৰঞ্চ তেওঁলোকেও স্বামীৰ অবিহনেই জীৱন কটাই আছে। সপ্তাহৰ শেষত দুদিনৰ বাবে তেওঁলোকৰ স্বামীয়ে গাঁওখনত থকাৰ সুবিধা পায়। সেই দুদিনেই এই সকল মহিলাই দাম্পত্যৰ সুখ উপভোগ কৰে।এইসকল মহিলাৰ সন্তান অৱশ্যে তেওঁলোকৰ লগত থাকে। অৱশ্যে পুত্ৰ সন্তানৰ ১৮ বছৰ সম্পূৰ্ণ হ'লেই গাঁও এৰি গুচি যাব লাগে।

■ নিউজ ব্যুৰ'

**ৰিঅ' ডি জেনেইৰ', ৩০ জানুৱাৰী ঃ** বিয়া কৰাই সংসাৰ পাতিবলৈ প্ৰায় সকলোৰে মন যায়। অথচ সকলো আশা ইচ্ছা কৰিলেই পূৰণ নহয়। পাত্ৰই যদি পোৱা নাযায়, তেন্তে বিয়ানো কৰাব কেনেকৈ? আনকি ভৰপূৰ সৌন্দৰ্যৰ অধিকাৰিণী হোৱা সত্ত্বেও দৰাৰ অভাৱত বিবাহৰ স্বপ্ন অপূৰ্ণ হৈ ৰৈছে বহু যুৱতী-মহিলাৰ। সেই বাবেই তেওঁলোকে অবিবাহিত হৈয়ে জীৱন কটাবলগীয়া হৈছে। গাঁওখন পুৰুষৰ অভাৱ হোৱাৰ বাবেই এই অৱস্থাৰ সৃষ্টি হৈছে।

এই গাঁওখন ব্ৰাজিলৰ দক্ষিণ-পূবত অৱস্থিত। ন'ইভা ড' কোৰড'ইৰো নামৰ এই পাহাৰীয়া গাঁওখনত চলে মহিলাৰ আধিপত্য। প্ৰায় ছশ মহিলা আছে যদিও পুৰুষৰ উপস্থিতি প্ৰায় নাই বুলিলেও হয়তো ভুল নহ'ব। গাঁওখনৰ যি কেইগৰাকী মহিলাই বিবাহপাশত আবদ্ধ হৈছে, তেওঁলোকেও গাঁও এৰি গুচি যোৱা নাই। বৰঞ্চ তেওঁলোকেও স্বামীৰ অবিহনেই জীৱন কটাই আছে। সপ্তাহৰ শেষত দুদিনৰ বাবে তেওঁলোকৰ স্বামীয়ে গাঁওখনত থকাৰ সুবিধা পায়। সেই দুদিনেই এই সকল মহিলাই দাম্পত্যৰ সুখ উপভোগ কৰে।এইসকল মহিলাৰ সন্তান অৱশ্যে তেওঁলোকৰ লগত থাকে। অৱশ্যে পুত্ৰ সন্তানৰ ১৮ বছৰ সম্পূৰ্ণ হ'লেই গাঁও এৰি গুচি যাব লাগে।

## পুৰুষ অবিহনেই জীৱন অতিবাহিত কৰিছে এখন গাঁৱৰ নাৰীয়ে

১৮ বছৰৰ পাছত কোনো পুৰুষৰ উক্ত গাঁৱত থকাৰ অধিকাৰ নাথাকে। ফলত ক্ৰমাৎ পুৰুষশূন্য হৈ পৰিছে ন'ইভা ড' কোৰড'ইৰ' গাঁও।

গাঁওখনৰ সকলো মহিলা তথা যুৱতীয়েই অত্যন্ত সুন্দৰী। তৎসত্ত্বেও তেওঁলোকে জীৱনসংগী লাভ কৰিবলৈ হাহাকাৰ কৰিবলগীয়া হয়। অধিকাংশ নাৰীয়েই পুৰুষসংগীৰ অবিহনে জীৱন কটাবলগীয়া হৈছে। ইয়াৰ অন্তৰালত আছে কে'বা যুগ ধৰি গাঁওখনত চলি অহা পৰম্পৰা। এই পৰম্পৰা অনুসৰি, বিয়াৰ পাছতো কোনো মহিলাই গাঁও ত্যাগ কৰি স্বামীগৃহলৈ যাব নোৱাৰে। ইয়াৰ বিপৰীতে স্বামীয়েহে সেই মহিলাৰ স'তে উক্ত গাঁৱতে বাস কৰিব লাগিব। সেই পৰম্পৰাই এতিয়া মহা সমস্যাৰ কাৰণ হৈ পৰিছে গাঁওখনৰ যুৱতীসকলৰ বাবে। সুন্দৰী আৰু বিবাহযোগ্যা হোৱা সত্ত্বেও গাঁওখনৰ যুৱতীসকলে সংগী বিচাৰি নোপোৱা হৈছে। পত্নীৰ স'তে উক্ত গাঁৱতে থাকিব লাগিব বুলিয়ে সমীপৰ কোনো অঞ্চলৰ পুৰুষে সেই গাঁৱৰ পৰা বিয়া কৰাব নোখোজে। সেয়ে উক্ত কাৰণতে গাঁওখনৰ যুৱতীসকলে অবিবাহিত হৈ কটাবলগীয়া হৈছে।

গাঁওখনৰ এই পৰম্পৰাৰ অন্তৰালতো এক কাহিনী আছে। ১৮৯০ত মাৰিয়া ছেনহ'ৰিনা ডি লিমা নামৰ এগৰাকী যুৱতীক নিজৰ ইচ্ছাৰ বিৰুদ্ধে বিয়া দিয়া হৈছিল। অৱশ্যে বিবাহৰ কিছুদিনৰ পাছতে মাৰিয়াই স্বামীগৃহ ত্যাগ কৰি ন'ইভা ড' ক'ৰডোইৰ' অঞ্চললৈ গুচি আহি বসবাস কৰিবলৈ আৰম্ভ কৰে। ১৮৯১ত মাৰিয়াই উক্ত স্থানতে এখন গাঁও গঢ়ি তোলে। তেতিয়াৰ পৰাই স্থিৰ হয় যে এই গাঁৱৰ কোনো ছোৱালীয়ে বিয়াৰ পাছত স্বামীগৃহলৈ যাব নোৱাৰিব। ইয়াৰ বিপৰীতে স্বামীয়েহে পত্নীৰ লগত থাকিব লাগিব। এই অদ্ভুত ৰীতিৰ কাৰণেই মহিলাসকলে অবিবাহিত হৈ থাকিবলগীয়া হৈছে।

# তালাপত মৃত্যু হোৱা বিলুপ্তপ্ৰায় শগুনৰ বছৰেকীয়া শ্ৰদ্ধাঞ্জলি অনুষ্ঠান



অগ্ৰদূত বাৰ্তা

**তালাপ, ৩০ জানুৱাৰী ঃ** প্ৰকৃতি প্ৰেমৰ এক বিৰল নিদৰ্শন দাঙি ধৰিলে তিনিচুকীয়া জিলাৰ এখন গাঁৱৰ বাসিন্দাসকলে। মৃত শগুনৰ নামত শ্ৰাদ্ধ অনুষ্ঠিত কৰাৰ পাছত আজি এবছৰৰ মূৰত বছৰেকীয়া শ্ৰদ্ধাঞ্জলি অনুষ্ঠান পালন কৰিলে বন বিভাগ আৰু ন ধূলিজান গাঁৱৰ ৰাইজে। উল্লেখ্য যে যোৱা ২০২১ৰ ১৭ আৰু ১৮ জানুৱাৰীত তিনিচুকীয়া জিলাৰ ডুমডুমা বন সংমণ্ডলৰ অন্তৰ্গত তালাপ ধূলিজান আৰু বৰগড়া গাঁৱৰ ৰাইজৰ খেতিপথাৰত মৃত গৰু ভক্ষন কৰি ৩৬টা বিলুপ্তপ্ৰায় শগুন মৃত্যুমুখত পৰাৰ উপৰি ১৩টা শগুন অসুস্থ হৈ পৰিছিল। ন ধূলিজান যুৱ মিলন সংঘ আৰু বন বিভাগৰ সহযোগত মৃত আৰু অসস্থ শগুনকেইটাক উদ্ধাৰ কৰি মৃতকেইটাক পুতি পেলোৱাৰ বিপৰীতে অসুস্থকেইটাৰ ১০টাক সুস্থ কৰি ধৰি নিয়া ঠাইৰ পৰাই যোৱা বছৰৰ ৩১ জানুৱাৰীত পুনৰ মুকলি কৰি দিয়া হৈছিল। তাৰ পৰৱৰ্তী সময়ত ন ধূলিজান গাঁৱৰ ৰাইজৰ উদ্যোগত আৰু বন বিভাগৰ সহযোগত মৃত শগুনকেইটাৰ আত্মাৰ সদ্‌গতিৰ নামত শ্ৰাদ্ধ আৰু বন্যপ্ৰাণী সজাগতা সভা অনুষ্ঠিত কৰা হৈছিল। উক্ত শ্ৰাদ্ধ আৰু সজাগতামূলক সভাৰ বছৰেকীয়া পালনৰ সম্পৰ্কত আজি বন বিভাগৰ উদ্যোগত ন ধূলিজান যুৱ মিলন সংঘ আৰু ৰাইজৰ সহযোগত যোগেন বড়াৰ পৌৰোহিত্যত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰা হয়। আজিৰ অনুষ্ঠানত ডিব্ৰু-ছৈখোৱা বন্য প্ৰাণী সংৰক্ষণৰ বিভাগৰ গুইজানৰ পশু চিকিৎসক খনিন চাংমাই, ক্ষেত্ৰ বিষয়া জীৱন ছেত্ৰী আৰু দীপাংকৰ বৰ্মন, ডুমডুমা বন সংমণ্ডলৰ সহকাৰী বন বিষয়া প্ৰাঞ্জল কটকী, ধলা ছৈখোৱাৰ বন বিষয়া দিগন্ত গগৈ, তালাপস্থিত ছৈখোৱা আঞ্চলিক বন বিষয়া বিদ্যাধৰ সোণোৱাল, ডুমডুমা বন সংমণ্ডলৰ বনকৰ্মী কৃষ্ণকান্ত গগৈ, স্থানীয় সাংবাদিক খগেন মৰাণ, সমাজসেৱক হৰিনাথ বড়া, গাখীৰভেটি গাঁও পঞ্চায়তৰ ৱাৰ্ড সদস্য কমল মৰাণ, ন ধূলিজান যুৱ মিলন সংঘৰ উপদেষ্টা দিগন্ত মৰাণকে ধৰি ভালেসংখ্যক লোকৰ লগতে ডেৰ শতাধিক পুৰুষ-মহিলা উপস্থিত থাকে। লগতে ধূলিজান গাঁৱত বন বিভাগৰ তৰফৰ পৰা সজাগতামূলক এখন ডাঙৰ হ'ৰ্ডিং স্থাপন কৰে।






**অগ্ৰদূত পাব্লিচাৰ্চ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com